www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সংসাৰত কাম কৰিব লাগে বোকাত থকা মাছৰ নিচিনাকৈ, যেনেকৈ মাগুৰ মাছ বোকাত থাকে কিন্তু বোকা অকণো গাত নালাগে। — ৰামকৃষ্ণ পৰমহংস

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❐প্ৰথম বছৰ ❐সংখ্যা-১১৭ ❐ শনিবাৰ ❐৩১ জানুৱাৰী, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 117 ❐ Saturday ❐ 31st January, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8

■ কাৰেং চাপৰিৰ দশম মিচিং যুৱ মহোৎসৱত কেন্দ্ৰীয় গৃহমন্ত্ৰী ■

# পুনৰ বানমুক্ত অসমৰ প্ৰতিশ্ৰুতি অমিত শ্বাহৰ

## মিচিং ৰাইজৰ সুন্দৰ হাঁহিত ঐনিতমৰ সুৰৰ লহৰ দেখিবলৈ পোৱা যায় ঃ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩০ জানুৱাৰী ঃ** ধেমাজি জিলাৰ কাৰেং চাপৰিত টি এম পি কেৰ উদ্যোগত আয়োজিত দশম মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত উদুলি-মুদুলি পৰিৱেশৰ মাজতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অংশগ্ৰহণ কৰি মিচিং যুৱ সমাজক অস্ত্ৰ-সশস্ত্ৰ আন্দোলন পৰিহাৰ কৰি সাংস্কৃতিক পথ বাছি লোৱাৰ সিদ্ধান্তক সঠিক বুলি অভিহিত কৰে। শুকুৰবাৰে অনুষ্ঠিত এই অনুষ্ঠানত গুমৰাগ নৃত্যৰে গৃহমন্ত্ৰীক আদৰণি জনোৱা হয় আৰু দুই লক্ষাধিক ৰাইজৰ উপস্থিতিত তেওঁ মিচিং জনগোষ্ঠীৰ লত্তা চ: মান উপভোগ কৰি ভাষণ দিয়ে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে মিচিং যুৱ মহোৎসৱত অংশগ্ৰহণ নকৰিলে এনে সুন্দৰ দৃশ্য চাবলৈ সৌভাগ্য নহ'লহেঁতেন। নিজৰ কৃষ্টি-সংস্কৃতি ৰক্ষা আৰু সাংবিধানিক মৰ্যাদা লাভৰ বাবে সশস্ত্ৰ সংগ্ৰামৰ পৰিৱৰ্তে এনে যুৱ মহোৎসৱৰ প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰে। দৰ্ঞি পল ▸▸৭ পৃষ্ঠাত




◂ সমসাময়িক ▸

### মে-ডাম-মে-ফী ঃ অতীতৰ সৈতে বৰ্তমানৰ পৱিত্ৰ সংযোগ

✍ সত্যব্ৰত বৰা

**মে**-ডাম-মে-ফী তাই-আহোম সমাজৰ এক গভীৰ, পৱিত্ৰ আৰু দীৰ্ঘ ঐতিহ্যপূৰ্ণ সংস্কাৰ। ধৰ্মীয় আচাৰৰ বাহিৰেও মে-ডাম-মে-ফী এক দৰ্শন, এক দৃষ্টিভংগী আৰু এটা সভ্যতাৰ স্মৃতি। মে-ডাম-মে-ফীৰ মূল ভাবনাটো হৈছে পূৰ্বপুৰুষৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ, তেওঁলোকৰ আত্মাৰ প্ৰতি সন্মান আৰু জীৱিত মানুহ আৰু অতীতৰ ▸▸৭ পৃষ্ঠাত

◂ সমসাময়িক ▸

### মে-ডাম-মে-ফী ঃ সমন্বয়ী চেতনাৰ প্ৰতীক

✍ নিবেদিতা হাজৰিকা

আহোম সকলৰ এক অন্যতম ধৰ্মীয় সামাজিক উৎসৱ হ'ল মে-ডাম-মে-ফী। ইয়াৰ অৰ্থ হ'ল - মে মানে প্ৰাৰ্থনা বা পূজা কৰা, ডাম মানে পূৰ্ব পুৰুষ বা মৃতক আৰু ফী মানে দেও বা ▸▸৭ পৃষ্ঠাত

নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত দুখনকৈ গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ গৃহমন্ত্ৰীৰ

# বাজপেয়ী ভৱনত দুঘণ্টাৰো অধিক সময় নিৰ্বাচনী মন্থন কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ

উপস্থিত ড° মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালসহ ১২ গৰাকী নেতা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ জানুৱাৰী ঃ** অসমত আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হৈ পৰিছে। বৃহস্পতিবাৰে মধ্যৰাতিৰ পিছত ডিব্ৰুগড়ত উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শুকুৰবাৰে সন্ধিয়া গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত দলৰ কৰ্ণধাৰ সমিতিৰ বিশেষ বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত কৰ্ণধাৰ সমিতিৰ সকলো সদস্য উপস্থিত থাকে। এই গুৰুত্বপূৰ্ণ বৈঠকত আগন্তুক বিধানসভা নিৰ্বাচনৰ সম্পূৰ্ণ ৰূপৰেখা আৰু ৰণনীতিৰ বিষয়ে বিশদ আলোচনা ▸▸৭ পৃষ্ঠাত

■ বিজেপি চৰকাৰৰ উন্নয়নৰ খতিয়ান দাঙি ধৰি কংগ্ৰেছক তীব্ৰ সমালোচনা ■

# ডিব্ৰুগড়ত নতুন বিধানসভা চৌহদৰ আধাৰশিলা স্থাপন কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ

❐ বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰো আধাৰশিলা স্থাপন ❐ খনিকৰ বহুমুখী ক্ৰীড়া প্ৰকল্পৰ পৰ্যায়-১ ৰাইজলৈ উৎসৰ্গা

**অসম বাৰ্তা, ডিব্ৰুগড়, ৩০ জানুৱাৰী ঃ** অসমৰ উজনি অংশক শক্তিশালী কৰি দ্বিতীয় প্ৰশাসনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী পৰিকল্পনাক গতি প্ৰদান কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ▸▸৭ পৃষ্ঠাত



❐ অমিত শ্বাহৰ সমুখত শংকৰজ্যোতিক পৰিচয় মুখ্যমন্ত্ৰীৰ ❐

# ছাৰ য়ে মেৰা ভাই হ্যে ! বহত অচ্ছা লড়কা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ জানুৱাৰী ঃ** বিৰ্তকিত হ'লেও অসমৰ ৰাজনীতিত শংকৰজ্যোতি বৰুৱাৰ মূৰত এতিয়াও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাত থকাৰ



বিৰ্তকিত প্ৰাক্তন আছু নেতা শংকৰজ্যোতি বৰুৱাক বিজেপিৰ ভৱিষ্যতৰ বাবে সংৰক্ষিত ৰখাৰ ইংগিত

বিদ্যালয়ত বিনামূলীয়াকৈ যোগান ধৰিব লাগিব চেনিটেৰী নেপকিন

# ঋতুস্ৰাৱ স্বাস্থ্যক সংবিধানৰ মৌলিক অধিকাৰৰ অংশ হিচাপে স্বীকৃতি




উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক নিৰ্দেশ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ জানুৱাৰী ঃ** ভাৰতৰ উচ্চতম ন্যায়ালয়ে দেশৰ ভিতৰত এক অভূতপূৰ্ব আৰু ঐতিহাসিক ৰায়দানৰ জৰিয়তে সকলো চৰকাৰী, চৰকাৰী সাহায্যপ্ৰাপ্ত আৰু ব্যক্তিগত বিদ্যালয়সমূহক কিশোৰী ছাত্ৰীসকলৰ বাবে সম্পূৰ্ণ বিনামূলীয়াকৈ অক্সো-বায় 'ডিগ্ৰেডেবল চেনিটেৰী নেপকিনৰ ব্যৱস্থা কৰাৰ নিৰ্দেশ জাৰি কৰিছে। ▸▸৭ পৃষ্ঠাত

■ উত্তৰ-পূৰ্বাঞ্চলৰ নিৰাপত্তাৰ বাবেও এটা উদ্বেগজনক খবৰ ■

# পুনৰ আৰম্ভ হ'ল ১৪ বছৰে বন্ধ হৈ থকা বাংলাদেশ-পাকিস্তানৰ বিমান সেৱা




**অনলাইন ডেস্ক, অসম বাৰ্তা, ৩০ জানুৱাৰী ঃ** সুদীৰ্ঘ ১৪ বছৰৰ বিৰতিৰ অন্তত পাকিস্তান আৰু বাংলাদেশৰ মাজত পোনপটীয়া বিমান যোগাযোগ পুনৰ স্থাপিত হৈছে। বাংলাদেশ এয়াৰলাইন্সৰ এখন বিশেষ বিমানে শুকুৰাৰে নিশা ঢাকাৰ ▸▸৭ পৃষ্ঠাত

পৰৱৰ্তী শুনানি ১৩ ফেব্ৰুৱাৰীত; গৰিমা গাৰ্গৰ ক্ষোভ, অভিযুক্ত সকলক কঠোৰ শাস্তিৰ দাবী

# জুবিন গাৰ্গৰ হত্যা গোচৰত তিনি অভিযুক্তৰ জামিন আবেদন নাকচ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৩০ জানুৱাৰী ঃ** অসমৰ প্ৰিয় সংগীত শিল্পী জুবিন গাৰ্গৰ হত্যা গোচৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ সাব্যস্ত হৈছে। কামৰূপ মহানগৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে শুকুৰবাৰে ▸▸৭ পৃষ্ঠাত



**প্ৰাক্তন সৈনিক আৰু সৈনিকৰ পৰিয়ালৰ প্ৰতিটো সমস্যা সমাধান কৰাই আমাৰ মূল দায়িত্ব ঃ দুৰ্লভ জ্যোতি দাস**

# চিৰাজুলীৰ নতুনপামত প্ৰাক্তন সৈনিকসকলৰ মিনি আউটৰিচ ৰেলী অনুষ্ঠিত

### উক্ত অনুষ্ঠানত বীৰ নাৰী, প্ৰাক্তন সৈনিক আৰু নিৰ্ভৰশীলসকলৰ ব্যাপক অংশগ্ৰহণ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৩০ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত চিৰাজুলীৰ নতুনপামস্থিত ৰাসমণ্ডপ কমিউনিটি হলত ৩০ জানুৱাৰী ২০২৬ তাৰিখে অৰ্থাৎ আজি শোণিতপুৰ জিলা সৈনিক কল্যাণ কাৰ্যালয় আৰু চিৰাজুলি আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ এখন প্ৰাক্তন সৈনিক মিনি আউটৰিচ ৰেলী সফলভাৱে অনুষ্ঠিত হয়। উক্ত ৰেলীত সেনা, নৌসেনা আৰু বায়ুসেনাৰ মুঠ ৩৯জন প্ৰাক্তন সৈনিক, ২৩ গৰাকী বীৰ নাৰী/মাতা আৰু বহু সংখ্যক নিৰ্ভৰশীল সদস্য অংশগ্ৰহণ কৰে। এই ৰেলীৰ মূল উদ্দেশ্য আছিল প্ৰাক্তন সৈনিক সমাজৰ সৈতে প্ৰত্যক্ষ সংযোগ স্থাপন কৰি কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ কল্যাণমূলক আঁচনিসমূহৰ বিষয়ে যথাযোগ্য তথ্য প্ৰদান কৰা। অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলৰ সুবিধাৰ্থে পেঞ্চনৰ অসামঞ্জস্য, নথি-পত্ৰ সম্পৰ্কীয় জটিলতা আৰু বিভিন্ন কল্যাণমূলক বিষয়ত সহায় আগবঢ়াবলৈ বিশেষ সহায় ডেস্ক স্থাপন কৰা হয়। চিৰাজুলি আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ সভাপতি শয়ন কুমাৰ দাস দেৱে আতধৰা আৰু আঞ্চলিকৰ সম্পাদক দীলিপ তালুকদাৰ দেৱে উদ্দেশ্য ব্যাখ্যা কৰা আজিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শোণিতপুৰ জিলা সৈনিক কল্যাণ কাৰ্যালয়ৰ মুখ্য বিষয়া গ্ৰুপ কেপ্টেইন দুৰ্লভ জ্যোতি দাস। সভাত উপস্থিত থাকি শোণিতপুৰ জিলা সৈনিক কল্যাণ কাৰ্যালয়ৰ মুখ্য বিষয়া গ্ৰুপ কেপ্টেইন দুৰ্লভ জ্যোতি দাস দেৱে পেঞ্চন আৰু পাৰিবাৰিক পেঞ্চনৰ সংশোধন, যৌথ বিজ্ঞপ্তি, MACP, SPARSH, OROP, কেন্দ্ৰীয় সৈনিক বৰ্ড আৰু অসম সৈনিক কল্যাণ সঞ্চালকালয়ৰ বিভিন্ন আঁচনি সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰে। লগতে তেখেতে প্ৰাক্তন সৈনিকসকলৰ বাবে উপলব্ধ পুনৰ্বাসন, পুনৰ নিয়োগ আৰু স্বনিযুক্তিৰ সম্ভাৱনাসমূহৰ বিষয়েও গুৰুত্ব আৰোপ কৰে। এই অনুষ্ঠানত উপস্থিত হৈ আইনী সহায় প্ৰতিৰক্ষা পৰামৰ্শদাতা কাৰ্যালয়ৰ উপ-মুখ্য হেমন্ত দহালে NALSA বীৰ পৰিয়াল সহায়তা যোজনা ২০২৫ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। তেওঁ উল্লেখ কৰে যে এই আঁচনিখনৰ জৰিয়তে কৰ্মৰত সৈনিক, প্ৰাক্তন সৈনিক আৰু বীৰ নাৰীসকলক বিনামূলীয়া আৰু সহানুভূতিশীল আইনী সহায় প্ৰদান কৰা হয়। ইতিমধ্যে প্ৰতিৰক্ষা পৰিয়ালসমূহৰ সহায়ৰ বাবে পেৰা-লিগেল স্বেচ্ছাসেৱক নিযুক্ত কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। ইয়াৰোপৰি এইচডিএফচি লাইফৰ আঞ্চলিক মুখ্যা শ্ৰীমতী আৰ্তি দাসে চাইবাৰ অপৰাধৰ বাঢ়ি অহা ভাবুকি সন্দৰ্ভত অংশগ্ৰহণকাৰীসকলক সজাগ কৰে। ফিছিং, ছিম-স্বেপিং, মেলৱেৰ আক্ৰমণ, ম'বাইল হেকিং আদি বিষয়ত সতৰ্ক কৰি AI-ভিত্তিক প্ৰৱঞ্চনাৰ পৰা দূৰত থাকিবলৈ তেওঁ আহ্বান জনায়। অনুষ্ঠানৰ অন্তত জিলা সৈনিক কল্যাণ বিষয়াই সকলো অংশগ্ৰহণকাৰীক যথোপযুক্ত তথ্য, নথি-পত্ৰ সম্পৰ্কীয় সহায়ৰ বাবে নিয়মিতভাৱে কাৰ্যালয়ৰ সৈতে সংযোগত থাকিবলৈ অনুৰোধ জনায়। লগতে অসমৰ মাননিয় ৰাজ্যপালৰ "ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতা যোজনা"ত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়, যাৰ মূল লক্ষ্য হৈছে যুৱসমাজৰ মাজত শৃংখলা, দেশপ্ৰেম আৰু জাতীয় দায়িত্ববোধ গঢ়ি তোলা। এই মিনি আউটৰিচ ৰেলীয়ে ভাৰতীয় সেনা বাহিনীৰ প্ৰাক্তন সৈনিক, বীৰ নাৰী আৰু নিৰ্ভৰশীলসকলৰ প্ৰতি গভীৰ সন্মান আৰু কৃতজ্ঞতা পুনৰ প্ৰতিফলিত কৰে। অংশগ্ৰহণকাৰীসকলৰ উৎসাহজনক সঁহাৰিয়ে সমাজৰ মাজত কল্যাণমূলক আঁচনিসমূহৰ বিষয়ে বৃদ্ধি পোৱা সজাগতাক স্পষ্ট কৰি তোলে। লগতে এই অনুষ্ঠানৰ জৰিয়তে জিলা সৈনিক কল্যাণ বিষয়াই জিলাখনৰ প্ৰাক্তন সৈনিক সমাজৰ সৈতে সুদৃঢ় সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হয়। আজিৰ অনুষ্ঠানত চিৰাজুলি আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ মুখ্য উপদেষ্টা SGT তিলক পকোৱাল, প্ৰহৰী লাইফ ইঞ্চোৰেঞ্চ কোম্পানীৰ তেজপুৰ শাখা পৰিচালক বিকি হাজৰিকাৰ লগতে কেইবাটাও বিভাগৰ বিষয়া উপস্থিত থাকি প্ৰাক্তন সৈনিক আৰু প্ৰাক্তন সৈনিকৰ পৰিয়ালক উদ্দেশ্যি গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়।

শতাধিক আলোকচিত্ৰ প্ৰদৰ্শনেৰে সামৰণি পৰিল "ডামল-৬" শীৰ্ষক আলোকচিত্ৰ প্ৰদৰ্শনী

# গোৱালপাৰা ফটোগ্ৰাফিক ছ'চাইটি (জিপিএছ)ৰ উদ্যোগত দুধনৈত আলোকচিত্ৰ প্ৰদৰ্শনী

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৩০ জানুৱাৰী ঃ** গোৱালপাৰা ফটোগ্ৰাফিক ছ'চাইটি চমুকৈ জিপিএছৰ উদ্যোগত দুধনৈৰজন মন্দিৰ সাংস্কৃতিক ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা "ডামল-৬-০" শীৰ্ষক আলোকচিত্ৰ প্ৰদৰ্শনীৰ আজি সামৰণি পৰে। ৰত্নপীঠৰ এক গুৰুত্বপূৰ্ণ অংশ গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা আলোকচিত্ৰ শিল্পী সকলক একগোট কৰাৰ উদ্দেশ্যে আৰু তেওঁলোকৰ শিল্পী প্ৰতিভাক বিকশিত কৰি আগুৱাই নিয়াৰ লগতে প্ৰকৃতিৰ সুৰক্ষা সংৰক্ষণ গুৰু দায়িত্ব গ্ৰহণ কৰি ছয়টা বছৰ আগতে ২০১৯ বৰ্ষত কেইগৰাকীমান উদ্যমী যুৱকৰ প্ৰচেষ্টাত দুধনৈৰ বুকুত জন্মলাভ কৰিছিল। তেতিয়াৰ পৰাই ধাৰাবাহিক ভাবে "গোৱালপাৰা ফটোগ্ৰাফিক ছচাইটি"য়ে "ডামল" শীৰ্ষক আলোকচিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰি আহিছে। এই প্ৰদৰ্শনীত অসম তথা অসমৰ বাহিৰৰ ৬৬ গৰাকী নিৰ্বাচিত




আলোকচিত্ৰ শিল্পীৰ শতাধিক আলোকচিত্ৰ প্ৰদৰ্শন হৈছিল। জিপিএছৰ এই প্ৰশংসনীয় পদক্ষেপৰ বাবে জিলাখনৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ আগ্ৰহী আলোকচিত্ৰ শিল্পী সকলক তেওঁলোকৰ প্ৰতিভা বিকাশৰ এখন মঞ্চৰ জৰিয়তে নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা পাইছে। পূৰ্বতে গোৱালপাৰা জিলাত এনে ধৰণৰ কোনো সুবিধা পোৱা নাছিল জিলাখনৰ আলোকচিত্ৰ শিল্পীয়ে। ইয়াৰ জৰিয়তে ন-শিকাৰু সকলে আলোকচিত্ৰ শিল্পৰ লগত জড়িত সকলো কথা জানিব পাৰিছে। এই প্ৰদৰ্শনীত গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুংএ অংশগ্ৰহণ কৰি ভাষণ প্ৰসংগত কয় যে জিপিএছএ এক প্ৰশংসনীয় পদক্ষেপেৰে জিলাখনৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ আগ্ৰহী আলোকচিত্ৰ শিল্পী সকলক তেওঁলোকৰ প্ৰতিভা বিকাশৰ এখন মঞ্চ দিছে। ইয়াৰ জৰিয়তে ন-শিকাৰু সকলে আলোকচিত্ৰ শিল্পৰ লগত জড়িত সকলো কথা আয়ত্ত পাৰিছে। এয়া জিপিএছৰ উল্লেখনীয় প্ৰয়াস। জিপিএছৰ সভাপতি বেঞ্জামিন কামানে আদৰণি ভাষণ পাঠ কৰাৰ লগতে জিপিএছৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে ব্যাখ্যা কৰে। জিপিএছৰ সহকাৰী সম্পাদক যুগল কিশোৰ তালুকদাৰে আঁত ধৰা অনুষ্ঠানত অৱসৰ প্ৰাপ্ত আৰক্ষী অধীক্ষক তথা আলোকচিত্ৰ শিল্পী বন্যা গগৈয়ে এনেধৰণৰ প্ৰদৰ্শনী তথা ফটোগ্ৰাফীয়ে বৰ্তমান সময়ত হতাশাৰ গ্ৰাসত থকা যুৱপ্ৰজন্মক নতুন কাম কৰিবলৈ উৎসাহিত কৰিব বুলি মন্তব্য কৰিব বুলি কয়। কৃত্ৰিমতাৰ প্ৰলেপ ব্যৱহাৰ কৰি তোলা ফটো কেতিয়াও উন্নত মানদণ্ডৰ হ'ব নোৱাৰে। তাৰ তুলনাত সাধাৰণ ভাবে উঠোৱা ফটোখনে যদি বিষয়বস্তুক উপস্থাপন কৰিব পাৰে সেইখনহে ভাল ফটো হ'ব পাৰে। এই প্ৰদৰ্শনীত গোৱালপাৰাৰ সু-সন্তান অসম গৌৰৱ তথা ২০২৬ বৰ্ষত ভাৰত চৰকাৰে প্ৰদান কৰা "পদ্মশ্ৰী" বঁটা প্ৰাপক ড° যোগেশ দেউৰীক জিপিএছৰ তৰফৰ পৰা উষ্ম আদৰণি আৰু সম্বৰ্ধনা জনায়। পদ্মশ্ৰী বঁটা প্ৰাপক ড° যোগেশ দেউৰীয়ে জিপিএছৰ এই প্ৰচেষ্টাৰ শলাগ লয়। প্ৰদৰ্শনীথলীত অংশগ্ৰহণ কৰা আলোকচিত্ৰ শিল্পী সকলৰ লগত মত-বিনিময় অনুষ্ঠানৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানৰ জৰিয়তে গোৱালপাৰা জিলাৰ ইতিহাসত ফটোগ্ৰাফীৰ এক নতুন দিশ উন্মোচিত হোৱাৰ লগতে ফটোগ্ৰাফীৰ মঞ্চখনে এক বলিষ্ঠ খোজ লোৱা দেখিবলৈ পোৱা গ'ল। "ডামল ৬.০" শীৰ্ষক এখন পুস্তিকাৰো উন্মোচন কৰা হয়। জিপিএছৰ সম্পাদক জ্যোতিৰ্ময় কলিতা, কাৰ্যকৰী সভাপতি মানসলোচন দাসে সকলো ফটোগ্ৰাফাৰ আৰু অংশগ্ৰহণ কাৰী সকলক ধন্যবাদ তথা কৃতজ্ঞতা জনায়। অনুষ্ঠানত দুধনৈ চক্ৰ বিষয়া জিতেন্দ্ৰ টাইড, দুধনৈ উন্নয়ন কমিটিৰ সম্পাদক প্ৰেমচান্দ বসুমতাৰী, দুধনৈ ব্যৱসায়ী সন্থাৰ সভাপতি সম্পাদকদ্বয় ক্ৰমে উদয় কুমাৰ ৰাভা, চন্দন কুমাৰ ৰাভাকে ধৰি বহু ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# মৰিগাঁৱত বাল্য বিবাহ মুক্তি ৰথৰ অন্তিম পৰ্যায়ৰ কাৰ্যসূচীৰ শুভাৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩০ জানুৱাৰী ঃ** বাল্য বিবাহৰ বিৰুদ্ধে চলি থকা ১০০ দিনীয়া ৰাজ্যজোৰা অভিযান 'বাল্য বিবাহ মুক্ত ভাৰত'ৰ অংশ হিচাপে আজি মৰিগাঁও জিলাত বাল্য বিবাহ মুক্তি ৰথৰ শেষ পৰ্যায়ৰ যাত্ৰাৰ শুভাৰম্ভ কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰা আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত আনুষ্ঠানিকভাৱে এই ৰথৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগ আৰু কোচি লোক মঞ্চৰ যৌথ উদ্যোগত ৰূপায়ণ হৈ থকা এই তিনিমহীয়া অভিযানৰ ফেব্ৰুৱাৰী মাহত সামৰণি পৰিব। মৰিগাঁওসহ অসমৰ একাধিক জিলাত চলি থকা এই উদ্যোগৰ মূল উদ্দেশ্য হৈছে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰি বাল্য বিবাহৰ বিৰুদ্ধে এক সামাজিক আন্দোলন গঢ়ি তোলা আৰু জিলা প্ৰশাসন তথা বিভিন্ন চৰকাৰী বিভাগৰ সমন্বিত প্ৰচেষ্টাৰে এই কু-প্ৰথা নিৰ্মূল কৰা। অনুষ্ঠানত কোচি লোক মঞ্চৰ জিলা সমন্বয়ক মৈত্ৰেয়ী শইকীয়া, ভুক্তভোগী সহাঁৰি শাখাৰ ইন্দ্ৰাণী বিশ্বাসৰ লগতে কেইবাটাও চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত আছিল। জিলা আয়ুক্তগৰাকীয়ে অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগ, কোচি লোক মঞ্চ আৰু সংশ্লিষ্ট বিভাগসমূহৰ সৈতে সমন্বয়েৰে শিশু সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ লগতে বাল্য বিবাহমুক্ত সমাজ গঢ়াৰ ক্ষেত্ৰত কাম কৰি যোৱাৰ পোষকতা কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এটা স্বাক্ষৰ অভিযানো ৰূপায়ণ কৰা হয়।

# সদৌ অসম গাঁও পঞ্চায়ত সচিব সন্থাৰ ১৬তম্ দ্বি-বাৰ্ষিক সাধাৰণ সভা আৰু অধিৱেশন




**অসম বাৰ্তা, নগাঁও, ৩০ জানুৱাৰী ঃ** সদৌ অসম গাঁও পঞ্চায়ত সচিব সন্থাৰ ১৬ দ্বি-বাৰ্ষিক সাধাৰণ সভা আৰু অধিবেশন খনি আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে নগাঁও নাট্য মন্দিৰত আয়োজিত হৈছে। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত সদৌ অসম গাঁও পঞ্চায়ত সচিব সন্থাৰ পতাকা উত্তোলন কৰে সদৌ অসম গাঁও পঞ্চায়ত সচিব সন্থাৰ সভাপতি ইমতিয়াজুল ইচলামে। পুৱা ৯ঃ৩০ বজাত শ্বহীদ তৰ্পণ কৰে সদৌ অসম গাঁও পঞ্চায়ত সচিব সন্থাৰ সাধাৰণ সম্পাদক দীপক কুমাৰ হাজৰিকাই। পুৱা ১০ বজাৰ পৰা প্ৰতিনিধি পঞ্জীয়ন। পুৱা ১১ বজাত প্ৰতিনিধি শিবিৰ আনুষ্ঠানিকভাৱে মুকলি কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি গৌৰী শংকৰ বৰাই। দিনৰ ১ বজাত পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা সম্পন্ন হোৱাৰ পাচতে সন্ধিয়া ৫ বজাত বিষয় বাছনি সভাৰে প্ৰথম দিনাৰ কাৰ্যসূচী সামৰণি পৰে। দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহকৰ শপত গ্ৰহণ আৰু প্ৰথম কাৰ্যনিৰ্বাহক সভা সম্পন্ন হোৱাৰ পাচতে পুৱা ১১ঃ৩০ বজাত সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকা আৰু অসমীয়াৰ প্ৰাণৰ শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰিব নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। পুৱা ১১ঃ৪৫ বজাত প্ৰয়াত গাঁও পঞ্চায়ত সচিব সকলৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ তৰ্পক হিচাপে উপস্থিত থাকিব মুখ্য কাৰ্যবাহী বিষয়া মনোজ চিকাৰীয়াই। দিনৰ ১২বজাত নগাঁৱৰ নেহৰুবালীত অনুষ্ঠিত হ'ব মুকলি সভা। মুকলি সভাত ৰাজ্যৰ কেইবাজনো কেবিনেট মন্ত্ৰী উপস্থিত থকাৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব পুষ্পাঞ্জলী দাস, সচিব মুনিন্দ্ৰ শৰ্মা, আয়ুক্ত কীৰ্থি জল্লী, যুটীয়া আয়ুক্ত চয়নিকা ঠাকুৰীয়া সহ নগাঁও জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা নগাঁও জিলাৰ বিধায়ক সকল উপস্থিত থাকিব বুলি সদৌ অসম গাঁও পঞ্চায়ত সচিব সন্থাৰ সভাপতি ইমতিয়াজুল ইচলাম, সাধাৰণ সম্পাদক দীপক হাজৰিকা আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি গৌৰী শংকৰ বৰা, সম্পাদক ৰোহিনী তামোলীয়ে জানিব দিছে।

# মৰিগাঁৱত কবি-সাহিত্যিক, নাট্যশিল্পী ৰফিকুল হুছেইনলৈ নিপুণ ডেকা সোঁৱৰণী লালিলাং বঁটা ২০২৫ প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩০ জানুৱাৰী ঃ** মৰিগাঁৱৰ আগশাৰীৰ নাট্য গোষ্ঠী "লালিলাং দ্যা থিয়েটাৰ ৰিডম, মৰিগাঁৱে" নাট্য শিল্পী নিপুণ ডেকা সোঁৱৰণী "লালিলাং বঁটা ২০২৫" প্ৰদান কৰে অসমৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক কবি-সাহিত্যিক ৰফিকুল হুছেইনক। উক্ত বঁটাত আছে নগদ দহ হেজাৰ টকা, অংগবস্ত্ৰ, সম্বৰ্ধনা পত্ৰ, এটি স্মাৰক আৰু এখনি শৰাই। কালি সন্ধিয়া মৰিগাঁৱৰ নিপুণ ডেকা স্মৃতি সদনত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সভাত জিলাখনৰ ৰামধেনু নাট্যগোষ্ঠী, সন্মিলিত নাট্য গোষ্ঠী, সমলয় নাট্য গোষ্ঠীৰ উপৰিও মৰিগাঁৱৰ বহু কেইটা আগশাৰীৰ নাট্য গোষ্ঠীৰ লগতে অসম নাট্য সন্মিলনৰ মৰিগাঁও জিলা সমিতিৰ বিষয়ববীয়া, মৰিগাঁও জিলা কবি সন্মিলন আৰু অসম লেখিকা সামৰোহ সমিতৰ মৰিগাঁও জিলা সমিতিৰ বিষয়ববীয়া আৰু নাট্য তথা সাহিত্য অনুৰাগী উপস্থিত থাকে। অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি অসমৰ বিশিষ্ট কবি সাহিত্যক কেশৱ বৰাই ৰফিকুল হুছেইনৰ জীৱন পৰিক্ৰমা আৰু মৰিগাঁৱৰ সৈতে তেখেতৰ সম্পৰ্কৰ লগতে মৰিগাঁৱৰ নাট্য যাত্ৰাত ৰফিকুল হোছেইনৰ অৱদান সন্দৰ্ভত এক সাৱলীল বক্তব্য ৰাখে। "লালিলাং দ্যা থিয়েটাৰ ৰিডম, মৰিগাঁও"ৰ সম্পাদক ভৱেশ খাটনিয়াৰে আঁতধৰা অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্জ্বলন কৰে নাট্য শিল্পী নিপুণ ডেকাৰ জেষ্ঠা কণ্যা নিৰলা বৰাৰ লগতে শিল্পী নিপুণ ডেকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলন কৰে অৱসৰ প্ৰাপ্ত শিক্ষক উমা দাসে। তদুপৰি মুহিলা হোম মডেল স্কুলৰ ছাত্ৰী অনামিকা বৰাৰ এটি ভক্তিভৰা বৰগীতেৰে বঁটা প্ৰদান অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ পিছতে শিল্পী নিপুণ ডেকাৰ জীৱন পৰিক্ৰমা আৰু মৰিগাঁৱত তেখেতৰ নাট্য অৱদানৰ বিষয়ে মনোগ্ৰাহী বক্তব্য ৰাখে তেখেতৰেই সুযোগ্য সন্তান তথা মৰিগাঁৱৰ বিশিষ্ট শিক্ষাবিদ, শিল্পী তথা সমাজ সংগঠক অশোক ডেকাই। সভাত মৰিগাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড° সাৰদশ্ৰী চৌধুৰীয়ে সমলপূৰ্ণ আৰু তথ্য সমৃদ্ধ ভাষণ ৰাখে। ইপিনে বঁটা প্ৰাপক নাট্যকাৰ পৰিচালক ৰফিকুল হোছেইনে লালিলাং বটাঁ ২০২৫ গ্ৰহণ কৰি কয়যে বঁটাই এজন ব্যক্তিক কৰ্ম জীৱনত নতুন কাম কৰি যোৱাত উৎসাহ প্ৰদান কৰে। সেয়েহে এনেধৰণৰ বঁটাৰ সমাজত প্ৰয়োজন আছে।" সভাৰ শেষত লালিলাঙৰ উপদেষ্টা খগেন মহন্তই শলাগৰ শৰাই আগবঢ়ায়।

**বৰ্তমানৰ শাসকীয় বিজেপি দলে জাতিৰ পিতা মহাত্মা গান্ধীৰ নাম নাইকিয়া কৰাৰ ষড়যন্ত্ৰ কৰিছে ঃ দেৱব্ৰত শইকীয়া**

# নাজিৰাত জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ ৭৮ তম্ মৃত্যু বাৰ্ষিকী

### শ্বহীদ দিৱস পালন; "ৰামধন" ভজনৰ কণ্ঠস্বৰে জীপাল গান্ধী ময়দান

**অসম বাৰ্তা, নামতি, ৩০ জানুৱাৰী ঃ** আজি নাজিৰা নগৰৰ মাজমজিয়াৰ গান্ধী ময়দান প্ৰাংগনত শত-সহস্ৰজনৰ কণ্ঠস্বৰে জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ প্ৰিয় "ৰামধন" গীতৰ কণ্ঠস্বৰে জীপাল হৈ পৰে সমগ্ৰ অঞ্চল। বিশিষ্ট কণ্ঠশিল্পী দিলীপ দাসৰ নেতৃত্বত




পৰিৱেশন হোৱা "ৰামধন" ভজনৰ কণ্ঠস্বৰে ইতিহাসক সোঁৱৰাই দিয়ে মহামানৱ মহাত্মা গান্ধীৰ জীৱন দৰ্শন। "ৰামধন" ভজনৰ উপৰি মহামানৱ মহাত্মা গান্ধীৰ আন এটি প্ৰিয় "বৈষ্ণৱ প্ৰণতি" ভজন পৰিৱেশন হয়। অনুষ্ঠানৰ আৰম্ভণিতে গান্ধী ময়দানস্থ জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাপণ আৰু বন্তি ঃপ্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে বিধায়ক তথা অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। ইয়াৰ পিছতে বক্তব্যৰ প্ৰসংগত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয়, যিজনা মহান নেতাৰ সৰল নেতৃত্বত ভাৰতবৰ্ষৰ জনগণে ইংৰাজৰ ঔপনিবেশিক অপশাসনৰ পৰা মুক্ত হ'ল, দেশে স্বাধীনতা লাভ কৰিলে সেইজনা মহান ব্যক্তি জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ নাম সম্প্ৰতি শাসকীয় দলটোৰ নেতা-কৰ্মকৰ্তাই দেশৰ ইতিহাসৰ পাতৰ পৰাই নাইকিয়া কৰাৰ ষড়যন্ত্ৰ কৰিছে, সেই দলৰ নেতা-কৰ্মীয়ে এই মহান নেতাগৰাকী জীৱন দৰ্শন বিবেকপুষ্ঠ ভাৱে অধ্যয়ন কৰাৰ সময় আহি পৰিছে। আজি নাজিৰা সমষ্টি কংগ্ৰেছ কমিটীৰ উদ্যোগত নাজিৰা নগৰস্থ গান্ধী ময়দানত জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ ৭৮ তম মৃত্যু বাৰ্ষিকী "শ্বহীদ দিৱস" পালন অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰি বিধায়ক তথা অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই লগতে কয়, মহামানৱ মহাত্মা গান্ধীৰ নাম দেশৰ ইতিহাসৰ পাতৰ পৰা নাইকিয়া কৰাৰ ষড়যন্ত্ৰ কৰিছে যদিও বৰ্তমানৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে বিদেশলৈ গলে সেই দেশ সমূহত কাৰ্যক্ৰমণিকা আৰম্ভণিতেই এই মহান পুৰুধাজনৰ প্ৰতিমূৰ্তিৰ আগতেই মূৰ দুৱাব লগা পৰিস্থিতি উদ্ভৱ হ'ব লগাত পৰে। সেয়া ভাৰতবৰ্ষৰ জনগণৰ বাবে নমস্য। অসম প্ৰদেশ কংগ্ৰেছৰ মুখপত্ৰ আব্দুৰ ৰহমানে আঁতধৰা অনুষ্ঠানত প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদকদ্বয় অভিজিৎ হাজৰিকা, লক্ষ্মীনাথ সন্দিকৈ, জ্যেষ্ঠ অধিবক্তা মহেন্দ্ৰ ভূঞা, বন্দনা শইকীয়া, তুলুমণি কোঁৱৰ, দিগন্ত সন্দিকৈ, অপূৰ্ব বৰুৱা, মদন ৰয়কে ধৰি নাজিৰা গ্ৰাম্য ব্লক, নাজিৰা, শিমলুগুৰি, আমগুৰি পৌৰব্লক কংগ্ৰেছ কমিটীৰ বিষয়ববীয়া তথা শত-সহস্ৰ কংগ্ৰেছ কৰ্মীয়ে অংশগ্ৰহণ কৰি "ৰামধন" ভজনৰ কণ্ঠস্বৰে জীপাল কৰি তোলে।

### ৫ বছৰ প্ৰতিনিধিত্ব কৰা বিধায়ক, মন্ত্ৰী, সাংসদসকলে এন পি এছ লাভ কৰে, আমি নাপাওঁ; মন্তব্য প্ৰতিবাদকাৰীৰ

# NPS-UPS বাতিল কৰাৰ লগতে OPS প্ৰৱৰ্তন কৰাৰ দাবীৰে সৰুপথাৰত কৰ্মচাৰী পৰিষদৰ প্ৰতিবাদ

**অসম বাৰ্তা, সৰুপথাৰ, ৩০ জানুৱাৰী ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদে অসমৰ কৰ্মচাৰী সকলৰ ওপৰত সম্প্ৰতি (২০০৫ চনৰ পৰা) চৰকাৰে প্ৰয়োগ কৰা নতুন পেঞ্চন ব্যৱস্থা (NPS) বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা (OPS) পুনৰ প্ৰৱৰ্ত্তনৰ দাবীৰে সাব্যস্ত কৰিছে প্ৰতিবাদ। শুক্ৰবাৰে ধনশিৰি জিলা কৰ্মচাৰী পৰিষদে সৰুপথাৰ সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত দিনৰ ১২: ৩০ বজাৰ পৰা দুই ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ আহ্বান মৰ্মে সদৌ অসম কৰ্মচাৰী পৰিষদৰ ধনশিৰি জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত, সৰুপথাৰ, বৰপথাৰ, নাওজান, চুঙাজান, উৰিয়ামঘাট আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সহযোগত সৰুপথাৰ সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। কৰ্তব্য এৰি শিক্ষক-




কৰ্মচাৰীসকলে সাব্যস্ত কৰে প্ৰতিবাদত। 'চৰকাৰে ২০০৫ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা প্ৰৱৰ্তন কৰা এন পি এছ ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত আছে। এই ব্যৱস্থাৰ বাবে কৰ্মচাৰীসকলৰ জীৱন দুৰ্বিষহ হৈ পৰিছে। ৫ বছৰ প্ৰতিনিধিত্ব কৰা বিধায়ক, মন্ত্ৰী, সাংসদসকলে কিয় এন পি এছ গ্ৰহণ নকৰে, তেওঁলোকেও কৰক বুলি ধনশিৰি জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি বলিন চন্দ্ৰ বৰাই মন্তব্য প্ৰদান কৰে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ আহ্বানত শুকুৰবাৰে কাৰ্যালয়-বিদ্যালয় এৰি প্ৰতিবাদত বহে কৰ্মচাৰীসকলে। কৰ্মচাৰীসকলে হাতে হাতে প্ৰতিবাদী বেনাৰ পোষ্টাৰ লৈ 'OPS আমাৰ প্ৰাপ্য, NPS, UPS বাদ দিয়ক OPS আমাক ঘূৰাই দিয়ক, Scrap NPS Restore OPS, No OPS No Rest, নতুন পেঞ্চন ব্যৱস্থা বাতিল কৰক, কৰ্মচাৰী অৱসৰকালীন জীৱন সুৰক্ষিত কৰক, আমাৰ দাবী- 'এক দেশ, এক পেঞ্চন, পেঞ্চন বৃদ্ধাৱস্থাৰ লাখুঁটি' ইত্যাদি প্ৰতিবাদী শ্ল'গান প্ৰদান কৰে। সমান্তৰালকৈ প্ৰতিবাদকাৰীসকলে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উপস্থিত থাকে ধনশিৰি জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি বলিন চন্দ্ৰ বৰা, সাধাৰণ সম্পাদক লাচিত ফুকনৰ লগতে শিক্ষক-কৰ্মচাৰীসকল।

# জাগীৰোড কলেজত দুৰ্যোগ সহাঁৰিৰ অনুশীলন

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৩০ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ জাগীৰোড মহাবিদ্যালয়ত আজি এনডিআৰএফৰ প্ৰথম বেটেলিয়ন, পাটগাঁৱৰ উদ্যোগত আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, মৰিগাঁও তথা এছডিআৰএফ, মৰিগাঁৱৰ সহযোগত ভূমিকম্পৰ সময়ত দুৰ্যোগ সহাঁৰিৰ এটা অনুশীলন (মক ড্ৰিল) সফলভাৱে অনুষ্ঠিত হয়। এনডিআৰএফৰ পৰিদৰ্শক ইন্দ্ৰমোহন সিং আৰু উপ-পৰিদৰ্শক কমল ৰানাৰ নেতৃত্বত এই অনুশীলনত এনডিআৰএফৰ ২৫ জনীয়া দলে অংশগ্ৰহণ কৰে। অনুশীলনত ভূমিকম্পসদৃশ এক পৰিস্থিতিৰ সূচনা কৰা হয়, য'ত ভূঁইকপৰ পিছত শ্ৰেণীকোঠাত আবদ্ধ হৈ পৰা কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্ধাৰ আৰু সুৰক্ষিতভাৱে স্থানান্তৰ কৰাৰ অভিযান চলোৱা হয়। ইয়াৰ উপৰি, এক অগ্নিকাণ্ডৰ ঘটনাও পৰিৱেশন কৰা হয় আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে তৎপৰতাৰে অংশগ্ৰহণ কৰি জুই নুমুওৱাৰ কাৰ্যপদ্ধতি প্ৰদৰ্শন কৰে। সংকটপূৰ্ণ পৰিস্থিতিত বিভিন্ন চৰকাৰী সংস্থা তথা বিভাগে কেনেকৈ সমন্বয়েৰে কাম কৰিব লাগে এই সম্পৰ্কে অনুশীলনত প্ৰদৰ্শন কৰা হয়। মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰী, অতিৰিক্ত জিলা আয়ুক্ত অনসুয়া শৰ্মা আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া ৰঞ্জু শৰ্মাই ঘটনাস্থলীৰ কমাণ্ড পোষ্টৰ পৰা সক্ৰিয়ভাৱে অনুশীলনত অংশগ্ৰহণ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ স্থাপন কৰি দুৰ্যোগকালীন ব্যৱস্থাসমূহৰ নিৰ্দেশনা প্ৰদান কৰে। জাগীৰোড সম-জিলা আয়ুক্ত হৃদয় কুমাৰ দাস, মায়ঙৰ ৰাজহ চক্ৰ বিষয়া প্ৰিয়ংকা গগৈ, চক্ৰ বিষয়া (স) দীপা তালুকদাৰ, এনডিআৰএফৰ জ্যেষ্ঠ বিষয়াসকল, বিভিন্ন বিভাগৰ মূৰব্বী তথা কৰ্মচাৰী, জাগীৰোড কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল এই কাৰ্যসূচীত উপস্থিত আছিল। এই অনুশীলনৰ উদ্দেশ্য আছিল দুৰ্যোগৰ সময়ৰ প্ৰস্তুতি অধিক সুদৃঢ় কৰা, সংশ্লিষ্ট সংস্থা তথা চৰকাৰী বিভাগসমূহৰ মাজত সমন্বয় বৃদ্ধি কৰা আৰু ভূমিকম্প তথা সংশ্লিষ্ট জৰুৰীকালীন পৰিস্থিতিত কেনেদৰে আগবাঢ়িব লাগে এই বিষয়ে ছাত্ৰ-ছাত্ৰী আৰু অংশীদাৰসকলৰ মাজত সজাগতা বৃদ্ধি কৰা।

**নাম শুধৰণি**

পুৱ শিয়ালমাৰী মৌজাৰ কাছোমাৰী সোণাৰী বস্তি গাঁৱৰ ১৭৪ আৰু ১৭৫ নং ম্যাদী পট্টাৰ ৩১০, ৩১১ নং দাগত মোৰ নামটো শ্ৰী ফকিৰ আলী আৰু পিতাৰ নামটো ভুলক্ৰমে নজিবুল্লা হৈ আছে। গাঁও প্ৰধানৰ প্ৰমাণ পত্ৰ, শপত নামা, পান কাৰ্ড, ভোটাৰ তালিকাৰ তথ্য মতে মোৰ নামটো হৈছে ফকিৰ আলী আৰু পিতাৰ শুদ্ধ নাম ˝ নাদেৰ আলী হ'ব লাগে। AB-08/2026

# ৩১ জানুৱাৰীৰ পৰা চাৰিদিনীয়াকৈ বেবেজীয়াত একশৰণ ভাগৱতী সমাজৰ মহাপালনাম কীৰ্তন

**অসম বাৰ্তা, বেবেজীয়া, ৩০ জানুৱাৰী ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান একশৰণ ভাগৱতী সমাজৰ নগাঁও জিলা শাখাৰ ৯০ সংখ্যক বাৰ্ষিক মহাপালনাম কীৰ্ত্তন আৰু ধৰ্মসভা কাইলৈ অৰ্থাৎ ৩১ জানুৱাৰীৰ পৰা ৩ ফেব্ৰুৱাৰীলৈ চাৰিদিনীয়াকৈ বেবেজীয়া পালনাম থান প্ৰাংগণত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰিছে। মহাপুৰুষ গুৰু দুজনাৰ সৃষ্টিৰাজিক অধিক প্ৰাণৱন্ত কৰাৰ সংকল্পেৰে শংকৰদেৱ বঁটা প্ৰাপক, বাপঈশ্বৰখ্যাত আচাৰ্য ইলাৰাম দাস আতাই প্ৰতিষ্ঠা কৰা এক শৰণ ভাগৱতী সমাজ এই মহান অনুষ্ঠানৰ প্ৰথম দিনা পুৱা ৪ বজাত প্ৰাতঃ প্ৰসংগৰে অনুষ্ঠান আৰম্ভ কৰিব জিলা নামাচাৰ্য সোমেশ্বৰ আতাই। পুৱা ৮ বজাত ভকত আদৰণি ৯ বজাত শৰাই অৰ্চনা আৰু পুৱা ১০ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব নগাঁও জিলাৰ সভাপতি ভুৱনেশ্বৰ দাসে। ১১ বজাত বুঢ়া আতা সকলৰ পৰিচালনাত মধ্যাহ্ন প্ৰসংগ, ১১.৩০ বজাত সতী ৰাধিকা মাতৃ সেৱা সমাজ আৰু তৰুণ বিদ্যাৰ্থী সমাজৰ সমাৰোহ অনুষ্ঠিত হব। সেই দিনাই বিয়লি ২ বজাত ভাগৱতী সমাজ নগাঁও জিলাৰ মুখপত্ৰ "কল্পতৰু" উন্মোচন কৰিব নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তণ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই। সন্ধ্যা ৬ বজাত বুঢ়া আতা সকলৰদ্বাৰা সন্ধ্যা প্ৰসংগ আৰু জপ অনুষ্ঠান। দ্বিতীয় দিনা কাৰ্যসূচী অনুসৰি পুৱা ৪ বজাত নিৰ্মল আতাৰ পৰিচালনাত প্ৰাতঃ প্ৰসংগ, ৮ বজাত ভকত আদৰণি, ৮.৩০ বজাত শৰাই অৰ্চনা তাৰ পিছতে খোল প্ৰসংগ, ৯ বজাত তৰুণ বিদ্যাৰ্থী সমাজৰ প্ৰাৰ্থনা সভা আৰু নাম প্ৰসংগ অনুষ্ঠিত হব। বিয়লি ২ বজাৰ পৰা ভাগৱতী সমাজ অসমৰ উপাচাৰ্য বালিৰাম আতাৰ সভাপতিত্বত ধৰ্মসভা অনুষ্ঠিত হব। সভাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটি পৰিচালনা কৰিব শৰণাচাৰ্য মুহিধৰ আতাই। প্ৰধান সচিব জীৱন চন্দ্ৰ কাকতিয়ে উদ্বোধন কৰিবলগা ধৰ্মসভাত নিৰ্দ্দিষ্ট বক্তাৰ ভাষণ ৰাখিব সমাজৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধিয়ে। এই ধৰ্মসভাতে 'মহাপুৰুষ গুৰুজনাৰ সাধনতত্ত্ব' আৰু 'ভাৰতীয় বৈষ্ণৱ ধৰ্ম প্ৰেক্ষাপতত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ হৰিনাম ধৰ্মত আইসকলৰ ভূমিকা' শীৰ্ষক বিষয়দুটিৰ ওপৰত ভাষণ ৰাখিব বিশ্বনাথ ঘাটৰ মন্দিৰা ভৰালী আয়ে। সভা মুখ্য অতিথি হিচাপে মন্ত্ৰী কেশৱ মহন্ত, বিশিষ্ট অতিথি হিচাপে বিধায়ক ৰূপক শৰ্মা, নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা, জিলা আৰক্ষী অধিক্ষক স্বপ্নীল ডেকা, বিধায়ক শশীকান্ত দাস উপস্থিত থাকিব। সন্ধ্যা ৫ বজাত বন্তি প্ৰজ্বলন আৰু তাৰ পিছতে "গুণমালা" কীৰ্ত্তণ অনুষ্ঠিত হ'ব। নিশা ৮ বজাত শৰাই অৰ্চনা, খোল প্ৰসংগৰ পিছতে মহাপালনাম কীৰ্ত্তন পিছদিনা পুৱা ৫ বজালৈ অবিৰতভাৱে চলি থাকিব। তৃতীয় দিনা পালনাম সামৰণি আৰু কৃপা প্ৰাৰ্থনাৰ পিছত ভাগৱত ভ্ৰমণ উদ্বোধন কৰিব সমাজৰ উপ সভাপতি মনেশ্বৰ কৈৱৰ্ত্তই। শেষৰ দিনা দিনৰ ভাগত পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হ'ব শৰণ-ভজন শিবিৰ। বিয়লি ৩ বজাত ধৰ্মধ্বজা অৱতৰণেৰে অনুষ্ঠানৰ সামৰণি পৰিব।

**মেহেৰপুৰত ড্ৰাগছ বিৰোধী অভিযানত প্ৰায় ৯৪৭ গ্ৰাম হেৰ'ইন উদ্ধাৰ, পাথাৰকান্দিৰ এজন আটক**

# শিলচৰত কাছাড় আৰক্ষীৰ বৃহৎ সফলতা

**অসম বাৰ্তা, শিলচৰ, ৩০ জানুৱাৰী ঃ** শিলচৰত কাছাড় আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযানত এক বৃহৎ সফলতা লাভ কৰি জিলাখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। গোপন সূত্ৰৰ পৰা লাভ কৰা নিৰ্ভৰযোগ্য তথ্যৰ ভিত্তিত আৰক্ষীয়ে শিলচৰৰ মেহেৰপুৰস্থিত MHC লেনত বিশেষ অভিযান চলাই প্ৰায় ৯৪৭ গ্ৰাম হেৰ'ইন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই হেৰ'ইনখিনি ৮৫টা চাবান বাক্সৰ ভিতৰত অতি কৌশলে লুকুৱাই ৰখা হৈছিল বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে। আৰক্ষীৰ মতে, উদ্ধাৰ কৰা এই মাদক দ্ৰব্যৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য এক কোটিটকাতকৈ অধিক হ'ব বুলি অনুমান কৰা হৈছে। অভিযানকালীন সময়ত আৰক্ষীৰ দলটোৱে একাংশ সন্দেহজনক গতিবিধিৰ ওপৰত লক্ষ্য ৰাখি দীৰ্ঘ সময় ধৈৰ্যসহ অপেক্ষা কৰাৰ পিছত সফলভাৱে অভিযান সম্পন্ন কৰে। এই ঘটনাত শ্ৰীভূমি জিলাৰ পাথাৰকান্দিৰ বাসিন্দা এজন ব্যক্তিক আটক কৰা হৈছে। ধৃত ব্যক্তিজনক সোধা-পোছাৰ অন্তত মাদক চক্ৰৰ সৈতে জড়িত বহু গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিব পাৰে বুলি আৰক্ষীয়ে আশা প্ৰকাশ কৰিছে। স্থানীয় ৰাইজৰ মতে, শিলচৰৰ দৰে শিক্ষানগৰী অঞ্চলত এনেদৰে বৃহৎ পৰিমাণৰ ড্ৰাগছ উদ্ধাৰ হোৱাটো উদ্বেগজনক। বহু অভিভাৱকে আশংকা প্ৰকাশ কৰি কয় যে ড্ৰাগছৰ এই জালই নৱপ্ৰজন্মক অন্ধকাৰৰ দিশে ঠেলি দিছে। "আমাৰ সন্তানসকলৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ আৰক্ষীৰ এনে কঠোৰ পদক্ষেপ অতি প্ৰয়োজনীয়"



এজন স্থানীয় বাসিন্দাই আৱেগেৰে মন্তব্য কৰে। কাছাড় আৰক্ষীৰ এক উচ্চপদস্থ বিষয়াই জনায় যে এই অভিযান কেৱল আৰম্ভণি মাথোঁ। ধৃত ব্যক্তিজনৰ জেৰাৰ জৰিয়তে মাদক সৰবৰাহৰ সম্পূৰ্ণ নেটৱৰ্ক চিনাক্ত কৰাৰ চেষ্টা চলোৱা হৈছে। ৰাজ্যৰ ভিতৰতে নহয়, বহিঃৰাজ্যৰ সৈতে কোনো সংযোগ আছে নেকি তাকো খতিয়ান কৰা হৈছে। আৰক্ষীয়ে স্পষ্ট কৰি দিয়ে যে ড্ৰাগছৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতিৰে অভিযান অব্যাহত থাকিব। এই সফল অভিযানৰ পিছত শিলচৰৰ বহু নাগৰিকে আৰক্ষীক ধন্যবাদ জনাইছে। একাংশ যুৱকে কয়— "ড্ৰাগছমুক্ত সমাজ গঢ়িবলৈ আৰক্ষী আৰু সমাজ দুয়ো একেলগে আগবাঢ়িব লাগিব।" আৰক্ষীৰ এই পদক্ষেপে ৰাইজৰ মাজত আশাৰ পোহৰ জ্বলাইছে যে আইনৰ কঠোৰ প্ৰয়োগে মাদক চক্ৰক নিশ্চয়কৈ ভাঙি পেলাব পাৰিব।

# মুকালমুৱাত বিত্তীয় সজাগতা সভা সম্পন্ন

**অসম বাৰ্তা, দৌলাশাল, ৩০ জানুৱাৰী ঃ** মহিলা সৱলীকৰণৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি চমুকৈ আৰ.জি.ভি.এনৰ উদ্যোগত আৰু ত্ৰিছিল ফাউণ্ডেচনৰ সহযোগত আজি বৰক্ষেত্ৰীৰ মুকালমুৱাত বিত্তীয় সজাগতা সভা এখন অনুষ্ঠিত হৈ যায়। মুকালমুৱাৰ বৰুৱাপুতাস্থিত দৃষ্টি হোটেলৰ সভাকক্ষত "গ্ৰামশক্তি ৰিসৰ্চ কেন্দ্ৰ" প্ৰকল্পটোৰ "গাঁৱৰ পৰিচয় সভা আৰু লিংকেজ শিবিৰ" শীৰ্ষক সজাগতা সভা অনুষ্ঠিত হয়। অঞ্চলটোৰ শতাধিক যুৱতী-মহিলা উপস্থিত থকা সভাখনত ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ আঁচনি বিষয়া ৰোহন মহন্ত উপস্থিত থাকি বিত্তীয় সাক্ষৰতাৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। ৰুমী বেগম আৰু স্মৃতা খানমে আঁত ধৰা সভাখনত বেংকৰ পলিচি, এল.আই.চিৰ বীমা, জৱকাৰ্ড, ডাকঘৰৰ পলিচি, প্ৰধানমন্ত্ৰীৰ ফচল বীমাকে ধৰি চৰকাৰৰ বিভিন্ন আঁচনি সম্পৰ্কত ভাষণ প্ৰদান কৰে আমন্ত্ৰিত অতিথিসকলে। উল্লেখ্য যে "গ্ৰামশক্তি ৰিসৰ্চ কেন্দ্ৰ"ৰ জৰিয়তেই গ্ৰামাঞ্চলৰ যুৱতী-মহিলাসকলক বিত্তীয় সাক্ষৰতাৰ ওপৰত বিনামূলীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰি আহিছে। গ্ৰামশক্তিয়ে অসমৰ নলবাৰীকে ধৰি দৰং, গোৱালপাৰা, মৰিগাঁও আৰু কামৰূপ গ্ৰাম্য জিলাত যুৱতী-মহিলাসকলক সৱলীকৰণ কৰি তোলাৰ মানসেৰে কাম-কাজ কৰি আহিছে বুলি জানিবলৈ দিয়ে ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ আঁচনি বিষয়া ৰোহন মহন্তই। সভাখনত ইউকো বেংকৰ বেংকমিত্ৰা ৰুণু ডেকাই বেংকৰ বিভিন্ন আঁচনি সম্পৰ্কত যুৱতী-মহিলাসকলক অৱগত কৰায়। ঠিক একেদৰে এন.আৰ.এল.এমৰ বীমা সখী ৰিতা মনি দাস, এল.আই.চিৰ নলবাৰীৰ জ্যেষ্ঠ শাখা প্ৰবন্ধক তমিজ আলী, উন্নয়ন বিষয়া দিব্যজ্যোতি দত্ত, মুকালমুৱা গাঁও পঞ্চায়তৰ গ্ৰাম ৰোজগাৰ সহায়ক হীৰেণ বড়ো, ৩০নং নাৰায়নপুৰ-সাপকাটা গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্যা জিলিমা বেগম, স্থানীয় গাঁওপ্ৰধান নৱজিত ডেকা উপস্থিত থাকি সংশ্লিষ্ট বিভাগসমূহৰ বিভিন্ন আঁচনি আৰু সা-সুবিধা সম্পৰ্কত ভাষণ প্ৰদান কৰে। সভাত জ্যেষ্ঠ সখী মামনী বড়োই কৰ্মময় জীৱনৰ অনুভৱ ব্যক্ত কৰে।

# নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট



**অসম বাৰ্তা, নগাঁও, ৩০ জানুৱাৰী ঃ** ২০০৫ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা প্ৰৱৰ্তন হোৱা নতুন পেঞ্চন ব্যৱস্থাক সদৌ অসম কৰ্মচাৰী পৰিষদে সদায়ে বিৰোধিতা কৰি আহিছে। পেঞ্চন কৰ্মচাৰী সকলৰ প্ৰাপ্য এয়া কোনো অৰিহণা নহয় আৰু এই প্ৰাপ্য প্ৰদান কৰাটো চৰকাৰৰ দায়িত্ব। ৰাজ্যখনৰ শ্ৰমিক, শিক্ষক কৰ্মচাৰী বিষয়া সকলৰ ভৱিষ্যত সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি অসমতো নতুন পেঞ্চন ব্যৱস্থা বাতিল কৰি পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবীত সদৌ অসম কৰ্মচাৰী পৰিষদে যোৱা ১৫ডিচেম্বৰত ঘোষণা কৰা প্ৰতিবাদী কাৰ্যসূচীৰ আহ্বান মৰ্মে এলানি ধাৰাবাহিক প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰে। তদুপলক্ষে, নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত আজি জিলা আযুক্ত কাৰ্যালয়ৰ সমীপত দিনৰ ১ বজাৰ পৰা ৩ বজালৈ ২ ঘণ্টীয়া এক "অৱস্থান ধৰ্মঘট" ৰূপায়ণ কৰা হয়। লগতে নগাঁও জিলা আযুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰৰ প্ৰেৰণ কৰা হয়। ইয়াৰ উপৰি নগাঁও জিলা অন্তৰ্গত আঞ্চলিক সমিতি সমূহৰ উদ্যোগত যোৱা ৯জানুৱাৰীত প্ৰতিবাদী সভাত সংগ্ৰহ কৰা গণ-স্বাক্ষৰৰ কপি সংলগ্ন কৰি প্ৰদান কৰা হয়। আজিৰ এই "অৱস্থান ধৰ্মঘট" কাৰ্যসূচীত নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি যজ্ঞেশ্বৰ ৰাজখোৱা, উপ সভাপতি শ্যমন্ত বৰা, সম্পাদক আজিজুৰ ৰহমান, কোষাধ্যক্ষ সুনিল দাস, নগাঁও জিলা আঞ্চলিক সমিতিৰ সম্পাদক জ্যোতিময় বৰা, জিলা সমিতিৰ বিষয়ববীয়া মনোজ কুমাৰ বৰা, কুকিল বৈৰাগী, ইণ্টু কাকতি, বিষয়ববীয়া দুলাল চন্দ্ৰ শইকীয়া, বিমল বৰাৰ লগতে নগাঁও জিলাৰ সমূহ চৰকাৰী শিক্ষক, কৰ্মচাৰী, শ্ৰমিক সকলোকে অংশগ্ৰহণ কৰে।

# উদ্দীপনা শাখা সাহিত্য সভাৰ মধ্যকালীন অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ৩০ জানুৱাৰী ঃ** পশ্চিম যোৰহাটৰ 'উদ্দীপনা শাখা সাহিত্য সভা'ৰ মধ্যকালীন অধিৱেশন 'মাধৱদেৱ প্ৰাথমিক বিদ্যালয়'ত ২৮ জানুৱাৰী তাৰিখে সফলতাৰে সম্পন্ন হয়। পুৱা ১০ বজাত পতাকা উত্তোলন কৰি দিনটোৰ কাৰ্য্যসূচী মুকলি কৰে শাখাৰ সভাপতি মাণিক বৰাদেৱে। ১১ বজাত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। ১২ বজাত মাণিক বৰাদেৱৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত আমন্ত্ৰিত অতিথি হিচাপে খঙীয়া গাঁৱৰ গৌৰৱ, অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত কৃষি বিজ্ঞানী, জেষ্ঠ অধ্যাপক ড° গোবিন চন্দ্ৰ বৰা, বিশিষ্ট ব্যক্তি যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি আৰু উপ-সভাপতি ক্ৰমে মহেন্দ্ৰ নাথ হাজৰিকা, মাধৱ মহন্ত উপস্থিত থাকে। শাখাৰ সম্পাদক বিদ্যুত ভূষণ বৰাই আঁত ধৰা সভাত ড° গোবিন চন্দ্ৰ বৰাদেৱে তেখেতৰ ভাষণত 'অসম সাহিত্য সভা'ৰ বিভিন্ন দিশ সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়, শাখাৰ কাৰ্য্য প্ৰণালী উন্নত কৰি সাহিত্য সভাৰ উন্নতিৰ হকে কাম কৰাৰ বাবে যত্নপৰ হোৱাৰ বাবে আহ্বান জনায়। জিলাৰ সভাপতি আৰু উপ- সভাপতিয়ে নিজ নিজ বক্তব্য প্ৰদান কৰি মাতৃভাষাৰ উন্নতিৰ হকে কাম কৰাৰ বাবে শাখাসমূহক অনুৰোধ জনায়। সভাৰ আৰম্ভণিতে মাধৱদেৱ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী ৰাজশ্ৰী হাজৰিকাই বৰগীত পৰিৱেশন কৰে আৰু অনুষ্ঠানত বৰখঙীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ বিৰিঞ্চি কুমাৰ দাসে জুবিনৰ গীত, মাধৱদেৱ প্ৰাথমিক বিদ্যালয়ৰ পৰিণীতা বৰা, প্ৰণামী বৰাৰ দ্বৈতকণ্ঠত ভূপেন্দ্ৰ সংগীত, ৰাজশ্ৰী হাজৰিকাই কবিতা আবৃত্তি কৰি অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অঞ্চলটোৰ অৱসৰপ্ৰাপ্ত শিক্ষক গোলেশ্বৰ বৰা, সমাজকৰ্মী প্ৰবীণ কলিতা, কোষেশ্বৰী বৰা, জগত চন্দ্ৰ বৰা, পংকজ বৰা, ভোগেশ্বৰ বৰা, কেশৰাম নেওগ, জয়ন্ত বৰা, মাধৱদেৱ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকদ্বয় বিনু বৰা, বিপুল চৰকাৰ, ৰূপৰেখা বৰা, ৰাজু বৰা, ৰঞ্জন বৰা, নবীন বৰা, ৰাজীৱ বৰা, বিপুল দত্ত, নিজৰা বৰা মনি বৰা আদি গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে। শেষত শাখাৰ সম্পাদকে উপস্থিত সকলোকে শলাগ জনায়।

# মাকুম পৌৰসভাৰ বিৰুদ্ধে চাইড বাম নোহোৱাকৈ নলা খন্দাৰ অভিযোগ

**অসম বাৰ্তা, মাকুম, ৩০ জানুৱাৰী ঃ** মাকুম পৌৰসভাৰ অন্তৰ্গত তৰুণ নগৰৰ ৪ আৰু ৫ নং ৱাৰ্ডত চাইড বাম নোহোৱাকৈ নতুনকৈ নলা খন্দাকলৈ ক্ষোভিত হৈ ওলাই আহিল স্থানীয় ৰাইজ। ৰাইজৰ অভিযোগ মাকুম পৌৰসভাই কৃত্ৰিম বানপানী ৰোধৰ বাবে নলা খান্দিছে যদিও কোনো আধুনিক আৰু বৈজ্ঞানিক পদ্ধতিৰে উন্নত মান নোহোৱাত পথটো ভৱিষ্যতে খহি যোৱাৰ আশংকা প্ৰকাশ কৰিছে। তদুপৰি বৰ্তমান পথটো নিচেই ঠেক হোৱাৰ লগতে ঠায়ে ঠায়ে ভাঙি যোৱাত চাৰি চকীয়া বাহন বাদেই এখন দুচকীয়া বাহনো পথটোৰ ওপৰেদি নিচিন্ত ভাৱে পাৰ হৈ যাব নোৱাৰা অৱস্থালৈ পৰিণত হৈছে। যাৰ ফলত বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰী, চিকিৎসালয়লৈ যোৱা ৰোগী, দৈনন্দিন কৰ্মস্থলিলৈ যাবলৈ স্থানীয় লোকসকলৰ বহুতো অসুবিধা সৃষ্টি হৈছে। পথটোৰ মেৰামতিৰ ক্ষেত্ৰত মাকুম পৌৰসভাই গুৰুত্ব দিয়াৰ বিপৰীতে দ'কৈ নলা খান্দি মাটি সমূহ বেলেগ স্থানলৈ লৈ যোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। সেয়ে মাকুম পৌৰসভাক অঞ্চলটোৰ ভৱিষ্যতৰ সুবিধাৰ স্বাৰ্থত নলা সমূহ আধুনিক আৰু বৈজ্ঞানিক পদ্ধতিৰে খান্দিবলৈ দাবী জনাইছে স্থানীয় ৰাইজ তথা বাহন চালক সকলে।

**১২ বছৰেও কিয় ধৰা নপৰিল ১৫ জন হত্যাকাৰী ? বিহালীত কৃষক মহাসভাৰ তীব্ৰ প্ৰতিবাদ**

# চাওলধোৱা কাণ্ডৰ ১২ বছৰৰ পিছতো আজিও অসমৰ মাটিত অৰুণাচলীৰ তাণ্ডৱ অব্যাহত

**অসম বাৰ্তা, বিহালী, ৩০ জানুৱাৰী ঃ** বিহালীৰ অসমৰ সীমান্ত ইতিহাসৰ সেই কলংকিত আৰু চৰম নিষ্ঠুৰতাৰ সাক্ষী হৈ ৰোৱা 'চাউলধোৱা হত্যাকাণ্ড'ৰ ১২ বছৰ সম্পূৰ্ণ হ'ল। আজিও সেই কালৰাত্ৰিৰ বিভীষিকা সুঁৱৰিলে বিহালীৰ সীমান্তবাসীৰ চকুৰ আগত ভাহি আহে এক বীভৎস দৃশ্য আৰু বুকুত বাজি উঠে নিৰীহৰ কৰুণ আৰ্তনাদ। ২০১৪ চনৰ আজিৰ এই দিনটোতেই অৰুণাচলী দুৰ্বৃত্তৰ এটা বৃহৎ দলে বৰ্বৰতাৰ সকলো সীমা অতিক্ৰম কৰি বিহালী অভয়াৰণ্যৰ চাউলধোৱাত চলাইছিল এক নৰসংহাৰ, য'ত ১৫ জনকৈ থলগিৰি অসমীয়াক গুলীয়াই আৰু চোকা দাৰে ঘপিয়াই পৈশাচিকভাৱে হত্যা কৰা হৈছিল। নিজৰ ওপজা মাটিৰ অধিকাৰ বিচাৰি আৰু সীমান্তৰ ভূমি সুৰক্ষাৰ বাবে আগবাঢ়ি যোৱা সেই নিৰীহ লোকসকলৰ দেহাংশ সিদিনা চাউলধোৱাৰ হাবিৰ মাজত ক্ষত-বিক্ষত হৈ পৰি আছিল— কাৰোবাৰ যদি মূৰটো দেহৰ পৰা পৃথক হৈছিল, কাৰোবাৰ আকৌ বুকু বিদাৰি পাৰ হৈ গৈছিল দুৰ্বৃত্তৰ বুলেট। সেই শোকাবহ দিনটোৰ স্মৃতি বুকুত বান্ধি আজিও ন্যায়ৰ অপেক্ষাত থকা চাউলধোৱাৰ শ্বহীদ পৰিয়ালসমূহৰ চকুলো মচাৰ আহৰি নহ'ল চৰকাৰৰ। বিপৰীতে, আজি সেই স্মৃতিকাতৰ দিনটোতে বিশ্বনাথত প্ৰতিবাদত উত্তাল হৈ পৰিল বিহালী কৃষক মহাসভা, ভূমি অধিকাৰ সুৰক্ষা সমিতি আৰু চিপিআই (এম-এল) দল। প্ৰতিবাদকাৰীসকলে অত্যন্ত ক্ষোভেৰে প্ৰকাশ কৰে যে, সেই সময়ৰ নৃশংস হত্যাকাণ্ডৰ পাছত জনসাধাৰণৰ তীব্ৰ হেঁচাত তৎকালীন চৰকাৰে সীমান্তৰ সুৰক্ষাৰ বাবে ৬টা বিঅ'পি (BOP) কেম্প স্থাপনৰ যি প্ৰতিশ্ৰুতি দিছিল, সেয়া আজি এক যুগৰ পাছতো সম্পূৰ্ণ নহ'ল। কংগ্ৰেছ চৰকাৰৰ দিনত মাত্ৰ ৩টা কেম্পৰ কাম আধাখেচৰাকৈ সমাপ্ত হোৱাৰ পাছত বিজেপি চৰকাৰৰ শাসনকালত বাকী ৩টা কেম্পৰ কাম কাগজ-কলমতেই সীমাবদ্ধ থাকিল। ইয়াৰোপৰি আটাইতকৈ লজ্জাজনক বিষয়টো হ'ল যে, যি ১০ হাজাৰ বিঘাতকৈ অধিক বনাঞ্চলৰ ভূমি এসময়ত কৃষকৰ সংগ্ৰামৰ ফলত অৰুণাচলী আগ্ৰাসনৰ পৰা মুক্ত কৰা হৈছিল, বৰ্তমানৰ বিজেপি চৰকাৰৰ দিনত সেই মাটি পুনৰ অৰুণাচলী দুৰ্বৃত্তই নিজৰ দখললৈ লৈ গৈছে। চিপিআই(এম-এল)ৰ জ্যেষ্ঠ নেতা বিবেক দাসে চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰি কয় যে, হাজাৰ হাজাৰ চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু সুৰক্ষা বাহিনী থকাৰ পাছতো যদি নিজৰ ৰাজ্যৰ মাটি সুৰক্ষা দিব নোৱাৰি তেন্তে এইখন চৰকাৰৰ অস্তিত্ব ক'ত? তেওঁ আক্ষেপেৰে কয় যে সিদিনা ১৫জন লোকক হত্যা কৰা দুৰ্বৃত্তক চিনাক্ত কৰিবলৈ ১২ বছৰৰ দৰে এক সুদীৰ্ঘ সময়ৰ প্ৰয়োজন হোৱাটোৱেই প্ৰমাণ কৰে যে সীমান্তৰ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰ কিমান উদাসীন। মনেশ্বৰ বৰ্মন, মনেশ্বৰ মুণ্ডা, হিমাল চুৱা, মন বাহাদুৰ খৰ্কা, চিৰিধৰ মুণ্ডা, লাচু মাৰ্ডি, চুৰেন ক্ৰামছা, চন্দ্ৰ ভক্তা, বিখয় টেৰণ, বুঢ়া টেৰণ, ৰূপচান্দ মুণ্ডা, প্ৰকাশ চুৱা, খৰ্ক বাহাদুৰ চুৱা, ওম বাহাদুৰ চুৱা আৰু মংগল মুণ্ডা— এই ১৫ গৰাকী শ্বহীদৰ ত্যাগ যেন আজি মূল্যহীন হৈ পৰিছে। নেতাগৰাকীয়ে অভিযোগ কৰে যে খিলঞ্জীয়াক মাটি দিয়াৰ যি ফেঁাপোলা প্ৰতিশ্ৰুতি চৰকাৰে দিছিল, সেয়া এতিয়া ধোঁৱাচাঙত উঠিছে আৰু অৰুণাচলী আৰক্ষীয়ে নিজৰ মাটিতে অসম আৰক্ষীক বাৰে বাৰে অপমান কৰি খেদি পঠোৱা ঘটনাটোৱে অসমবাসীৰ আত্মসন্মানত আঘাত হানিছে। আজি বিহালী সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰি সংগঠন কেইটাই শীঘ্ৰেই বেদখলমুক্ত সীমান্ত আৰু হত্যাকাৰীক উচিত শাস্তি প্ৰদানৰ দাবী জনায়, নহ'লে আগন্তুক দিনত এই সংগ্ৰাম অধিক তীব্ৰতৰ হ'ব বুলি হুংকাৰ দিয়ে।

# বাক্সাৰ নবস্তিত হিন্দু সন্মিলনৰ আয়োজন

**অসম বাৰ্তা, বাগানপাৰা, ৩০ জানুৱাৰী ঃ** স্বয়ং সেৱক সংঘৰ শতবৰ্ষ উপলক্ষে সমগ্ৰ ভাৰত বৰ্ষতে নগৰীয়া বস্তি বা গাঁও পঞ্চায়ত যাক, সংঘৰ সাংগঠনিক ভাষাত মণ্ডল বোলা হয়, সেই প্ৰতিটো মণ্ডল অনুসৰি একোখনকৈ হিন্দু সন্মিলনৰ আয়োজন নকৰা হৈছে। এই উদ্দেশ্যে বা'ী জিলাৰ নবস্তি হিন্দু সন্মিলন আয়োজন সমিতিৰ উদ্যোগত অহা ৮ ফেব্ৰুৱাৰীত নবস্তি লক্ষ্মী মন্দিৰ প্ৰাংগনত হিন্দু সন্মিলনৰ আয়োজন কৰা হৈছে। এই হিন্দু সন্মিলন পৰিচালনা কৰাৰ বাবে গৌতম কলিতাক সভাপতি আৰু ধনেশ্বৰ কলিতাক সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা বন্তি প্ৰজ্বলন কৰিব হিন্দু সন্মিলন আয়োজন সমিতিৰ সভাপতি গৌতম কলিতাই। ভাৰত মাতাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব লক্ষ্মী মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি বসন্ত কুমাৰ ব্ৰহ্মাই। সমবেত সংগীত, বৌদ্ধিক বিষয়ঃ হিন্দুত্ব সম্পৰ্কে বক্তব্য প্ৰদান প্ৰদান কৰিব খৈৰাণী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নেত্ৰভূষণ খড়কাই। জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান। বৌদ্ধিক বিষয়ঃ পঞ্চ পৰিবৰ্তনঃ বক্তব্য প্ৰদান কৰিব অসম ক্ষেত্ৰ সেৱিকা সমিতিৰ ক্ষেত্ৰ কাৰ্যবাহিকা ৰেণী দেৱী শৰ্মাই। জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান, বৌদ্ধিক বিষয়ঃ "সংঘৰ এশ বছৰীয়া যাত্ৰা" বক্তা হিচাপে থাকিব উত্তৰ অসম প্ৰান্তৰ সামাজিক সদভাৱন সংযোজক নিৰঞ্জন বৰ্মন। নাম কীৰ্তন পৰিবেশন কৰিব অদলাৰ গীতা মেধিৰ দলে। বন্দে মাতৰম, লঘু আহাৰ বিতৰণেৰ কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

# ৰাজগড় শিশু কল্যাণ প্ৰাথমিক বিদ্যালয় আৰু সীমান্তজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সভাৰ প্ৰস্তুতি

**অসম বাৰ্তা, বান্দৰদেৱা, ৩০ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী বান্দৰদেৱা সমীপৰ তৰাজুলিস্থিত ১৯৫৯ চনতে প্ৰতিষ্ঠা লাভ কৰা ৰাজগড় শিশু কল্যাণ প্ৰাথমিক বিদ্যালয় আৰু ১৯৮৬ চনত প্ৰতিষ্ঠা কৰা সীমান্তজ্যোতি মধ্য ইংৰাজী বিদ্যালয় দুখনৰ জ্ঞানৰ বন্তি গছিয়ে সৌৰভ বিলাই মানুহৰ মাজত প্ৰকৃত মানুহ হৈ জীয়াই থাকিবলৈ শ শ মানৱ সম্পদৰ সৃষ্টি কৰি আহিছে। তিনিকুৰি বছৰ অতিক্ৰম কৰি সোণালী জয়ন্তী বৰ্ষৰ দিশেৰে অগ্ৰগ্ৰামী হোৱা উক্ত দুয়োখন বিদ্যালয়ৰ সমূহ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক একত্ৰিত কৰি বিদ্যালয়ৰ বাকৰিত সৰগৰ নন্দন কানন সৃষ্টি কৰি অতীতৰ স্মৃতি ৰোমন্থন কৰাৰ প্ৰয়াসাৰে এটি সোণালী সুযোগ পৰিবেশ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সেয়েহে ২০২৬ বৰ্ষৰ ৩১ জানুৱাৰী আৰু ফেব্ৰুৱাৰী ১ তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মিলন সভা খনি উদযাপন কৰিবলৈ প্ৰস্তুতি কৰা হৈছে। উক্ত দুয়োদিনৰ সমূহ কাৰ্যসূচী সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সকলোৰে দিহা-পৰামৰ্শ সহায়-সহযোগিতা বিনম্ৰতাৰে কামনা কৰিছে উদযাপন সমিতিৰ সভাপতি দীপক বৰা, কাৰ্যকৰী সভাপতি অৰূপ কাকতি, সম্পাদক অৰবিন্দ হাজৰিকা, আৰু ৰণ্টু ভূঞাই।

# ঐতিহাসিক দৌলাশাল গাঁৱৰ ৬৪ সংখ্যক কানাই-বলাই সভা মহোৎসৱৰ আৰম্ভ

**অসম বাৰ্তা, দৌলাশাল, ৩০ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহাসিক দৌলাশাল গাঁৱৰ সভা মহোৎসৱ কালিৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। দৌলাশাল উন্নতি সাধিনী সভাৰ উদ্যোগত গাঁওখনৰ মহাপ্ৰভু কানাই-বলাই হৰি মন্দিৰত বৰ্ণিল কাৰ্যসূচীৰে আৰম্ভ হৈছে ৬৪ সংখ্যক সভা মহোৎসৱ। আজি অৰ্থাৎ দ্বিতীয়দিনা দুপৰীয়া গাঁৱখনৰ লগতে ৰামপুৰ, গোৰাক্ষাট্টাৰী, মুগদি, বৰতলা গাঁৱকে ধৰি নিকটৱৰ্তী অঞ্চলৰ কেইবাখনো গাঁৱৰ ছয় সহস্ৰাধিক ভক্তৰ সমাগমত ৰাজহুৱা হোমযজ্ঞ সম্পন্ন হয়। ইয়াৰ পূৰ্বে পুৱা ভাগৱত পাঠ কৰে চেঙাস্থিত বান্দালি সত্ৰৰ সত্ৰাধিকাৰ দ্বিজেন্দ্ৰ নাথ গোস্বামীয়ে। বিয়লি ৰৌমাৰী গোপাল সেৱক ঢুলীয়া পাৰ্টীয়ে প্ৰদৰ্শন কৰা ঢুলীয়া অনুষ্ঠানৰ উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী ৰবীন্দ্ৰ নাথ ডেকাই। নিশা অগ্নিশিখা ভ্ৰাম্যমাণ নাট্যদলে নাট পৰিৱেশন কৰে। নাট উদ্বোধন কৰে বিশিষ্ট অভিনেতা বাবুল বণিক্যই। উল্লেখ্য যে কালিৰে পৰা আৰম্ভ হোৱা সভা মহোৎসৱৰ কালি পুৱা ধৰ্মধ্বজ্জা উত্তোলন কৰে দৌলাশাল উন্নতি সাধিনী সভাৰ সভাপতি গৰ্গনাৰায়ন বৰ্মনে। ইয়াৰ পাছতেইইতিহাসে গৰকা দৌলাশাল গাঁৱৰ বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৬৪খন পতাকা উত্তোলন কৰা হয়। বন্তি প্ৰজ্বলন কৰে উন্নতি সাধিনী সভাৰ সম্পাদক নাৰায়ন নাথে আৰু ছহিদ তৰ্পণ কৰে দৌলাশাল হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক জয়ন্ত কুমাৰ দাসে। হৰিমন্দিৰ চৌহদত গছপুলি ৰোপণ কৰে ক্ৰমে সমাজসেৱক শনিয়া বৈশ্য আৰু পদ্মধৰ নাথে। সন্ধিয়া স্মৃতি ফলকত বন্তি প্ৰজ্বলন কাৰ্যসূচী মুকলি কৰে সমাজসেৱক তৰণী বৰ্মনে। ইয়াৰ পাছতেই গাঁওখনৰ প্ৰতিটো চুবুৰী নামঘৰৰ পৰা বিগ্ৰহ আনি হৰি মন্দিৰত স্থাপন কৰাৰ পাছতেই সভা মহোৎসৱৰ মুখ্য দ্বাৰা মুকলি কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। বিধায়ক বৰ্মনে ভাষণ প্ৰদান কৰি কয় যে-দৌলাশাল গাঁৱৰ ৰাইজৰ সামূহিক প্ৰচেষ্টাত আঢ়ৈ কৌটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি থকা দুমহলীয়া হৰিমন্দিৰ নিৰ্মাণ কাৰ্য সঁচাকৈ বিৰল আৰু প্ৰশংসনীয়। নিৰ্মাণকাৰ্যত আৰ্থিকভাৱে পাৰ্যমানে সহায় কৰাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে বিধায়ক দিগন্ত বৰ্মনে। ইয়াৰ পাছতেই সভা মহোৎসৱত আতচবাজী প্ৰদৰ্শন কৰা হয়। আতচবাজী মুকলি কৰে দৌলাশালস্থিত চতুৰ্থ অসম আৰক্ষী বাহিনীৰ সহঃ অধিনায়ক খৰ্গেশ্বৰ তালুকদাৰে। সহস্ৰাধিক লোকৰ সমাগমত নলবাৰীৰ বাঁহজানীৰ পৰা ক্ৰয় কৰি অনা দৃষ্টিনন্দন আতচবাজী প্ৰদৰ্শনত আপ্লুত হয় ৰাইজ।

# তেজপুৰ ৰাজীৱ ভৱনত সৰ্বভাৰতীয় মহিলা কংগ্ৰেছৰ সচিব সোধা প্ৰসাদৰ উপস্থিতিত কাৰ্যনিৰ্বাহক সভা

**অসম বাৰ্তা, তেজপুৰ সদৰ, ৩০ জানুৱাৰী ঃ** কালি শোণিতপুৰ জিলা কংগ্ৰেছ কমিটিৰ কাৰ্য্যালয় তথা তেজপুৰ ৰাজীৱ ভৱনত অল ইণ্ডিয়া মহিলা কংগ্ৰেছৰ সচিব তথা শোণিতপুৰ জিলা মহিলা কংগ্ৰেছৰ পৰ্যবেক্ষক শ্ৰীমতী সুদা প্ৰসাদৰ নেতৃত্বত "MNREGA বচাও" অভিযানৰ অধীনত শোণিতপুৰ জিলা মহিলা কংগ্ৰেছৰ এক বিস্তৃত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত তৃণমূল পৰ্যায়ত কংগ্ৰেছ দলক শক্তিশালী কৰাৰ লগতে গ্ৰামাঞ্চলৰ পৰিয়ালসমূহৰ জীৱিকাৰ সুৰক্ষাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ এম জি এনৰেগাক সুৰক্ষিত ৰখাৰ উদ্দেশ্যে অভিযানটোৰ ৰণনীতি প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আলোচনা কৰা হয় বুলি শোণিতপুৰ জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী সম্পূৰ্ণা শইকীয়াই জানিবলৈ দিয়ে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি সংগঠনৰ প্ৰস্তুতি আৰু "MNREGA বচাও" আন্দোলনৰ আগন্তুক পথচাৰীৰ ওপৰত এক অৰ্থপূৰ্ণ আলোচনা অনুষ্ঠিত হয়।

ছয় সহস্ৰাধিক ভক্তৰ সমাগমত হোমযজ্ঞ সম্পন্ন

# ঐতিহাসিক দৌলাশাল গাঁৱৰ ৬৪ সংখ্যক কানাই-বলাই সভা মহোৎসৱ আৰম্ভ

**অসম বাৰ্তা, দৌলাশাল, ২৯ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহাসিক দৌলাশাল গাঁৱৰ সভা মহোৎসৱ কালিৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। দৌলাশাল উন্নতি সাধিনী সভাৰ উদ্যোগত গাঁওখনৰ মহাপ্ৰভু কানাই-বলাই হৰি মন্দিৰত বৰ্ণিল কাৰ্যসূচীৰে আৰম্ভ হৈছে ৬৪ সংখ্যক সভা মহোৎসৱ। আজি অৰ্থাৎ দ্বিতীয়দিনা দুপৰীয়া গাঁওখনৰ লগতে ৰামপুৰ, গোৰাক্ষাট্ৰাৰী, মুগদি, বৰতলা গাঁৱকে ধৰি নিকটৱৰ্তী অঞ্চলৰ কেইবাখনো গাঁৱৰ ছয় সহস্ৰাধিক ভক্তৰ সমাগমত ৰাজহুৱা হোমযজ্ঞ সম্পন্ন হয়। ইয়াৰ পূৰ্বে পুৱা ভাগৱত পাঠ কৰে চেঙাস্থিত বান্দালি সত্ৰৰ সত্ৰাধিকাৰ দ্বিজেন্দ্ৰ নাথ গোস্বামীয়ে। বিয়লি ৰৌমাৰী গোপাল সেৱক ঢুলীয়া পাৰ্টীয়ে প্ৰদৰ্শন কৰা ঢুলীয়া অনুষ্ঠানৰ উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী ৰবীন্দ্ৰ নাথ ডেকাই। নিশা অগ্নিশিখা ভ্ৰাম্যমাণ নাট্যদলে নাট পৰিৱেশন কৰে। নাট উদ্বোধন কৰে বিশিষ্ট অভিনেতা বাবুল বণিক্যই। উল্লেখ্য যে কালিৰে পৰা আৰম্ভ হোৱা সভা মহোৎসৱৰ কালি পুৱা ধৰ্মধ্বজ্জা উত্তোলন কৰে দৌলাশাল উন্নতি সাধিনী সভাৰ সভাপতি গৰ্গনাৰাযণ বৰ্মনে। ইয়াৰ পাছতেই ইতিহাসে গৰকা দৌলাশাল গাঁৱৰ বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৬৪খন পতাকা উত্তোলন কৰা হয়। বন্তি প্ৰজ্বলন কৰে উন্নতি সাধিনী সভাৰ সম্পাদক নাৰায়ন নাথে আৰু ছহিদ তৰ্পণ কৰে দৌলাশাল হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক জয়ন্ত কুমাৰ দাসে। হৰিমন্দিৰ চৌহদত গছপুলি ৰোপণ কৰে ক্ৰমে সমাজসেৱক শনিয়া বৈশ্য আৰু পদ্মধৰ নাথে। সন্ধিয়া স্মৃতি ফলকত বন্তি প্ৰজ্বলন কাৰ্যসূচী মুকলি কৰে সমাজসেৱক তৰণী বৰ্মনে। ইয়াৰ পাছতেই গাঁওখনৰ প্ৰতিটো চুবুৰী নামঘৰৰ পৰা বিগ্ৰহ আনি হৰি মন্দিৰত স্থাপন কৰাৰ পাছতেই সভা মহোৎসৱৰ মুখ্য দ্বাৰা মুকলি কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। বিধায়ক বৰ্মনে ভাষণ প্ৰদান কৰি কয় যে- দৌলাশাল গাঁৱৰ ৰাইজৰ সামূহিক প্ৰচেষ্টাত আঢ়ৈ কৌটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি থকা দুমহলীয়া হৰিমন্দিৰ নিৰ্মাণ কাৰ্য সঁচাকৈ বিৰল আৰু প্ৰশংসনীয়। নিৰ্মাণকাৰ্যত আৰ্থিকভাৱে পাৰ্যমানে সহায় কৰাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে বিধায়ক দিগন্ত বৰ্মনে। ইয়াৰ পাছতেই সভা মহোৎসৱত আতচবাজী প্ৰদৰ্শন কৰা হয়। আতচবাজী মুকলি কৰে দৌলাশালস্থিত চতুৰ্থ অসম আৰক্ষী বাহিনীৰ সহঃ অধিনায়ক খৰ্গেশ্বৰ তালুকদাৰে। সহস্ৰাধিক লোকৰ সমাগমত নলবাৰীৰ বাঁহজানীৰ পৰা ক্ৰয় কৰি অনা দৃষ্টিনন্দন আতচবাজী প্ৰদৰ্শনত আপ্লুত হয় ৰাইজ।

নাজিৰা সমষ্টিৰ ন-পুখুৰী গাঁও পঞ্চায়তৰ ৫ আৰু ৬ নং ৱাৰ্ডত উত্তেজনা

# SRত ব্যাপক বিসংগতিৰ অভিযোগ

**অসম বাৰ্তা, গেলেকী, ২৯ জানুৱাৰী ঃ** বিশেষ পুনৰীক্ষণ 'Special Revision' চমুকৈ (SR) প্ৰক্ৰিয়াত সংঘটিত হোৱা ব্যাপক বিসংগতি আৰু SR ৰ নামত প্ৰকৃত ভাৰতীয় ভোটাৰক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত জীৱিত ভোটাৰৰ নাম পুনৰীক্ষণ কৰিবলৈ আবেদন জনোৱাৰ বাবে বিভিন্ন ঠাইত সৃষ্টি হৈছে উত্তেজনাৰ। ইয়াৰ সমান্তৰালকৈ নাজিৰা সম-জিলাৰ অন্তৰ্গত নাজিৰা বিধানসভা সমষ্টিৰ ন-পুখুৰী গাঁও পঞ্চায়তৰ মৰাণ গাঁৱৰে ৫ আৰু ৬নং ৱাৰ্ডত একেটা সম্প্ৰদায়ৰে ৩৬ জনকৈ লোকক বিশেষ পুনৰীক্ষণৰ বাবে অভিযোগ দাখিল কৰাক লৈ সমগ্ৰ অঞ্চল জুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। এই পুনৰীক্ষণৰ বাবে বিজেপিৰ তৃণমূল পৰ্যায়ৰ কৰ্মীয়ে অভিযোগ দাখিল কৰা বুলি স্থানীয় লোকে জানিব দিছে। স্থানীয় বি এল অ' যোগেদি এই খবৰ পোৱাৰ পিছতে লোকসকলৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। একেটা সম্প্ৰদায়ৰে ৩৬ গৰাকীকৈ জীৱিত লোকক পুনৰীক্ষণৰ বাবে নিৰ্বাচনী আয়োগৰ ওচৰত অভিযোগ কৰা কাৰ্যই শিৱসাগৰৰ পৰা দিছপুৰলৈকে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ৩৬জন লোক আৰু পৰিয়ালবৰ্গই সু-শৰীৰে আজি স্থানীয় গাঁও প্ৰধানৰ সন্মুখত উপস্থিত হয় আৰু নিজৰ পৰিচয় দাঙি ধৰে। স্থানীয় গাঁও প্ৰধানে তেওঁলোকক চিন্তা নকৰিবলৈ অভয় প্ৰদান কৰি ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন নকৰাৰ প্ৰতিশ্ৰুতি দি সকলোকে ঘৰলৈ যাবলৈ দিয়ে আৰু পৰৱৰ্তী সময়ত দণ্ডাধীশ আহি আটাইৰে সাক্ষ্যপ্ৰমাণ গ্ৰহণ কৰিব বুলিও জানিব দিয়ে। উল্লেখযোগ্য যে পুনৰীক্ষণ কৰিব লাগে বুলি বিজেপিৰ কৰ্মীৰ দ্বাৰা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত দাখিল কৰা এই ৩৬ গৰাকী জীৱিত পুৰুষ-মহিলা খিলঞ্জীয়া গৰিয়া জনগোষ্ঠীৰ মুছলমান লোক হয়। নিৰ্বাচনী কাৰ্যালয়ত অভিযোগ দাখিল কৰা বিজেপিৰ প্ৰতিনিধি কেইগৰাকীও একেখন গাঁৱৰে বাসিন্দা বুলি জানিব পৰা গৈছে।

উন্মোচন কৰিব চিলাৰায় ভৱন আৰু কোচ ৰজা কৃষ্ণনাৰায়ণৰ প্ৰতিমূৰ্তি

# মুখ্যমন্ত্ৰীক আদৰিবলৈ সাজু মঙলদৈবাসী



**অসম বাৰ্তা, মঙলদৈ, ২৯ জানুৱাৰী ঃ** অহা ১ফেব্ৰুৱাৰীত মঙলদৈত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰা হব চিলাৰায় দিৱস। মুখ্যমন্ত্ৰীৰ উপস্থিতিত মঙলদৈৰ পিপৰাদোকানত অনুষ্ঠিত হ'ব বিশাল জনসভা। কোচ ৰাজবংশী উন্নয়ন পৰিষদ দৰং জিলা কোচ ৰাজবংশী সন্মিলনীৰ লগতে অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ উদ্যোগত অনুষ্ঠিত কৰা হৈছে ৫১৬ তম বীৰ চিলাৰায়ৰ জন্ম জয়ন্তী উদ্‌যাপন কৰিব। কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ কুমাৰ প্ৰনৱ নাৰায়ণ দেৱৰ নেতৃত্বত মঙলদৈ চহৰৰ কৰিমচকত নতুনকৈ নিৰ্মাণ কৰা হৈছে প্ৰায় ৪ কোটি টকা ব্যয় সাপেক্ষ চিলাৰায় ভৱন আৰু মঙলদৈ চহৰৰ নিলগত পিপৰাদোকানত নিৰ্মাণ কৰা হৈছে প্ৰায় ১ কোটি টকাৰ অনুদানেৰে কোচ ৰজা কৃষ্ণ নাৰায়ণৰ প্ৰতিমূৰ্তি লগতে নিৰ্মাণ কৰা হৈছে এখন শিশু উদ্যান। মুখ্যমন্ত্ৰী গৰাকীক আদৰিবলৈ সাজু এতিয়া দৰঙ বাসীৰ লগতে মঙলদৈৰ জনতা। আজি মুখ্যমন্ত্ৰীৰ বিশাল জনসভাৰ স্থান পৰিদৰ্শন কৰে মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস, কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ কুমাৰ প্ৰণৱ নাৰায়ণ দেৱ, বিজেপি নেতা খনিনদ্ৰ ৰাজবংশীৰ লগতে দৰং জিলা কোচ ৰাজবংশীৰ বহু কেইজন লোক উপস্থিত থাকে।

# বাহনা মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলনৰ সফল সমাপ্তি

**অসম বাৰ্তা, নিমাতীঘাট, ২৯ জানুৱাৰী ঃ** বাহনা মহাবিদ্যালয়ত হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষৰ উদ্যোগত ২৮ আৰু ২৯ জানুৱাৰীত "বিজ্ঞান, অৰ্থনীতি, সংস্কৃতি আৰু প্ৰশাসন ব্যৱস্থাঃ বিশ্বৰ ক্ষেত্ৰখনত ভাৰতৰ উত্থান" এই বিষয়ক এখনি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত হয়। প্ৰথম দিনাৰ উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাই আদৰণি ভাষণ আগবঢ়ায়। যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই বিষয়টোৰ সাম্প্ৰতিক সময়ত প্ৰাসংগিকতা আৰু তাৎপৰ্য বিষদভাৱে আলোচনা কৰি সন্মিলনখন উদ্বোধন কৰে। অসম বিশ্ববিদ্যালয়ৰ ডিফু চৌহদৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপক তথা বাহনা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ড°অজিত কুমাৰ তামোলীয়ে মূল বিষয়বস্তু অতি সাৱলীলভাৱে উপস্থাপন কৰি বৰ্তমান প্ৰক্ষাপটত এই বিষয়ৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। এই সন্মিলনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা সাৰপত্ৰ গ্ৰন্থখন বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতি অনন্ত কুমাৰ বৰুৱাদেৱে উদ্বোধন কৰি মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল দিশসমূহ শ্ৰদ্ধাৰে স্মৰণ কৰে। বাহনা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° মুনিন্দ্ৰ কোঁৱৰদেৱে ভাষণত বিষয়বস্তুৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কেনেদৰে ভূমিকা গ্ৰহণ কৰিছে সেই বিষয়ে সুন্দৰ বক্তব্য দাঙি ধৰে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰায় নৱৈজন গৱেষকে অংশগ্ৰহণ কৰা এই সন্মিলন খনত সঞ্চালক হিচাপে ড° সান্ত্বনা শইকীয়া, ড° পৰিণীতা বৰা, ড° সুস্মিতা প্ৰিয়দৰ্শীনি, ড° মহেশ্বৰী গোপাল, ড° অমৃতা প্ৰীতম গগৈ, ড° যুথিকা কোঁৱৰ উপস্থিত থাকে। বাহনা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° প্ৰসন্ন দত্তকে প্ৰমুখ্য কৰি বহুতো শিক্ষাবিদ উপস্থিত থকা উদ্বোধনী অনুষ্ঠানটো আঁতধৰে ড° মুনমী বৰা আৰু ড° ডামিনী কাশ্যপে আৰু সন্মিলনখনৰ সমন্বয়ক ড° পংকজ বৰাই সকলোকে উদ্দেশ্যি শলাগৰ শৰাই আগবঢ়ায়।

মিছামাৰীত পিতৃৰ মাটি বলপূৰ্বক দখলৰ অভিযোগ, সংবাদ মাধ্যমৰ কাষ চাপিল দুৰ্ভগীয়া নাগা প্ৰসাদ গুপ্তা

# পুত্ৰৰ বিৰুদ্ধে এজাহাৰ দাখিল পিতৃৰ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৯ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত মিছামাৰী আৰক্ষী থানা এলেকাৰ বান্দৰহাগী পথাৰ গাঁৱৰ বাসিন্দা নাগা প্ৰসাদ গুপ্তাৰ নামত থকা মাটি বলপূৰ্বক দখল কৰাৰ গুৰুতৰ অভিযোগ উঠিছে তেওঁৰ চাৰি নম্বৰ পুত্ৰ ৰাধেশ্যাম গুপ্তাৰ বিৰুদ্ধে। জানিব পৰা মতে, নাগা প্ৰসাদ গুপ্তাৰ নামত থকা ২৩নং দাগৰ ১৬৮ পট্টাৰ অন্তৰ্গত প্ৰায় ১ বিঘা মাটি পুত্ৰ ৰাধেশ্যাম গুপ্তাই সহযোগীৰ সৈতে মিলি জোৰ জুলুমে দখল কৰিছে বুলি অভিযোগ উত্থাপিত হৈছে। এই ঘটনাক কেন্দ্ৰ কৰি দুৰ্ভগীয়া পিতৃ নাগা প্ৰসাদ গুপ্তাই মিছামাৰী আৰক্ষী থানাত নিজৰেই পুত্ৰৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। এজাহাৰত উল্লেখ কৰা মতে, ৰাধেশ্যাম গুপ্তাই সহযোগীৰ সৈতে মিলি পিতৃক মাৰপিট কৰি ঘৰৰ পৰা বলপূৰ্বকভাৱে খেদি পঠিয়ায়। ইয়াৰ পিছতে পিতৃৰ অনুপস্থিতিৰ সুযোগ লৈ উক্ত মাটিত গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰে বুলিও এজাহাৰত উল্লেখ কৰা হৈছে। পুত্ৰৰ এনে অমানৱীয় নিৰ্যাতনত অতিষ্ঠ হৈ বৰ্তমান নাগা প্ৰসাদ গুপ্তাই নিজৰ পাঁচ নম্বৰ পুত্ৰৰ ঘৰত আশ্ৰয় লৈ থাকিবলগীয়া হৈছে। জীৱনৰ অন্তিম বয়সত নিজৰেই পুত্ৰৰ হাতত নিগ্ৰহিত হোৱা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। ন্যায় আৰু জীৱনৰ নিৰাপত্তা বিচাৰি নাগা প্ৰসাদ গুপ্তাই কেৱল আৰক্ষী থানাত এজাহাৰ দাখিল কৰাই নহয়, আজি সংবাদ মাধ্যমৰ কাষ চাপি নিজৰ দুখ-কষ্টৰ কথা ৰাজহুৱা কৰে। তেওঁ আৰক্ষী প্ৰশাসনৰ ওচৰত উচিত তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰাৰ লগতে নিজৰ মাটি আৰু জীৱনৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ আহ্বান জনাইছে। বৰ্তমান ঘটনাটোক লৈ মিছামাৰী আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

# বৰপেটাৰোড আৰক্ষীৰ জালত ১৮ গ্ৰাম ড্ৰাগছ সহ জাহিনুৰ হুছেইন নামৰ যুৱক আটক

**অসম বাৰ্তা, বৰপেটাৰোড, ২৯ জানুৱাৰী ঃ** আজি ১৮ গ্ৰাম ড্ৰাগছৰ সৈতে জাহিনুৰ হুছেইন নামৰ এজন যুৱকজনক আটক কৰে বৰপেটাৰোড আৰক্ষীয়ে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী জাহিনুৰে দীৰ্ঘদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি চলাই আহিছিল ড্ৰাগছৰ ৰমৰমীয়া বেহা। বৰপেটাৰোড আৰক্ষী এটাৰ পিছত এটাকৈ ড্ৰাগছৰ সৰবৰাহকাৰী আটক কৰি জেল হাজতলৈ ইতিমধ্যে প্ৰেৰণ কৰিছে তথাপিও ড্ৰাগছ সৰবৰাহকাৰী সংখ্যা দিনে দিনে বৃদ্ধি পাই আহিছে এই ক্ষেত্ৰত বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াই অভিযান চলাই গৈছে আজিও বৰপেটাৰোডৰ এজন ড্ৰাগছ সৰবৰাহকাৰী আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰী জাহিনুৰ হুছেইনৰ ঘৰ বিলাসীপাৰাৰ কুছিয়াখান্দা বুলি জানিব পৰা গৈছে। বৰপেটা ৰোড আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰী জাহিনুৰ হুছেইনক আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে লগতে বৰপেটাৰোড আৰক্ষী থানাৰ ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলোৱা কাৰ্যক সচেতন মহলে ভূয়সী প্ৰশংসা কৰে।

১০০ শতাংশ সূচক সম্পূৰ্ণ কৰাৰ লক্ষ্য

# দৰঙত সম্পূৰ্ণতা অভিযান ২.০ৰ শুভ উদ্বোধন

**অসম বাৰ্তা, দেওমৰনৈ, ২৯ জানুৱাৰী ঃ** দৰং জিলা প্ৰশাসনৰ উদ্যোগত আজি সম্পূৰ্ণতা অভিযান ২.০ৰ শুভ উদ্বোধন অনুষ্ঠান অনুষ্ঠিত হয়। এই অভিযানৰ মূল লক্ষ্য হৈছে আকাংক্ষিত জিলা কাৰ্যসূচী (ADP) আৰু আকাংক্ষিত ব্লক কাৰ্যসূচী (ABP)ৰ অধীনত নিৰ্ধাৰিত গুৰুত্বপূৰ্ণ সূচকসমূহত ১০০ শতাংশ সফলতা নিশ্চিত কৰা। অনুষ্ঠানত বিধায়ক বসন্ত দাসে ভাষণত সংশি-ষ্ট সকলোকে একত্ৰিত প্ৰচেষ্টাৰে দৰং জিলাক আকাংক্ষিতৰ পৰা অনুপ্ৰেৰণামূলক জিলালৈ ৰূপান্তৰ কৰাৰ বাবে আহ্বান জনায়। তেওঁ সম্পূৰ্ণতা অভিযানৰ উদ্দেশ্যৰ বিষয়ে ব্যাখ্যা কৰে আৰু সকলোকে একাগ্ৰতাৰে কাম কৰি লক্ষ্যত উপনীত হ'বলৈ অনুৰোধ জনায়। অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে ভাষণত সম্পূৰ্ণতা অভিযান ২.০ৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰে। তেওঁ সম্পূৰ্ণতা অভিযান সফল কৰিবলৈ বিভাগ সমূহৰ মাজত সমন্বয় আৰু দায়বদ্ধতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত নিটি আয়োগৰ ফেল' জুলিনা কাশ্যপে অভিযানটোৰ গঠন, আকাংক্ষিত জিলা কাৰ্যসূচী আৰু আকাংক্ষিত ব্লক কাৰ্যসূচীৰ সূচকসমূহ লগতে তথ্যভিত্তিক পৰিকল্পনা আৰু ক্ষেত্ৰ পৰ্যায়ৰ সংহতিৰ প্ৰয়োজনীয়তা বিশদভাৱে উপস্থাপন কৰে। অনুষ্ঠানত বিভিন্ন বিভাগে নিজ নিজ কৰ্মপৰিকল্পনা দাঙি ধৰে আৰু বৰ্তমান অৱস্থা, সূচকভিত্তিক ঘাটি আৰু সেইসমূহ পূৰণৰ কৌশলৰ বিষয়ে আলোচনা কৰে। ব্লক-ভিত্তিক সমস্যাসমূহ চিনাক্ত কৰি তিনিমহীয়া সময়সীমাৰ ভিতৰত ১০০ শতাংশ লক্ষ্য পূৰণৰ ওপৰত গুৰুত্ব দিয়া হয়। মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষই শিক্ষানুষ্ঠান আৰু সমাজৰ ভূমিকা সম্পৰ্কে মতামত আগবঢ়ায়। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে জিলা সমাজ কল্যাণ বিষয়া, বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা পশু চিকিৎসা বিষয়া, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক লগতে জিলা আৰু ব্লক পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী, আশা, এএনএম, অঙ্গনৱাড়ী কৰ্মী আৰু আত্মসহায়ক গোটৰ সদস্যসকল উপস্থিত থাকে।

# ভোলাবৰিৰ এজন যুৱকে কাঠফুলা খেতি কৰি দেখুৱালে স্বাৱলম্বিতাৰ পথ

**অসম বাৰ্তা, বান্দৰদেৱা, ২৯ জানুৱাৰী ঃ** অসম-অৰুণাচল সীমান্তৱতী ভোলাবৰিৰ এজন যুৱকৰ অসমীয়াগিৰি যি নিদৰ্শন দেখুৱালে সেইয়া এতিয়া হাজাৰজন নিবনুৱা যুৱকৰ বাবে হৈ পৰিছে পথপ্ৰদৰ্শক। বান্দৰদেৱা সমীপৰ ভোলাবৰিৰ নিবাসী প্ৰেম গগৈৰ পুত্ৰ পৰশজ্যোতি গগৈয়ে কাঠফুলা খেতিৰ জৰিয়তে নিজে অৰ্থনৈতিক ভাৱে স্বাৱলম্বী হোৱাৰ লগতে আন দহজন যুৱককো সংস্থাপন দি অসমীয়াগিৰি পৰিচয় দিলে। অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা যুৱক জনে শ্ৰেষ্ঠ কাঠফুলা উৎপাদকৰ বঁটা পোৱাৰ লগতে অসমৰ বহুকেইটা সংগঠনে পৰশজ্যোতিক শ্ৰেষ্ঠ কাঠফুলা উৎপাদক হিচাপে সন্মান প্ৰদান কৰে। যি সময়ত অসমীয়া যুৱক-যুৱতী কৰ্ম সংস্থাপনৰ বাট বিচাৰি বাহিৰলৈ ঢাপলি মেলিছে সেই সময়ত ভোলাবৰিৰ পৰশজ্যোতিয়ে ঘৰতে বহি প্ৰতিমাহে ৪/৫ লাখ টকাকৈ উপাৰ্জন কৰি আন দহটা পৰিয়ালকো জীৱিকাৰ সন্ধান দিছে। পৰশজ্যোতিৰ এনে আদৰ্শক অঞ্চলটোৰ সচেতন ব্যক্তি সকলে এতিয়া শলাগ লৈছে।

ৰুণীখাতাত সদৌ চিৰাং জিলা-ভিত্তিক যুগপুৰুষোত্তম পৰমপ্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ শুভ ১৩৮ তম্

# জন্ম মহোৎসৱৰ প্ৰস্তুতি তুংগত


**অসমবাৰ্তা, বিজনী, ২৯জানুৱাৰী ঃ** চিৰাং জিলাৰ ৰুনিখাতাত অহা ১ ফেব্ৰুৱাৰী দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে সদৌ চিৰাং জিলা ভিত্তিত যুগপুৰুষোত্তম পৰমপ্ৰেৰময় শ্ৰীশ্ৰীঠাকুৰ অনুকূলচন্দ্ৰৰ শুভ ১৩৮তম্ জন্ম মহোৎসৱ অনুষ্ঠিত হব। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ব্ৰহ্ম মুহূৰ্তত বেদ মাঙ্গলিক আৰু নহবৎ, প্ৰত্যুষত উষাকীৰ্তন, ৰাতিপুৱা ৬ বাজি ১ মিনিটত প্ৰাতঃ কালীন বিনতি প্ৰাৰ্থনা, নাম-জপ, অমিয় গ্ৰন্থাদি পাঠ আৰু অৰ্ঘাঞ্জলি সহ প্ৰণাম। ৰাতিপুৱা ৭.৩০ বজাত ভজন কীৰ্তন আৰু সৎসঙ্গী সম্মেলন। জন্ম মহোৎসৱ উপলক্ষে আয়োজক সমিতিয়ে ৰাতিপুৱা ৮.৩০ বজাত অনুষ্ঠিত কৰিব বিনামূলীয়া চিকিৎসা শিবিৰ। ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হব শোভাযাত্ৰা। ৰাতিপুৱা ১০ বজাত সৎসঙ্গ বিহাৰ ৰুণীখাতা শ্ৰী মন্দিৰত শ্ৰীশ্ৰীঠাকুৰ, শ্ৰীশ্ৰীবড়মা আৰু শ্ৰীশ্ৰীবড়দাৰ ভোগ নিবেদন। দুপুৰীয়া ১১.৩০ বজাত ভাণ্ডাৰা প্ৰসাদ বিতৰণ, সন্ধিয়া ৫.১৮বজাত সান্ধ্যকালীন বিনতি প্ৰাৰ্থনা, নাম-জপ, শ্ৰী শ্ৰী ঠাকুৰৰ অমিয় গ্ৰন্থাদিপাঠ, সন্ধিয়া ৬ বজাত আলোকসজ্জা, সন্ধিয়া ৬.৩০ বজাত বিচিত্ৰাঅনুষ্ঠান অনুষ্ঠিত হ'ব।

# পূৰ্ব সীমান্ত ৰে'লৱেৰ অধীনস্থ অসম, পশ্চিমবংগ আৰু বিহাৰৰ ৮২টা ষ্টেচনত ৰে'লৰ বাবে অতিৰিক্ত ২০২টা ষ্টপেজ অনুমোদন ভাৰতীয় ৰে'লৱেৰ

**অসম বাৰ্তা, লংকা, ২৯জানুৱাৰী ঃ** যাত্ৰীসকলৰ সুবিধা, সংযোগ ব্যৱস্থা উন্নত কৰা আৰু বহুদিনীয়া জনসাধাৰণৰ দাবী পূৰণৰ উদ্দেশ্যে ভাৰতীয় ৰে'লৱেই এটা গুৰুত্বপূৰ্ণ আৰু ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। উত্তৰ-পূৰ্ব সীমান্ত ৰে'লৱেৰ অধীনস্থ অসম, পশ্চিমবংগ আৰু বিহাৰৰ মুঠ ৮২টা ষ্টেচনত বিভিন্ন ৰে'লৰ বাবে অতিৰিক্ত ২০২টা ষ্টপেজ পৰীক্ষামূলকভাৱে অনুমোদন দিয়া হৈছে। ৰে'লৱে কৰ্তৃপক্ষৰ মতে, এই অতিৰিক্ত ষ্টপেজসমূহৰ মূল লক্ষ্য হৈছে সৰু, উদীয়মান আৰু দুৰ্গম অঞ্চলসমূহক মুখ্য ৰে'ল যোগাযোগৰ সৈতে অধিক দৃঢ়ভাৱে সংযুক্ত কৰা, যাত্ৰীসকলৰ যাত্ৰা অধিক সহজ আৰু সুলভ কৰা লগতে আঞ্চলিক উন্নয়নক উৎসাহিত কৰা। এই নতুন ষ্টপেজসমূহ শীঘ্ৰেই কাৰ্যকৰী কৰা হ'ব আৰু ইয়াৰ প্ৰভাৱ, যাত্ৰীসকলৰ সঁহাৰি তথা কাৰ্যকাৰিতা নিয়মীয়াকৈ পৰ্যবেক্ষণ কৰা হ'ব বুলি ৰে'লৱে সূত্ৰই জনাইছে। এই বৰ্ধিত ষ্টপেজ পৰিকল্পনাৰ অধীনত কেইবাটাও গুৰুত্বপূৰ্ণ আৰু প্ৰিমিয়াম শ্ৰেণীৰ ৰে'ল সেৱাক অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখযোগ্যভাৱে, নিউ জলপাইগুড়ি-গুৱাহাটী বন্দে ভাৰত এক্সপ্ৰেছৰ ৰংগিয়া ষ্টেচনত অতিৰিক্ত ষ্টপেজ অনুমোদন দিয়া হৈছে, যাৰ ফলত উত্তৰ অসমৰ যাত্ৰীসকল বিশেষভাৱে উপকৃত হ'ব। ইয়াৰ উপৰিও, আনন্দ বিহাৰ-আগৰতলা আনন্দ বিহাৰ ৰাজধানী এক্সপ্ৰেছ আৰু নিউ কুচবিহাৰ-কলকাতা (সিয়ালদহ) কলকাতা এক্সপ্ৰেছৰ কাঁটাখালীত ষ্টপেজ প্ৰদান কৰা হৈছে। এই ব্যৱস্থাই উত্তৰ বংগ, বিহাৰ আৰু অসমৰ মাজত ৰে'ল যোগাযোগ অধিক শক্তিশালী কৰাৰ লগতে যাত্ৰীসকলৰ যাত্ৰা সময় আৰু অসুবিধা হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। অন্য এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত হিচাপে, নিউ দিল্লী-ডিব্ৰুগড় ৰাজধানী এ'প্ৰেছ এতিয়া জামুগুৰিহাট, শিৱসাগৰ টাউন আৰু বিশ্বনাথ চাৰিয়ালি ষ্টেচনত ৰ'ব। ইয়াৰ ফলত আপাৰ অসমৰ যাত্ৰীসকলৰ বাবে ৰাজধানী এক্সপ্ৰেছৰ সেৱা অধিক সুলভ হৈ পৰিব আৰু ৰাজধানী পৰ্যায়ৰ ৰে'ল সেৱাত সহজ প্ৰৱেশ সম্ভৱ হ'ব। তদুপৰি, গুৱাহাটী-হাওড়া, ডিব্ৰুগড়-হাওড়া, ডিব্ৰুগড়-কামাখ্যা-পুৰী কামাখ্যা, শিলচৰ-গুৱাহাটী, শিলচৰ আৰু আলিপুৰদুৱাৰ-দিল্লী আলিপুৰদুৱাৰ এ'প্ৰেছ আদি বহুতো গুৰুত্বপূৰ্ণ মেইল আৰু এক্সপ্ৰেছ ৰে'ল সেৱাকো এই অতিৰিক্ত ষ্টপেজ পৰিকল্পনাৰ আওতালৈ অনা হৈছে। সামগ্ৰিকভাৱে, ভাৰতীয় ৰে'লৱেৰ এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলসহ অসম, পশ্চিমবংগ আৰু বিহাৰৰ ৰে'ল যোগাযোগ ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ লগতে যাত্ৰীসকলৰ দৈনন্দিন যাত্ৰাত উল্লেখযোগ্য স্বস্তি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

চৰকাৰে আলোচনাৰ নামত 'ললীপোপ' দিয়াৰ অভিযোগ; ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ দিনাই ক'লা পতাকাৰে প্ৰতিবাদ

# 'No ST No Vote': ২০২৬ৰ নিৰ্বাচনত বিজেপিক বৰ্জনৰ হুংকাৰ আক্ৰাছুৰ



**অসম বাৰ্তা, বঙাইগাঁও, ৩০ জানুৱাৰী ঃ** সমাগত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ ৰাজনীতি উত্তপ্ত কৰি পুনৰ সৰৱ হৈ উঠিছে সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)। আজি বঙাইগাঁৱত আয়োজিত এক সংবাদমেল যোগে সংগঠনটোৱে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ বিযোদগাৰ প্ৰকাশ কৰাৰ লগতে এইবাৰ নিৰ্বাচনত "No ST No Vote" শ্লোগান ঘোষণা কৰে। সংবাদমেলত আক্ৰাছুৰ নেতৃবৃন্দই অভিযোগ কৰে যে বিজেপি চৰকাৰৰ প্ৰতি কোচ-ৰাজবংশী লোকসকলৰ বিশ্বাস সম্পূৰ্ণৰূপে হেৰাই গৈছে। বিশেষকৈ ২০২৫ চনৰ ২৯ নৱেম্বৰত জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ প্ৰতিবেদন দাখিল কৰাৰ পিছতো আজিলৈকে কোনো যোগাত্মক পদক্ষেপ গ্ৰহণ নকৰিলে চৰকাৰে। জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবীক চৰকাৰে স্তৱিৰ কৰি ৰখাৰ লগতে আলোচনাৰ নামত কেৱল 'ললীপোপ' হে দি অহা বুলি সংগঠনটোৱে গুৰুতৰ অভিযোগ উত্থাপন কৰে। তদুপৰি, আক্ৰাছুৱে চৰকাৰৰ বিৰুদ্ধে এক বিস্ফোৰক অভিযোগ উত্থাপন কৰি কয় যে কোচ-ৰাজবংশীৰ জনজাতিকৰণৰ বিৰোধিতা কৰা লোকসকলকহে দিল্লীলৈ নি গুৰুত্বসহকাৰে আলোচনা কৰা হৈছে। এইপ্ৰতাৰণাৰ বাবে এইবাৰ নিৰ্বাচনত বিজেপি দলক ভোট নিদিবলৈ সংগঠনটোৱে সমগ্ৰ কোচ-ৰাজবংশী সমাজক আহ্বান জনায়। চৰকাৰৰ এই উদাসীনতাৰ বিৰুদ্ধে আক্ৰাছুৱে এলানি তীব্ৰ আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে-৯ ফেব্ৰুৱাৰী ঃ বঙাইগাঁও আৰু চিৰাং জিলাত বিশাল পদযাত্ৰা। ১৪ ফেব্ৰুৱাৰী ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ দিনাই জিলাই জিলাই ক'লা পতাকা উৰুৱাই চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা হ'ব। সংবাদমেলৰ জৰিয়তে চৰকাৰক স্পষ্ট সকীয়নি দি আক্ৰাছুৱে কয় যে যদি নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণৰ চূড়ান্ত সিদ্ধান্তগ্ৰহণ কৰা নহয়, তেন্তে চৰকাৰে ইয়াৰ ফল বিধানসভা নিৰ্বাচনত ভুগিব লাগিব।

# সদৌ অসম ভিত্তিক প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অসম বাৰ্তা, জাঁজী, ৩০ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ যুৱ সংসদ উপশমিতিৰ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি যোৱা ডিচেম্বৰ মাহত অনুষ্ঠিত কৰা সদৌ অসম ভিত্তিক প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল ইতিমধ্যে ঘোষণা কৰা হৈছে। ফলাফল অনুসৰি - প্ৰথম স্থান লাভ কৰে আউনীআটি বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ভাস্কৰজিত ফুকন, দ্বিতীয় - তেজপুৰ আইন মহাবিদ্যায়ৰ অনিন্দিতা বৰঠাকুৰ, আৰু তৃতীয় স্থান লাভ কৰে ডিব্ৰুগড় বিশ্বিদ্যালয়ৰ গৱেষক ছাত্ৰী অসীমা গায়নে। উল্লেখ্য যে পুৰস্কাৰ প্ৰাপক সকলক অহা ২ ফ্ৰেব্ৰুৱাৰীত গুৱাহাটীৰ শংকৰদেৱ কলা ক্ষেত্ৰত অনুষ্ঠিতব্য অসম সাহিত্য সভাৰ গুৱাহাটীৰ মধ্য কালীন অধিবেশনৰ যুৱ সংসদৰ কেন্দ্ৰীয় অনুষ্ঠানত গ্ৰন্থমেলাৰ বাকৰিৰ প্ৰেক্ষাগৃহত পুৰস্কাৰ প্ৰদান কৰা হব বুলি কাযকৰী সভাপতি জীৱমনি নাথ আৰু আহ্বায়ক গৌতম গগৈয়ে সংবাদ মাধ্যমক জানিবলৈ দিছে।

# 'প্ৰাচীন কবিতা পাঠ অনুষ্ঠান'ৰ আয়োজন

**অসম বাৰ্তা, যোৰহাট, ৩০ জানুৱাৰী ঃ** অখিল ভাৰতীয় সাহিত্য পৰিষদৰ যোৰহাট জিলা সমিতিৰ সচিব বিদ্যুত ভূষণ বৰাই বাতৰি কাকতলৈ দিয়া এক বিবৃতিত জনাইছে যে অহা মাৰ্চ মাহৰ এক তাৰিখ দেওবাৰে প্ৰাচীন কবিতা পাঠৰ এক অনুষ্ঠানৰ আয়োজন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। যি সকলে প্ৰাচীন কবিতা পাঠৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰিব তেখেতসকলে ফেব্ৰুৱাৰী মাহৰ ২৫ তাৰিখৰ ভিতৰত সচিবৰ লগত যোগাযোগ কৰি অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে জনাইছে। উক্ত অনুষ্ঠান জেইল ৰোডৰ প্ৰীতম ভৱনত অনুষ্ঠিত কৰা হ'ব। লগতে আখিল ভাৰতীয় যোৰহাট জিলা সমিতিৰ সভাপতি, সচিব, উপদেষ্টাৰ এটা দলে শয্যাগত হৈ থকা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা বিনিতা দত্ত বাইদেউৰ বাসগৃহত উপস্থিত হৈ স্বাস্থ্যৰ খবৰ লোৱাৰ লগতে আৰোগ্য কামনা কৰে।

# গোৱালপাৰাত অসহায় বৃদ্ধালৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নতুন বাসগৃহ উপহাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৯ জানুৱাৰী ঃ** গোৱালপাৰা পৌৰসভাৰ ১৬ নম্বৰ ৱাৰ্ডৰ ৰূপ নগৰ নিবাসী চাৰতি হাজং নামৰ বয়োজ্যেষ্ঠ মহিলাগৰাকীয়ে ২৪ জুন তাৰিখে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক গোৱালপাৰালৈ আহোঁতে হেলীপেডৰ কাষত সাক্ষাৎ কৰিছিল। বৃদ্ধা গৰাকীয়ে নিজৰ অসহায় অৱস্থাৰ কথা কৈ মুখ্যমন্ত্ৰী মহোদয়ক থাকিবলৈ এটি ঘৰৰ ব্যৱস্থা কৰি দিয়াৰ বাবে অনুৰোধ জনাইছিল। লগে লগে মুখ্যমন্ত্ৰীয়ে গোৱালপাৰাৰ জিলা আয়ুক্ত এটি বাসস্থানৰ ব্যৱস্থা কৰি দিবলৈ আহ্বান জনাইছিল। চাৰতি হাজং নামৰ আইতা গৰাকীয়ে ভূমিৰ সমস্যাৰ বাবে প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ লাভ কৰা নাছিল। পৰবৰ্তী পৰ্যায়ত গোৱালপাৰা জিলা প্ৰশাসনৰ দ্বাৰা ভূমিৰ সমস্যা সমাধান কৰি আইতা গৰাকীক এটি ঘৰ সাজি দিয়াৰ ব্যৱস্থাটো মুকলি কৰি দিয়া হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই আইতা গৰাকীৰ শুভাকাংক্ষী সকলে গোৱালপাৰা জিলা বিজেপি দলৰ কাৰ্যালয়ৰ সমীপতে এটি অসম আৰ্হিৰ ঘৰ সাজি দিয়ে। ঘৰটোত শোৱনি কোঠা, পাকঘৰ, সংলগ্ন শৌচাগাৰ-স্নানাগাৰৰ ব্যৱস্থা, চলন্ত পানী, বিদ্যুৎ সংযোগ আৰু চৌহদৰ পকী দেৱালৰ লগতে এটি মন্দিৰো সাজি দিয়া হৈছে। আজি যথাৰীতি পূজা-পাৰ্বণৰ ব্যৱস্থা কৰি গোৱালপাৰাৰ জিলা আয়ুক্ত শ্ৰী প্ৰদীপ টিমুং মহোদয়ে আইতা গৰাকীক ঘৰটো চমজাই দিয়ে। গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগিতাত আৰু শুভাকাংক্ষী সকলৰ সহায়ত এটা স্থায়ী বাসস্থান লাভ কৰি চাৰতি হাজং নামৰ বয়োজ্যেষ্ঠ মহিলা গৰাকী বহুত সুখী। তেখেতে অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে আৰু আজি গোৱালপাৰাৰ পৰাই আশীৰ্বাদ প্ৰদান কৰে। জিলা আয়ুক্ত প্ৰদীপ টিমুং আৰু অন্যান্য শুভাকাংক্ষী সকলকো আইতা গৰাকীয়ে ধন্যবাদ জনায়। আইতা গৰাকীৰ গৃহ প্ৰৱেশ অনুষ্ঠানত গোৱালপাৰাৰ জিলা আয়ুক্তৰ লগতে তেখেতৰ ঘৰটো সজাত সহায় কৰা ব্যক্তি সকল উপস্থিত থাকে। উপস্থিত থকা ওচৰ-চুবুৰীয়া সকলে অসহায় বৃদ্ধা গৰাকীক এইদৰে সহায় কৰা বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায়। আনহাতে জিলা আয়ুক্ত মহোদয়ে ঘৰটোৰ নিৰ্মাণৰ শুভাৰম্ভ কৰি মাথোঁ তিনি মাহৰ ভিতৰতে ঘৰটো সম্পূৰ্ণ কৰি আইতা গৰাকীক চমজাই দিয়া জিলা আয়ুক্ত মহোদয়কো স্থানীয় লোকসকলে ধন্যবাদ জনায়।

## ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয় বিজ্ঞান পৰীক্ষাগাৰৰ উদ্বোধন

**অসম বাৰ্তা, ৰহা, ২৯ জানুৱাৰী ঃ** ৰহাৰ ১২০ বছৰ গৰকা ঐতিহ্যমণ্ডিত ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুৰণি বিজ্ঞানৰ পৰীক্ষাগাৰটো নতুনকৈ আধুনিকীকৰণ কৰি ২৩ জানুৱাৰীত উদ্বোধন কৰা হয়। এই উপলক্ষে বিদ্যালয়ত অনুষ্ঠানত হোৱা বিজ্ঞানাগাৰটো নিৰ্মাণত সহযোগিতা আগবঢ়োৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ নাম ফলকৰ লগতে পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ পৰীক্ষাগাৰ উদ্বোধন কৰা হয়। পোনতে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা কল্প বৰাই পৰীক্ষাগাৰটো নিৰ্মাণত সহযোগিতা আগবঢ়োৱা বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ নাম ফলকখন উন্মোচন কৰাৰ পিচতে পৰীক্ষাগাৰকেইটা উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ প্ৰদীপ কুমাৰ ভূঞা, বিপুল কটকী, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস আৰু নগাঁও জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথে। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক মৃগাংক বৰাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, নগাঁও জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ, বিদ্যালয়ৰ অধ্যক্ষ প্ৰভাত চন্দ্ৰ নাথ, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি সোমেশ্বৰ বৰদলৈ, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কমল চন্দ্ৰ শৰ্মা, ৰহা পৌৰসভাৰ পৌৰপতি বন্তি হাজৰিকাৰ লগতে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বিশিষ্ট চিকিৎসক ডাঃ অমল চন্দ্ৰ কটকী, কল্পকান্ত বৰা, মন্দিৰা কটকী, ডাঃ প্ৰদীপ কুমাৰ ভূঞা, প্ৰাক্তন 'ছাই' সঞ্চালক দেৱকান্ত বৰা, নীৰু বৰা, ইৰু তামোলী, মৃদুল হাজৰিকা, সঞ্জয় কুমাৰ কাকতি আদিকে ধৰি বহু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

## চিৰাঙৰ কৰাইবাৰী বনাঞ্চল এলেকাত গুলীবিদ্ধ বনৰীয়াৰ হাতীৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, বিজনী, ২৯ জানুৱাৰী ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্ত ৰুণীখাতা ৰেঞ্জৰ অন্তৰ্গত কৰাইবাৰী বনাঞ্চল এলেকাত গুলীবিদ্ধ বনৰীয়াৰ হাতীৰ মৃতদেহ উদ্ধাৰ। বনৰীয়া হাতীটোক গুলীয়াই হত্যা কৰি চোৰাং চিকাৰীৰ দলে যন্ত্ৰচালিত কৰতেৰে কাটি লৈ গ'ল হাতীৰ দাঁত। যোৱা ১৯ জানুৱাৰী পৰা ২৩ জানুৱাৰীৰ ভিতৰত বনৰীয়া হাতীটোক গুলীয়াই হত্যা কৰি হাতীৰ দাঁত কাটি লৈ যোৱা বুলি সন্দেহ কৰা হৈছে। কিন্তু সমগ্ৰ বিষয়টো বনবিভাগে সংবাদ মাধ্যমৰ পৰা লুকুৱাই ৰখাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ৰুণীখাতা ৰেঞ্জৰ বনাঞ্চলক চিকনা জৌহৌলাও ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষনা কৰাৰ পিছত এলেকাটোত কেইবাটাও বনৰীয়া হাতীক বিহ মিহলাই হত্যা কৰাৰ অভিযোগ উত্থাপিত হৈছিল।

## ৰাষ্ট্ৰীয় সংবাদ পত্ৰ দিৱস উপলক্ষে বটদ্ৰৱাত সংবাদ কৰ্মীক সম্বৰ্দ্ধনা জ্ঞাপন



**অসম বাৰ্তা, বটদ্ৰৱা, ২৯ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় সংবাদ পত্ৰ দিৱস উপলক্ষে আজি বিয়লি নগাঁও জিলাৰ বটদ্ৰৱা গড়কাপ্তানি পৰিদৰ্শন বাংলাত সংবাদ কৰ্মী সকলৰ মাজত মত বিনিময় আৰু সাংবাদিক সকলক সম্বৰ্দ্ধনা জনোৱাৰ এটি অনুষ্ঠান অনুষ্ঠিত হয়। নগাঁও জিলাৰ ধিং অঞ্চলৰ প্ৰাক্তন শিক্ষক তথা সমাজকৰ্মী মনোৱাৰ হুছেইন ফাৰুকীৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানৰ আঁতধৰে সাংবাদিক মোস্তাফা ছেলিম আহমেদে। অনুষ্ঠানত সাংবাদিকতাৰ ইতিহাস আৰু ঐতিহ্যৰ ওপৰত আলোকপাত কৰে সাংবাদিক দিব্যজ্যোতি বৰুৱা আৰু কন্দৰ্প কুমাৰ কলিতাই। উল্লেখ্য যে অনুষ্ঠান টোত বেচামাৰী জিলা পৰিষদৰ সদস্য মতিউৰ ৰহমান, বটদ্ৰৱা সাংবাদিক সন্থাৰ উপদেষ্টা ফকৰুল ইছলাম, জ্যেষ্ঠ সাংবাদিক ক্ৰমে পদুম কলিতা, দিব্য জ্যোতি বৰুৱা, কন্দৰ্প কুমাৰ কলিতা, ৰফিকুল ইছলাম, ছইফুল ইছলাম, মুস্তাফা ছলিম আহমেদ, সাংবাদিক প্ৰাঞ্জল বৰা, ইজাজোল ইছলাম, দ্বীপজ্যোতি কাকতি, নজৰুল ইছলাম, জগন্নাথ কলিতা, আবুল হুছেইন, জুয়েল উদ্দীন, হৰেন্দ্ৰ বনিক, মোজাম্মিল খান, ইমামুল ইছলাম, শ্বাহ্‌ আলম প্ৰমুখ্যে কৰি সংবাদ কৰ্মী আৰু শুভাকাংখী সকল উপস্থিত আছিল। অনুষ্ঠানৰ লগত সংগতি ৰাখি সাংবাদিক সকলক এখন গামোছা, ডায়েৰী আৰু এটি ক্ষুদ্ৰ উপহাৰেৰে সম্বৰ্দ্ধনা জনোৱা হয়।

## বড়মপুৰ ক্লাৱ ক্ৰিকেটত ষ্টাইকাৰ ক্লাৱৰ জয়লাভ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৯ জানুৱাৰী ঃ** নগাঁও জিলাৰ বড়মপুৰ ক্ৰীড়া প্ৰকল্পৰ ক্ৰিকেট খেলপথাৰত চলি থকা ক্লাৱ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা এখন লীগ খেলত ষ্টাইকাৰ ক্ৰিকেট ক্লাৱে জয়লাভ কৰে। নিৰ্দিষ্ট ৩০ অভাৰত আই জি স্পৰ্টছ ক্লাৱে ৭ উইকেটৰ বিনিময়ত ১৪৮ ৰাণ কৰাৰ বিপৰীতে ষ্ট্ৰাইকাৰ ক্ৰিকেট ক্লাৱে ২৭-৩ অভাৰত ৬ উইকেটৰ বিনিময়ত লক্ষ্যত উপনীত হ'বলৈ সক্ষম হয়। খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে ষ্ট্ৰাইকাৰ ক্ৰিকেট ক্লাৱৰ সঞ্জয় মহন্ত আৰু শ্ৰেষ্ঠ বেটছমেন হিচাপে আই জি ক্লাৱৰ পিণ্টু দাসে সন্মান লাভ কৰাৰ লগতে দিব্যজ্যোতি বৰাই শ্ৰেষ্ঠ বলাৰৰ সন্মান লাভ কৰে।

**জলজীৱন আঁচনিৰ ধন শীঘ্ৰেই মুকলি কৰা হ'ব ঃ জয়ন্তমল্ল বৰুৱা**

# নতুনকৈ গঠন হোৱা পৰ্বতঝোৰা বিধানসভা সমষ্টিৰ চৌতাৰাত ২১, ৭৯৫ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতাৰ চেক বিতৰণ

### বিধানসভা নিৰ্বাচনত এনডিএৰ চৰকাৰ হোৱাটো নিশ্চিত ঃ হাগ্ৰামা মহিলাৰী



**অসম বাৰ্তা, গোসাঁইগাঁও, ২৯ জানুৱাৰী ঃ** উদ্যমিতাৰ দিশত আগুৱাই যাবলৈ আত্মসহায়ক গোটৰ অৰ্হতাসম্পন্ন মহিলাক আৰ্থিক অনুদান আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ প্ৰথম কিস্তিৰ ধন হিচাপে আজি কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ ২১, ৭৯৫ গৰাকী উদ্যমী মহিলাক গাই প্ৰতি ১০, ০০০ টকাৰ চেক বিতৰণ কৰা হয়। এই উপলক্ষে কোকৰাঝাৰ জিলা প্ৰশাসনৰ উদ্যোগত ভাওৰাগুৰী ৰাজহ চক্ৰৰ অন্তৰ্গত চৌতাৰাৰ ঘোৰামাৰা পথাৰত চেক বিতৰণী অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী আৰু ৰাজ্যৰ কেবিনেট মন্ত্ৰী জয়ন্তমল্ল বৰুৱা উপস্থিত হৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এন ডি চৰকাৰৰ জনকল্যাণমূলক আচঁনিৰ ব্যাখ্যাৰে অনাগত নিৰ্বাচনত পুনৰ অসমত এন ডি এৰ চৰকাৰ গঢ়িবলৈ মহিলা সকলৰ সমৰ্থন বিচাৰি ভাষণ দিয়ে। ভাষণ প্ৰসংগত বিটিচিৰ চীফ হাগ্ৰামা মহিলৰীয়ে কয়, মুখ্যমন্ত্ৰীৰ এই আঁচনিৰ ধন অপব্যৱহাৰ নকৰি প্ৰতিগৰাকী মহিলাক লাখপতি হোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰী গৰাকীয়ে যেনেদৰে আপোনালোকৰ প্ৰতি মৰম কৰিছে আপোনালোকেও মুখ্যমন্ত্ৰীৰ প্ৰতি কৃতজ্ঞতা জনাব লাগে। আগন্তুক বিধানসভা নিৰ্বাচনত নতুনকৈ গঠন হোৱা পৰ্বতঝোৰা সমষ্টিত এন ডি এৰ প্ৰাৰ্থীৰ জয়লাভ সন্দৰ্ভত আমাৰ মাজত কোনো সন্দেহ নাই। আমাৰ বিৰোধিতা কৰা সকলৰ কোনো স্থিতি নাই। ইউপিপিএল ৰাজনৈতিক ভাৱে এতিয়া মৰিছে এই দলটোৰ আৰু কোনো অস্তিত্ব নাই বুলি সাংবাদিকৰ আগত মহিলাৰীয়ে কটাক্ষ কৰে। উক্ত সভাত ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ আদিৰ কেবিনেট মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই নিৰ্বাচনী প্ৰচাৰ সদৃশ ভাষণ দিয়াৰ পাছত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, বিগত দটা বছৰ জলজীৱন আঁচনিৰ ধন কেন্দ্ৰীয় চৰকাৰে আদায় নিদিয়াত জলজীৱন আঁচনিৰ কাম স্থবিৰ হৈ আছিল। কিন্তু যোৱা দুদিন পূৰ্বে কেন্দ্ৰীয় চৰকাৰে জলজীৱন আঁচনিৰ বকেয়া ধন মোকোলাই দিছে। অতি শীঘ্ৰেই ৰাজ্যৰ অসম্পূৰ্ণ আঁচনি সমূহৰ কাম সম্পূৰ্ণ কৰা হ'ব বুলি কয়। আগন্তুক নিৰ্বাচনত কংগ্ৰেছ 'বিগ জিৰ' পাব। গৌৰৱ গগৈ নিৰ্বাচনৰ পূৰ্বেই যে গৰাজিত হৈছে সেয়া তেওঁৰ কাম কাজতে স্পষ্ট হৈ পৰিছে। অসমৰ ৰাইজেও কংগ্ৰেছক আৰু বিশ্বাসত নলয়। পুনৰবাৰ বিজেপিৰ নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰ গঠন হোৱাটো নিশ্চিত বুলি জয়ন্তমল্ল বৰুৱাই দাবী কৰে। উক্ত অনুষ্ঠানত কোকৰাঝাৰ পশ্চিম বিধানসভা সমষ্টিৰ বিধায়ক তথা বিটিচিৰ কাৰ্যবাহী সদস্য ৰবিৰাম নাৰ্জাৰী, কাৰ্যবাহী সদস্য ক্ৰমে মৃত্যুঞ্জয় নাৰ্জাৰী, মুনমুন ব্ৰহ্ম, প্ৰকাশ বসুমতাৰী, পাৰিষদকে ধৰি বিজেপিৰ জিলা সভাপতি গোঁসাই বসুমতাৰী, কোকৰাঝাৰ জিলাৰ উপায়ুক্ত পংকজ চক্ৰৱৰ্তীৰ লগতে জিলা আৰু গোসাঁইগাঁও মহকুমা প্ৰশাসনৰ বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে।

# অসম গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৯ জানুৱাৰী ঃ** ১৯৩৯ চনত বিশ্বব্যাপী দ্বিতীয় মহাযুদ্ধ আৰম্ভ হোৱাত ভাৰতবৰ্ষত শান্তি ৰক্ষাৰ বাবে 'শান্তি সেনা' গঠন কৰিছিল। যোৰহাটতো স্বাধীনতা সংগ্ৰামী হৰিনাৰায়ণ বৰুৱাৰ নেতৃত্বত ৫০০ কৰ্মীয়ে টীয়কত শান্তি সেনা শিবিৰ পাতি প্ৰশিক্ষণ ল'লে। সেই সময়ত ব্ৰিটিছ চৰকাৰৰ প্ৰতি থকা অসন্তুষ্টিৰ ভাৱ আতঁৰ কৰিবলৈ আৰু সা-সম্পত্তি ৰক্ষা কৰিবলৈ 'নগৰ ৰক্ষা দল' আৰু 'গাঁও ৰক্ষা দল' গঠন কৰিছিল। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছত ১৯৪৯ চনৰ ২৯ জানুৱাৰীত তিতাবৰৰ বিৰিণাশায়েকত মুক্তিযোদ্ধা হৰিনাৰায়ণ বৰুৱাই গাঁওৰক্ষা দলকে গাঁওৰক্ষী ফৌজ নামকৰণ কৰি প্ৰথম প্ৰতিষ্ঠা কৰাৰ পাছত বৰ্তমান অবিভক্ত শিৱসাগৰ জিলাত ২৪খন গঠনৰ লগতে সমগ্ৰ ৰাজ্যখনত ১৬১০খন গঠন কৰিছিল। হৰিনাৰায়ণ বৰুৱা টীয়ক বিধানসভা সমষ্টিৰ পৰা বিধায়কৰূপে নিৰ্বাচিত হোৱাৰ পাছত ১৯৫৩ চনৰ পহিলা এপ্ৰিলত 'সদৌ অসম গাঁৱৰক্ষী বাহিনী' সংগঠনক চৰকাৰী সাহায্যপ্ৰাপ্ত কৰায়। ১৯৪৯-১৯৫২ চনলৈকে হৰিনাৰায়ণ বৰুৱাই বিনা বেতনে উপদেষ্টাৰূপে কাম কৰি গাঁওৰক্ষী বাহিনীবোৰক সবল-শক্তিশালী কৰি তুলিছিল। ১৯৫৬ চনৰ ৮ মে'ত যোৰহাটত প্ৰথমখন অভিবৰ্তন বৰুৱাৰ পৃষ্ঠপোষকতাতে অনুষ্ঠিত কৰাৰ পাছত ১৯৫৩ চনত দ্বিতীয়খন গোলাঘাটত, ১৯৫৯ চনত তৃতীয়খন, নগাঁৱত চতুৰ্থখন অভিবৰ্তন অনুষ্ঠিত কৰাৰ পাছত ১৯৫৬ চনৰ ২০-২১ ফেব্ৰুৱাৰীত গোলাঘাটত অনুষ্ঠিত অধিৱেশনতে ২৯ জানুৱাৰীৰ দিনটো অসম গাঁৱৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱসৰূপে ৰাজ্যতে পালনৰ সিদ্ধান্ত লৈ অনুষ্ঠিত কৰি অহাৰ লগতে তেতিয়াৰেপৰা অসম চৰকাৰৰ গৃহ বিভাগৰ অধীনস্থ আৰক্ষী বিভাগে অনুষ্ঠিত কৰি আহিছিল যদিও এইবছৰ ৰাজ্যখনৰ প্ৰতিখন থানাতে গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস পালনৰ নিৰ্দেশ দিয়ে। সেই নিৰ্দেশনা অনুসৰি ৰাজ্যখনৰ অন্য থানাবোৰৰ লগতে যোৰহাট পুলিচৰ থানাইও পঞ্জীয়নভূক্ত ১০১ আৰু পঞ্জীয়ন নোহোৱা ৬১খন গাঁওৰক্ষী বাহিনীৰ সহযোগত যোৰহাট পুলিচৰ থানাৰ সন্মুখৰ গাঁৱৰক্ষী বাহিনীৰ কাৰ্যালয় কাৰ্যালয়, মঞ্চ-প্ৰেক্ষাগৃহত প্ৰতিষ্ঠা দিৱস পালন কৰে। চক্ৰ সংগঠন ৰাজেন দাসে পতাকা উত্তোলন কৰাৰ পাছতে নাগৰিক সমিতিৰ সভাপতি পদ্ম বৰাই বন্তিপ্ৰজ্বলন আৰু গাঁওৰক্ষী বাহিনীৰ প্ৰাক্তন সভাপতি অৰুণ শৰ্মাই ধূপ প্ৰজ্বলন কৰে। গাঁৱৰক্ষী বাহিনীৰ পুলিচৰ থানাৰ সভাপতি হৰেন ভূমিজৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত হৰিনাৰায়ণ বৰুৱাৰ কৰ্মময় জীৱন, সমাজলৈ অৱদান গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাৰ ইতিহাস আৰু বৰ্তমানৰ চৰকাৰে গাঁৱৰক্ষী বাহিনীবোৰলৈ প্ৰেৰণ কৰা নীতি-নিৰ্দেশনা আৰু কৰ্মৰ বিষয়ে সভাপতিগৰাকীৰ লগতে ৰমেন শইকীয়াই বক্তব্যত উল্লেখ কৰে। পদ্ম বৰা, অৰুণ শৰ্মাই বক্তব্য আগবঢ়োৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰাজেন দাসে। ভালেকেইগৰাকীয়ে গাঁওৰক্ষী বাহিনী গাঁৱত পৰিচালনা কৰি থাকোঁতে লাভ কৰা অভিজ্ঞতা, সমস্যা আৰু সমাধানৰ বিষয়ে বক্তব্যত উল্লেখ কৰে। পুলিচৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিতুল শইকীয়াৰ উপৰি আৰক্ষীসকল উপস্থিত থাকে। উল্লেখ্য, ৰাজ্যখনত বৰ্তমান ২২৮৮১খন পঞ্জীয়নভূক্ত আৰু ৩১০৬খন পঞ্জীয়ন নোহোৱাকৈ গাঁওৰক্ষী বাহিনী পৰিচালিত হৈ আছে। ১৮-৪০ বছৰৰ ৬, ৪৯, ৬৭৫ গৰাকী পুৰুষ-মহিলা জড়িত হৈ থকাৰ লগতে তেওঁলোকে পকেট মানি নিজৰ নামত থকা বেংক একাউণ্টৰ জৰিয়তে লাভ কৰে। যোৰহাট জিলাত পঞ্জীয়নভূক্ত গাঁওৰক্ষী বাহিনী পৰিচালিত আছে ৭৫৭খন।

# মৰিগাঁও সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা ২০২৬ৰ সামৰণিৰ দিনা মুকলি সভাত জিলা আয়ুক্তৰ অংশগ্ৰহণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৯ জানুৱাৰী ঃ** মৰিগাঁৱৰ অগ্ৰণী সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠান শব্দকল্পৰ উদ্যোগত আৰু মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত মৰিগাঁও চহৰৰ বিহুতলীত অনুষ্ঠিত সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা ২০২৬ৰ আজি অন্তিম দিনাৰ মুকলি সভাত মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে অংশগ্ৰহণ কৰে। আয়োজক সমিতিৰ সভাপতি বুবুমনি গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলা আয়ুক্তগৰাকী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত তেওঁ দিয়া ভাষণত নিয়মীয়াকৈ গ্ৰন্থ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে গ্ৰন্থক মানুহে প্ৰিয় বন্ধু কৰি ল'লে কেৱল জ্ঞান অৰ্জনেই নহয়, সময়ৰ সৈতে খাপ খুৱাই নিজক আগবঢ়াই লৈ যাব পাৰে। আজিৰ ডিজিটেল যুগতো গ্ৰন্থৰ সমাদৰ আৰু গুৰুত্ব কোনোপধ্যে হ্ৰাস পোৱা নাই বুলি তেওঁ দৃঢ়তাৰে কয়। তেওঁ এনে এটা অনুষ্ঠানৰ আয়োজন কৰা বাবে উদ্যোক্তাসকলৰ শলাগ লয়। আয়োজক সমিতিৰ হৈ জিতুমণি নাথে আঁত ধৰা মুকলি সভাখন উদ্বোধন কৰে মৰিগাঁও জিলা পৰিষদৰ সভানেত্ৰী প্ৰণতি কলিতা ডেকাই। সভাত বিশিষ্ট অতিথি হিচাপে জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী আৰু বিশিষ্ট নিবন্ধকাৰ মিলেশ্বৰ পাতৰ উপস্থিত থাকে। সভাৰ অংশৰূপে স্মৃতিগ্ৰন্থ কল্পবৃক্ষ উন্মোচন কৰে জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগে। সভাত মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ শইকীয়া আৰু আয়োজক সমিতিৰ মুখ্য উপদেষ্টা বিৰিঞ্চি কুমাৰ শৰ্মা উপস্থিত আছিল। সভাত প্ৰতিগৰাকী বক্তাই গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। সভাৰ অংশৰূপে চিত্ৰাংকন আৰু তৰ্ক প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হয়। লগতে বিশিষ্ট কবি বলেন চন্দ্ৰ বৰুৱাক শব্দকল্প সাহিত্য বঁটা, বিশিষ্ট কবি মদাৰজ্যোতিলৈ শব্দকল্প কাব্য বঁটা আৰু কৃষক নেতা, পৰিৱেশকৰ্মী তুলসী ডেকাক প্ৰকৃতি বন্ধু উপাধি প্ৰদান কৰা হয়। শাৰীৰিক অসুস্থতাৰ বাবে বিশিষ্ট লেখক সাহিত্যিক পেঞ্চনাৰ মনেশ্বৰ দেউৰী উপস্থিত থাকিব নোৱাৰিলে যদিও তেখেতক আয়োজকসকলে বাসগৃহতে সম্বৰ্ধনা জনাব।

## শুক্টোটাৰীত বাৰ্ষিক দস্তাৰবন্দী-ধৰ্মীয় জলছাহ সম্পন্ন

**অসম বাৰ্তা, সোণতলী, ২৯ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ শুক্টোটাৰীত বৰুৱা-বামুণবাড়ী হানাফীয়া-হাফিজীয়া মাদ্ৰাছাৰ সৌজন্যত এখন দস্তাৰ-বন্দী ধৰ্মীয় জলছাহৰ আয়োজন কৰে। বৰুৱা বামুণবাড়ী হানাফীয়া-হাফিজীয়া মাদ্ৰাছাৰ সৌজন্যত ১৬তম বাৰ্ষিক দস্তাৰবন্দী উপলক্ষে আয়োজিত ধৰ্মীয় জলছাহৰ বুধবাৰে সামৰণি পৰে। মাদ্ৰাছা প্ৰাঙ্গনত আলহাজ মজিল হকৰ পৌৰহিত্বত অনুষ্ঠিত সভাত বৰপেটাৰ হজৰাতুল আল্লামা খলিফা, মুফতি মহম্মদ হাইদৰ আলী হানাফী আল্-মোজাদ্দেদী, বালিঝাৰ এম.ই. মাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত শিক্ষক মৌলবী আলহাজ মঃ নুৰুল আলম, বৰুৱা বামুণবাড়ী হানাফীয়া হাফিজীয়া মাদ্ৰাছাৰ শিক্ষক হাফিজ মৌলানা মুফতি মছিদুল আলমে কোৰ-আন আৰু হাদিছৰ ওপৰত বয়ান প্ৰদান কৰে। উল্লেখ্য, এই ধৰ্মীয় জলছাহত বিশেষ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ২৭ নং সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী অধিবক্তা কোৰবান আলীয়ে। এই জলছাহত উপস্থিত থাকি ছমৰীয়াৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী তথা অধিবক্তা কোৰবান আলীয়ে ধৰ্মপ্ৰাণ ৰাইজৰ আশীৰ্বাদ বিচাৰি বক্তব্য প্ৰদান কৰে। লগতে অধিবক্তা কোৰবান আলীৰ প্ৰাৰ্থীত্বৰ সফলতা কামনা কৰি জলছাহৰ সভাপতিয়ে দোৱা কৰে।

## ডিব্ৰুগড়ত ৰেডক্ৰছ চ'ছাইটিৰ উদ্যোগত চি আই এছ এফ আৰু বি চি পি এল ইউনিটত চকু পৰীক্ষা সম্পন্ন




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৯ জানুৱাৰী ঃ** ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ ডিব্ৰুগড় শাখাৰ উদ্যোগত আজি এক চকু পৰীক্ষা আৰু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। শিবিৰ অনুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ নেত্ৰৰোগ বিভাগৰ সহযোগিতাত আৰু চি, আই, এছ, এফ, বি, চি, পি, এল ইউনিটৰ ঘনিষ্ঠ সমন্বয়ত চি, আই, এছ, এফ টাউনশ্বিপ, লেপেটকটা, ডিব্ৰুগড় চৌহদত আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ, ডিব্ৰুগড়ৰ সভাপতি ড° পঙ্কজ কুমাৰ শ্ৰুতিকৰে উপস্থিত সকলোকে আদৰণি জনাই জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে চকুৰ গুৰুত্বৰ বিষয়ে কয়। তেওঁ কয় যে কঠোৰ দায়িত্ব আৰু ব্যস্ত কৰ্তব্যৰ বাবে নিৰাপত্তা কৰ্মীসকল বহু সময়ত নিয়মিত চিকিৎসা সুবিধাৰ পৰা বঞ্চিত হয়। সেয়ে এই শিবিৰৰ জৰিয়তে ৰেডক্ৰছ চ'ছাইটিয়ে তেওঁলোকলৈ এক সৰু কিন্তু অৰ্থপূৰ্ণ সহায় আগবঢ়াবলৈ চেষ্টা কৰিছে। ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ ডিব্ৰুগড়ৰ উপ-সভাপতি ড° মহেশ কুমাৰ জৈনে এক উৎসাহমূলক ভাষণ দি সুস্থ আৰু সৰল জীৱনৰ বাবে স্বাস্থ্য সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। অসম চিকিৎসা মহাবিদ্যালয়ৰ পিজিটিৰ ডাঃ আহিদুৰ ৰহমান আৰু ডাঃ তানজিমা আহমেদে দৈনন্দিন জীৱনত চকুৰ যত্নৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়াই নিয়মিতভাৱে চকু পৰীক্ষা কৰোৱাৰ পৰামৰ্শ দিয়ে। তেওঁলোকে কয় যে চকু মানৱ শৰীৰৰ অন্যতম গুৰুত্বপূৰ্ণ অংগ। ইয়াৰ পূৰ্বে ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ, সচিব অনুজ কুমাৰ বৰুৱাই শিবিৰৰ উদ্দেশ্য আৰু কাৰ্যসূচীৰ বিষয়ে সংক্ষিপ্ত পৰিচয় দিয়ে। শিবিৰত অন্যান্যসকলৰ ভিতৰত ৰিপুঞ্জয় বৰুৱা, সমীৰ কুমাৰ শৰ্মা, প্ৰদীপ কুমাৰ দেৱ গোস্বামী, ড° চুলতানা হাজৰিকা আৰু প্ৰবাল দাস উপস্থিত আছিল। মুঠ ৪৫ গৰাকী ব্যক্তিৰ চকু পৰীক্ষা কৰা হয়, ইয়াৰ ভিতৰত ৩০ গৰাকী পুৰুষ আৰু ১৫ গৰাকী মহিলা আছিল। পৰীক্ষাৰ ফলাফল অনুসাৰে ১৩ গৰাকী ব্যক্তিৰ "ৰিফ্ৰেক্টিভ এৰৰ" ধৰা পৰে, ১ গৰাকী ব্যক্তিৰ "স্কুইণ্ট" ধৰা পৰে। বাকী সকলৰ গ্লুকোমা, কনজাংটিভাইটিছ, পেটৰিজিয়াম আৰু কেটাৰেক্টৰ কোনো প্ৰভাৱ পৰা দেখা নগ'ল। শিবিৰৰ অন্তত ড° চুলতানা হাজৰিকাই অংশগ্ৰহণকাৰী সকলক ধন্যবাদ জ্ঞাপন কৰে।

**নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী চলচলিত অনুষ্ঠিত হৈছে নগাঁও স্পৰ্টছ কাৰ্ণিভেল ২০২৬**

## ক্ৰিকেট দলৰ অধিনায়কৰ ৰূপত খেলপথাৰত বিধায়ক ৰূপক শৰ্মা

**অসম বাৰ্তা, নগাঁও, ২৯ জানুৱাৰী ঃ** নগাঁৱৰ অগ্ৰণী ক্ৰীড়া অনুষ্ঠান পশ্চিম হয়বৰগাঁও স্পৰ্টছ ক্লাৱৰ উদ্যোগত নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী চলচলিত বুধবাৰৰ পৰা অনুষ্ঠিত হৈছে"নগাঁও স্পৰ্টছ কাৰ্ণিভেল ২০২৬।" চলচলিৰ সোণাইঘাট হাইস্কুলৰ খেলপথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা "নগাঁও স্পৰ্টছ কাৰ্ণিভেল ২০২৬"ত নৈশলোকত ক্ৰিকেট প্ৰতিযোগিতাৰ লগতে বাস্কেটবল, বেডমিণ্টন, দবা আৰু কাবাডী খেলৰ আকৰ্ষণীয় প্ৰতিযোগিতা অনুষ্ঠিত হয়। বুধবাৰে প্ৰতিযোগিতা খনিৰ শুভ উদ্বোধন কৰে নগাঁও -বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি বিধায়ক ইলেভেন(MLA 11) আৰু জিলা আয়ুক্ত ইলেভেন(DC 11)মাজত অনুষ্ঠিত হোৱা প্ৰীতি ক্ৰিকেট খেলখনত বিধায়ক ৰূপক শৰ্মাই অধিনায়ক হিচাপে অংশগ্ৰহণ কৰে। ৫ অভাৰৰ প্ৰীতি খেলখনত বিধায়ক ইলেভেন দলটোৱে টছত জয়ী হৈ প্ৰথমে বেট ধৰি ৫৩ ৰাণৰ লক্ষ্য ডি চি ইলেভেনক বান্ধি দিয়ে। খেলখনত পোনপ্ৰথমে বেট ধৰি বিধায়ক ৰূপক শৰ্মাই কেইবাটাও লংশ্বট মাৰি দৰ্শকক উৎসাহিত কৰি তোলে। খেলখনত ৰূপক শৰ্মাৰ নেতৃত্বত খেলা "বিধায়ক ইলেভেন"ৰ দলটো জয়ী হয়। উল্লেখযোগ্য যে, পশ্চিম হয়বৰগাঁও স্পৰ্টছ ক্লাৱে আয়োজন কৰা প্ৰতিযোগিতাখনিয়ে চলিত বৰ্ষত তৃতীয় বৰ্ষত ভৰি দিলে। এই প্ৰতিযোগিতাখনে নিশ্চিত ৰূপত নগাঁৱৰ ক্ৰীড়া ক্ষেত্ৰখনলৈ আশাৰ বতৰা কঢ়িয়াই আনিব বুলি মত প্ৰকাশ কৰিছে। প্ৰতিযোগিতাখনিৰ উদ্বোধনী অনুষ্ঠানত "নগাঁও স্পৰ্টছ কাৰ্ণিভেল ২০২৬"ৰ সভাপতি ডাঃ আৰিফুল হ'ক প্ৰমুখ্যে বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে।

# ডিব্ৰুগড়ত নতুন বিধানসভা

ডিব্ৰুগড়ত বিশাল জনসভাত অংশগ্ৰহণ কৰে। বৃহস্পতিবাৰে মধ্যৰাতিৰ পিছত বিশেষ বিমানেৰে ডিব্ৰুগড়ত উপস্থিত হোৱা গৃহমন্ত্ৰীয়ে শুকুৰবাৰে খনিকৰ খেলপথাৰত অনুষ্ঠিত জনসভাত প্ৰায় দুহেজাৰ কোটি টকাৰ (সঠিকভাৱে ১, ৭১৫ কোটি টকা) উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু শুভাৰম্ভ কৰে। এই অনুষ্ঠানৰ জৰিয়তে তেওঁ অহা ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে উন্নয়নৰ বাৰ্তা লৈ ৰাইজৰ মাজত নিৰ্বাচনী ৰণশিঙা বজাই দিয়ে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড়ৰ সাংসদ সৰ্বানন্দ সোণোৱাল, বিভিন্ন সাংসদ-বিধায়ক, ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰীসকল আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। গৃহমন্ত্ৰী অমিত শ্বাহক অসম চৰকাৰে অসমৰ স্বাভিমান গামোচা, পৰম্পৰাগত আদিবাসী গামোচা, টাই ফাকেসকলৰ হস্তশিল্প, আহোম যুদ্ধৰ গৌৰৱৰ প্ৰতীক হেংদাং আৰু আৰনাইৰে সম্বৰ্ধনা জনোৱাৰ লগতে ৰাইজৰ উষ্ম অভ্যৰ্থনা প্ৰদান কৰে। ভাষণত গৃহমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চল আৰু অসমৰ বিকাশত দিয়া গুৰুত্বৰ কথা উল্লেখ কৰি বিজেপি চৰকাৰৰ দিনত হোৱা উন্নয়নৰ খতিয়ান দাঙি ধৰে। তেওঁ কংগ্ৰেছ চৰকাৰৰ সময়ত অসমত গুলী, বোমা, সংঘৰ্ষ আৰু যুৱকৰ মৃত্যুৰ পৰিৱেশ আছিল বুলি তীব্ৰ সমালোচনা কৰি কয় যে মোদী চৰকাৰৰ দিনত বহু যুৱকে অস্ত্ৰ এৰি শান্তিৰ পথলৈ ঘূৰি আহিছে। তেওঁ অসমক সুৰক্ষিত ৰাখিবলৈ আৰু উন্নয়ন অব্যাহত ৰাখিবলৈ ২০২৬ৰ নিৰ্বাচনত পুনৰ বিজেপি চৰকাৰ গঠন কৰিবলৈ ৰাইজলৈ আহ্বান জনায়। ডিব্ৰুগড়ক দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু সৰ্বানন্দ সোণোৱালক ধন্যবাদ জনায়। উদ্বোধন আৰু শিলান্যাস কৰা প্ৰধান প্ৰকল্পসমূহৰ ভিতৰত অসম বিধানসভাৰ দ্বিতীয় চৌহদ আৰু বিধায়ক আৱাস - ২৮৪ কোটি টকা ব্যয়সাপেক্ষ এই প্ৰকল্পৰ আধাৰশিলা স্থাপন। ইয়াত তিনিমহলীয়া বিধানসভা ভৱন, নমহলীয়া বিধায়ক আৱাস, ৮০০ আসনৰ প্ৰেক্ষাগৃহ আৰু নিৰাপত্তাৰক্ষীৰ বাবে বেৰেক অন্তৰ্ভুক্ত। ৩০ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব। খনিকৰ বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ শুভ উদ্বোধন — ২৩৮ কোটি টকা ব্যয়সাপেক্ষ এই প্ৰকল্পত প্ৰথম পৰ্যায়ত ৫, ০০০ আসনৰ ব্যৱস্থা। ইয়াত সাঁতোৰ, দৌৰ, ফুটবল, ভলীবল, বেডমিণ্টন, বঙিং আদি ক্ৰীড়াৰ আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ আন্তঃগাঁথনি, হোষ্টেল, প্ৰশিক্ষক, ফিজিঅ' আৰু নিউট্ৰিচনিষ্টৰ ব্যৱস্থা থাকিব। খনিকৰ ক্ৰীড়া প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ আধাৰশিলা— ২০৯ কোটি টকা ব্যয়ত আসন সংখ্যা ৩৫, ০০০লৈ বৃদ্ধি। বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠান—ধোদৰ চাবুৱাৰ মুলুকগাঁৱত ২৯২ কোটি টকাৰ এই প্ৰকল্পৰ আধাৰশিলা। ইয়াত চিকিৎসা, গৱেষণা লেবৰেটৰী, প্ৰশিক্ষণ, সংগ্ৰহালয়, প্ৰেক্ষাগৃহ আদি সুবিধা থাকিব। জলাহভূমি পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ— ৬৯২ কোটি টকাৰ ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ অধীনত এই প্ৰকল্পৰ শুভাৰম্ভ। প্ৰাৰম্ভিকতে ১৫টা জলাশয় খন্দা হ'ব আৰু পিছত প্ৰায় ১০০টা। বান নিয়ন্ত্ৰণ আৰু খৰালিত সেউজীয়াৰ বাবে উপকাৰী। এইপ্ৰকল্পসমূহে ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে প্ৰতিষ্ঠা কৰাৰ লগতে খেল-ধূলা, বন্যপ্ৰাণী সংৰক্ষণ, কৃষি আৰু পৰিৱেশ সুৰক্ষাত নতুন দিশ দিব। মন্ত্ৰী বিমল বড়াই এইটোক ঐতিহাসিক ক্ষণ বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীৰ প্ৰশাসনিক বিকেন্দ্ৰীকৰণৰ দূৰদৰ্শিতাৰ প্ৰশংসা কৰে। অহা বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই ভ্ৰমণ আৰু প্ৰকল্প উদ্বোধনে বিজেপিৰ শক্তিশালী অৱস্থানক আৰু সুসংহত কৰিছে।

# ঋতুস্ৰাৱ স্বাস্থ্যক সংবিধানৰ মৌলিক অধিকাৰৰ অংশ

শুকুৰবাৰে ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু ন্যায়াধীশ আৰ মহাদেৱনৰ বিচাৰপীঠে এই গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰে। আদালতে স্পষ্টকৈ উল্লেখ কৰিছে যে ঋতুস্ৰাৱ স্বাস্থ্য ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত জীৱনৰ অধিকাৰৰ এক অবিচ্ছেদ্য অংশ। ইয়াৰ লগতে মানৱ মৰ্যাদা, গোপনীয়তা আৰু শিক্ষাৰ অধিকাৰৰ সৈতেও ইয়াৰ গভীৰ সম্পৰ্ক আছে। এই ৰায়ৰ ফলত কিশোৰী ছাত্ৰীসকলৰ শিক্ষাজীৱনত ঋতুস্ৰাৱজনিত কাৰণত সৃষ্টি হোৱা বাধাসমূহ দূৰ কৰাৰ দিশত এক ডাঙৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই নিৰ্দেশ ড° জয়া ঠাকুৰ নামৰ এগৰাকী ব্যক্তিয়ে ২০২৪ চনৰ ১০ ডিচেম্বৰত দাখিল কৰা জনস্বাৰ্থমূলক আবেদনৰ (পাব্লিক ইণ্টাৰেষ্ট লিটিগেচন) প্ৰেক্ষাপটত আহিছে। আবেদনত কেন্দ্ৰীয় চৰকাৰৰ ঋতুস্ৰাৱ স্বাস্থ্য নীতিক ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ছাত্ৰীসকলৰ বাবে সমগ্ৰ দেশতে বাধ্যতামূলকভাৱে ৰূপায়ণ কৰাৰ দাবী উত্থাপন কৰা হৈছিল। উচ্চতম ন্যায়ালয়ে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰশাসিত অঞ্চলসমূহক নিৰ্দেশ দিছে যে প্ৰত্যেক বিদ্যালয়ত—সেয়া নগৰীয়া হওক বা গ্ৰামাঞ্চলৰ—ছাত্ৰীসকলৰ বাবে নিৰাপদ আৰু সহজলভ্য চেনিটেৰী নেপকিনৰ ব্যৱস্থা কৰিব লাগিব। এই নেপকিনসমূহ ASTM D-6954 মানদণ্ড অনুসৰি পৰিৱেশসম্মত আৰু অ'-বায়'ডিগ্ৰেডেবল হ'ব লাগিব। বিদ্যালয়ৰ শৌচালয়ৰ ভিতৰত বা ওচৰতে ভেণ্ডিং মেচিনৰ জৰিয়তে বা দায়িত্বপ্ৰাপ্ত ব্যক্তিৰ মাধ্যমত এই নেপকিনসমূহ সদায় উপলব্ধ কৰিব লাগিব। ইয়াৰ উপৰিও আদালতে বিদ্যালয়সমূহত ল'ৰা আৰু ছোৱালীৰ বাবে পৃথক, পৰিষ্কাৰ আৰু কাৰ্যক্ষম শৌচালয়ৰ ব্যৱস্থা থকাটো বাধ্যতামূলক কৰিছে। শৌচালয়ত পানী, সাবোন আৰু হাত ধোৱাৰ সুবিধা সদায় থাকিব লাগিব। দিব্যাংগ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষভাৱে সুবিধাসম্পন্ন শৌচালয় নিৰ্মাণ কৰাৰ নিৰ্দেশো দিয়া হৈছে। প্ৰত্যেক বিদ্যালয়ত ঋতুস্ৰাৱ স্বাস্থ্য ব্যৱস্থাপনা (Menstrual Hygiene Management) কৰ্ণাৰ স্থাপন কৰিব লাগিব। এই কৰ্ণাৰত অতিৰিক্ত অন্তৰ্বাস, অতিৰিক্ত ইউনিফৰ্ম, ডিচপ'জেবল বেগ আদি ৰখাৰ ব্যৱস্থা থাকিব যাতে জৰুৰী পৰিস্থিতিত ছাত্ৰীসকলে সহায় ল'ব পাৰে। লগতে চেনিটেৰী বৰ্জনৰ বাবে Solid Waste Management Rules অনুসৰি নিৰাপদ আৰু পৰিৱেশসম্মত ব্যৱস্থা গঢ়ি তুলিব লাগিব। আদালতে কঠোৰ সতৰ্কবাণী জাৰি কৰিছে যে এই নিৰ্দেশ অমান্য কৰা বিদ্যালয়ৰ—চৰকাৰী হওক বা ব্যক্তিগত—স্বীকৃতি বাতিল কৰা হ'ব পাৰে। ৰাজ্য চৰকাৰসমূহকো সম্পূৰ্ণ দায়িত্ব ল'বলৈ আৰু ব্যৱস্থা ৰূপায়ণ কৰাত ব্যৰ্থ হ'লে কঠোৰ ব্যৱস্থাৰ মুখামুখি হ'বলগীয়া হ'ব বুলি স্পষ্ট কৰি দিয়া হৈছে। এই ৰায়দানে কেৱল ছাত্ৰীসকলৰ শাৰীৰিক স্বাস্থ্য সুৰক্ষিত কৰাই নহয়, ঋতুস্ৰাৱৰ সময়ত বিদ্যালয়ত অনুপস্থিতি বা শিক্ষাৰ পৰা বিচ্ছিন্ন হোৱাৰ সমস্যাৰ মোকাবিলা কৰাতো সহায় কৰিব। একেদৰে ঋতুস্ৰাৱ স্বাস্থ্যৰ প্ৰতি সামাজিক সজাগতা বৃদ্ধি কৰি লিঙ্গ সমতাৰ দিশতো ই এক গুৰুত্বপূৰ্ণ অৱদান বুলি বিবেচিত হৈছে।

# মে-ডাম-মে-ফী ঃ সমন্বয়ী চেতনাৰ প্ৰতীক

দেৱতা। এই উৎসৱৰ মূল উৎস প্ৰাচীন চীনৰ কনফুচিয়াছ ধৰ্মৰ পূৰ্ব পুৰুষ উপাসনা তত্ত্ব। যি পাছলৈ টাই জাতিৰ 'ডাম ফি' পৰম্পৰা ৰূপে বিকাশ ঘটে। এই পূজাৰ জৰিয়তে উপৰি পুৰুষৰ হৈ অশাৰীৰিক যোগসূত্ৰ স্থাপন কৰি নিজৰ লগতে সমাজ, দেশ তথা বিশ্বৰ মংগলৰ বাবে / শান্তিৰ বাবে প্ৰাৰ্থনা কৰে আৰু আৰ্শীবাদ বিচাৰে। সম্পূৰ্ণ টাই আহোম জনগোষ্ঠীয় পৰম্পৰাৰে পূজা আগবঢ়াই এই দিনটোতে আহোম সকলৰ পূৰ্ব পুৰুষৰ লগতে ডাম -চাওফী সকলকস্মৰণ কৰা হয়।

এই পূজা বা উৎসৱ প্ৰতি বছৰে ৩১ জানুৱাৰী ত উদ্‌যাপন কৰা হয়। সাত ৰাজ মাৰি এক ৰাজ কৰা, এক বৃহৎ অসমীয়া জাতি গঠন কৰা প্ৰধান পুৰুষ চাওঁলুং চুকাফাৰ দিনৰে পৰা এই পূজা প্ৰচলন হৈ আহিছে। চুকাফাই ইৰাৱতী নৈ পাৰ হৈয়ে মে-ডাম -মে-ফি উদ্‌যাপন কৰিছিল। পোন প্ৰথম বাৰৰ বাবে তিপামৰ বুঢ়া ডাঙৰীয়া থানত এই পূজাৰ আয়োজন কৰা হৈছিল বুলি কিছুমান পুথিত উল্লেখ আছে। অৱশ্যে পূৰ্বতে ইয়াক ঘৰুৱাভাৱে পালন কৰা হৈছিল। ক্ৰমে পাছলৈহে ইয়াক ৰাজহুৱা ভাৱে পালন কৰা কৰিবলৈ লয়। আজি-কালি মে-ডাম-মে-ফী ধৰ্মীয় মাংগলিক অনুষ্ঠানৰ লগতে এক সামাজিক উৎসৱো হৈ পৰিছে। ৰজা ঘৰীয়াৰ পৃষ্ঠ পোষকতাত চলা এই পূজা ভাগি বৰ্তমান সৰ্বজনীনতাৰ ভিত্তিত অসমৰ চুকে-কোণে পালন কৰা হয়।

এই পূজাৰ বাবে সমূহীয়াকৈ ৰাইজ গোট খাই এখন আঠ চুকীয়া অস্থায়ী হ-ফী অৰ্থাৎ মন্দিৰ সাজে আৰু ইয়াত

৮ খন শৰাই পাতি তেওঁলোকৰ 'আদি লেংডন' দেৱতা প্ৰমুখ্যে আঠজন 'ফীক' উপাসনা কৰে। এই পূজাত ফু- ৰা- তা-ৰা - আ- নং অথবা নিৰাকাৰ ভগবানক প্ৰাৰ্থনা জনোৱাৰ উপৰিও 'ঙি ডাম খামং' বা 'সোণালী ড্ৰেগন' অংকিত পতাকা উত্তোলন কৰে। পৰম্পৰাগত বানফি প্ৰথাৰে টাই আহোম সকলে উপৰি পুৰুষৰ লগতে এই জগতৰ দহটা শক্তিক উপাস্য ৰূপে গণ্য কৰি প্ৰসাদ, নৈবেদ্য আদি আগবঢ়ায়। উপৰি পুৰুষৰ অৰ্থে ভাত, গাহৰি, মাংস, কুকুৰা কণী, ৰহি সাজ, তামোল পাণ ইত্যাদি আগবঢ়োৱা হয়। আহোম স্বৰ্গদেউ সকলৰ দিনৰে পৰাই টাই আহোম সকলে পৰম্পৰাগত নিয়মেৰে পালন কৰি অহা এই পূজা বা উৎসৱ পূৰ্ব পুৰুষৰ পবিত্ৰ স্মৰণ তথা ডাম, ফুৰা, ফী ৰ পূজা-অৰ্চনা, আত্মশক্তি আহৰণৰ মংগলময় উৎসৱ।

'মে-ডাম - মে - ফী' ত টাই আহোমৰ জ্ঞাতি ভাইৰ লগতে জাতি - ধৰ্ম - ভাষা নিৰ্বিশেষে সমাজৰ সৰ্বজনৰ সমাৱেশ হোৱাটো এটা শুভ লক্ষণ। ইয়াক এতিয়া কেৱল নিজৰ পূৰ্ব -পুৰুষৰ পূজা -সেৱা বুলি কোৱাৰ পৰিৱৰ্তে ৰজা ঘৰ, প্ৰজা ঘৰ সকলোতে উদ্‌যাপিত উৎসৱ বুলি ক'ব পাৰি। মে- ডাম-মে-ফী কেৱল দেৱ -দেৱীক পূজা কৰাৰ নামত পূজা কৰা বা পূজা পতা অনুষ্ঠান নহয়। নতুবা বহু লোক একে লগ হৈ মাছে-মঙহে ভোজ খোৱা অনুষ্ঠানো নহয়। এই পূজাত প্ৰীতি ভোজ এটা আনুষংগিক কথাহে। এই পূজাত নিহিত হৈ আছে সমাজ জীৱনৰ বাবে অতিশয় প্ৰয়োজনীয় বিষয় 'সমন্বয়ী চেতনাৰ প্ৰেৰণা'। এই পূজা বা উৎসৱে বৰ্তমান সৰ্বজনীনতা লাভ কৰিবলৈ সক্ষম হৈছে।

# মে-ডাম-মে-ফী ঃ অতীতৰ সৈতে বৰ্তমানৰ পৱিত্ৰ সংযোগ

মাজত অবিচ্ছিন্ন সম্পৰ্ক ৰক্ষা কৰা। উক্ত সংস্কাৰে তাই-আহোমজাতিৰ আত্মিক শক্তি, সামাজিক নৈতিকতা আৰু ঐতিহাসিক চেতনাক যুগে যুগে জীয়াই ৰাখিছে।

তাই ভাষাত 'মে' মানে পূজা বা অৰ্পণ, 'ডাম' মানে মৃত পূৰ্বপুৰুষ আৰু 'ফী' মানে আত্মা বা আত্মিক সত্তা। এই তিনিটা শব্দ একেলগে মিলি মে-ডাম-মে-ফী গঠন কৰিছে, যাৰ অৰ্থ হৈছে পূৰ্বপুৰুষৰ আত্মাৰ পূজা আৰু স্মৰণ। পূৰ্বপুৰুষৰ আত্মাৰ পূজা আৰু স্মৰণ কৰাটো তাই-আহোম সমাজত অতি গভীৰভাৱে প্ৰোথিত। ইয়াত মৃত্যুক শেষ বুলি ধৰা নহয়, বৰঞ্চ মৃত্যু হৈছে এক নতুন আত্মিক অৱস্থালৈ কৰা যাত্ৰাহে। পূৰ্বপুৰুষসকল জীৱনৰ পৰা আঁতৰি নাযায়, তেওঁলোক আত্মিক ৰূপত পৰিয়াল আৰু সমাজৰ সৈতে সংযুক্ত হৈ থাকে বুলি বিশ্বাস কৰা হয়।

মে-ডাম-মে-ফীৰ ধাৰণাটো কেৱল আধ্যাত্মিক বিশ্বাসতেই সীমাবদ্ধ নহয়, ই সামাজিক শৃঙ্খলা আৰু নৈতিকতাৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত। এজন মানুহে নিজৰ পূৰ্বপুৰুষক সন্মান জনালে, তেওঁ নিজৰ আচৰণ, কৰ্ম আৰু নৈতিকতাৰ প্ৰতিও সচেতন হ'ব পাৰে। কিয়নো তেওঁৰ কৰ্মৰ প্ৰভাৱ কেৱল নিজৰ মাজতে সীমাবদ্ধ নাথাকে। ই পৰৱৰ্তী প্ৰজন্মলৈকে যায়। এনে ধৰণৰ চিন্তাধাৰাই মানুহক সৎ, দায়িত্বশীল আৰু সমাজপ্ৰেমী হ'বলৈ প্ৰেৰণা দিয়ে।

তাই-আহোমসকল ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহি এক শক্তিশালী ৰাজ্য স্থাপন কৰিছিল। তেওঁলোকৰ দীঘলীয়া ইতিহাসৰ ভিতৰত মে-ডাম-মে-ফী এক অবিচ্ছেদ্য অংশ হৈ আছিল। ৰাজনীতি, যুদ্ধ, শাসন ব্যৱস্থা সকলো ক্ষেত্ৰতে পূৰ্বপুৰুষৰ আশীৰ্বাদ আৰু আত্মিক সহায়ৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ৰজা, সেনাপতি আৰু সাধাৰণ মানুহ সকলোৰে জীৱনত এই সংস্কাৰৰ প্ৰভাৱ আছিল। পূৰ্বপুৰুষক স্মৰণ কৰা মানে নিজৰ ইতিহাসক স্মৰণ কৰা, নিজৰ অস্তিত্বক চিনি পোৱা।

মে-ডাম-মে-ফী সাধাৰণতে সৰলতা আৰু গম্ভীৰতাৰ সৈতে পালন কৰা হয়। ই আড়ম্বৰপূৰ্ণ নহয়। চাউল, মাংস, চাউলৰ মদ আদি পৰম্পৰাগত সামগ্ৰী পূৰ্বপুৰুষৰ আত্মালৈ অৰ্পণ কৰা হয়। এই অৰ্পণৰ মূল উদ্দেশ্য হৈছে আন্তৰিকতা আৰু কৃতজ্ঞতা প্ৰকাশ। সৰলতা তাই-আহোম সমাজৰ জীৱন দৰ্শনৰ প্ৰতিফলন, য'ত বাহ্যিক চমকতকৈ অন্তৰ্নিহিত বিশ্বাসক অধিক মূল্য দিয়া হয়।

এনে ধৰণৰ সংস্কাৰ ব্যৱস্থাই পৰিয়ালৰ মাজত থকা বন্ধনকো মজবুত কৰে। একেটা পৰিয়ালৰ সকলো সদস্যই একেলগে আহি পূৰ্বপুৰুষক স্মৰণ কৰে। ইয়াত ডাঙৰ-সৰু সকলোৰে উপস্থিতি গুৰুত্বপূৰ্ণ। উক্ত প্ৰক্ৰিয়াত নতুন প্ৰজন্মই নিজৰ বংশৰ ইতিহাস, পূৰ্বপুৰুষৰ ত্যাগ আৰু কাহিনী শুনিবলৈ পায়। এনে ধৰণৰ মৌখিক পৰম্পৰাসমূহে ইতিহাসক কিতাপতকৈও অধিক জীৱন্ত কৰি তোলে।

মে-ডাম-মে-ফীৰ সৈতে প্ৰকৃতিৰো এক গভীৰ সম্পৰ্ক আছে। তাই-আহোম দৰ্শনত মানুহ, প্ৰকৃতি আৰু আত্মিক জগত একেলগে সংযুক্ত। পূৰ্বপুৰুষসকলে যি প্ৰকৃতিৰ মাজত জীৱন কটালে, সেই প্ৰকৃতিৰ প্ৰতি সন্মান দেখুওৱাটোও এই সংস্কাৰৰ অংশ। এনে ধৰণৰ চিন্তাধাৰাই মানুহক ভূমি, পানী, বন আৰু জীৱ-জন্তুৰ প্ৰতি দায়িত্বশীল হ'বলৈ শিকায়। আধুনিক সময়ত পৰিৱেশ সংকটৰ মাজত এই দৰ্শন অতি প্ৰাসংগিক হৈ পৰিছে।

সময়ৰ সৈতে মে-ডাম-মে-ফীয়ে বিভিন্ন প্ৰত্যাহ্বানৰো সন্মুখীন হৈছে। বহিৰাগত ধৰ্মীয় প্ৰভাৱ, উপনিবেশিক মানসিকতা আৰু আধুনিক জীৱনশৈলীয়ে মে-ডাম-মে-ফীৰ পৰম্পৰাক কিছুমান ক্ষেত্ৰত দুৰ্বল কৰিবলৈ চেষ্টা কৰিছিল। কিছুমানে ইয়াক পুৰণি বা অপ্ৰাসংগিক বুলি ভাবিবলৈও ধৰিছিল। কিন্তু সকলো বাধাৰ মাজতো মে-ডাম-মে-ফী সম্পূৰ্ণৰূপে নোহোৱা হৈ নগ'ল। ই ৰূপ সলনি কৰি, নতুন প্ৰজন্মৰ সৈতে খাপ খুৱাই জীয়াই থাকিল।

আজিৰ অসমত মে-ডাম-মে-ফী কেৱল এটা ধৰ্মীয় আচাৰ হৈ থকা নাই। ই হৈ পৰিছে এক সাংস্কৃতিক পৰিচয়ৰ প্ৰতীক। বহু যুৱকে মে-ডাম-মে-ফীৰ পৰম্পৰাৰ মাজেৰে নিজৰ ইতিহাসক পুনৰ আৱিষ্কাৰ কৰিছে। এই পুনৰ্জাগৰণ কোনো আধুনিকতাবিৰোধী আন্দোলন নহয়, বৰঞ্চ ই আধুনিক জীৱনৰ সৈতে অতীতৰ সংযোগ স্থাপন কৰাৰ এক প্ৰয়াস। মানুহে উপলব্ধি কৰিছে যে আগবাঢ়িবলৈ হ'লে অতীতকো পাহৰিব নালাগে।

মে-ডাম-মে-ফীয়ে মৃত্যুক লৈ আমাৰ দৃষ্টিভংগী সলনি কৰে। আধুনিক সমাজত মৃত্যু প্ৰায়ে এক ভয়ানক বা এৰাই চলিবলগীয়া বিষয় হিচাপে দেখা যায়। কিন্তু এই পৰম্পৰাত মৃত্যু মানে বিচ্ছেদ নহয়, ই ৰূপান্তৰ। মৃত ব্যক্তি আত্মিক ৰূপত পৰিয়ালৰ সৈতে থাকেই। মৃত্যুৰ এনে ধাৰণাই শোকৰ সময়ত মানুহক মানসিক শক্তি আৰু সান্ত্বনা দিয়ে।

মে-ডাম-মে-ফীৰ সংস্কাৰে আমাক এইটোও শিকায় যে ইতিহাস কেৱল ৰজা-মহাৰজাৰ কাহিনী নহয়। সাধাৰণ মানুহ, কৃষক, মাতৃ, যোদ্ধা সকলো পূৰ্বপুৰুষেই ইতিহাসৰ অংশ। মে-ডাম-মে-ফীৰ জৰিয়তে এই সকলোৰে স্মৃতি সন্মানিত হয়। ই এক গণতান্ত্ৰিক স্মৰণ, য'ত প্ৰতিটো জীৱনৰ মূল্য আছে।

মে-ডাম-মে-ফী এক প্ৰকাৰ নীৰৱ সাংস্কৃতিক প্ৰতিবাদো। ই নিজৰ অস্তিত্বৰ ঘোষণা কৰে, নিজৰ পৰম্পৰাক লৈ গৌৰৱ কৰে। ই কয় যে স্থানীয় জ্ঞান, আদিবাসী বিশ্বাস আৰু ঐতিহ্য সমানেই গুৰুত্বপূৰ্ণ। আত্মবিশ্বাসী অৱস্থানেই এই পৰম্পৰাক যুগে যুগে জীয়াই ৰাখিছে।

সকলো দিশৰ পৰা চালে মে-ডাম-মে-ফী কেৱল তাই-আহোম সমাজৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই। ইয়াৰ মূল বাৰ্তাবোৰ সৰ্বজনীন। নিজৰ শিপা চিনি পোৱা, পূৰ্বপুৰুষৰ ত্যাগক সন্মান কৰা আৰু এনে জীৱন যাপন কৰা যাতে আগন্তুক প্ৰজন্মই গৌৰৱেৰে স্মৰণ কৰিব পাৰে। এই মূল্যবোধসমূহ আজিৰ পৃথিৱীত অতি প্ৰয়োজনীয়।

থোৰতে ক'ব পাৰি যে মে-ডাম-মে-ফী এক জীৱন্ত স্মৃতি। ই অতীত আৰু বৰ্তমানৰ মাজত এক সেতু। মে-ডাম-মে-ফীয়ে মানুহক শিকায় যে আমি অকলশৰীয়া নহয়, আমি এক দীঘলীয়া শৃংখলাৰ অংশ। যিমান দিন মানুহে স্মৰণ কৰিব, কৃতজ্ঞতা প্ৰকাশ কৰিব আৰু নিজৰ কৰ্মৰ দায়িত্ব ল'ব, সিমানদিনলৈ মে-ডাম-মে-ফী জীয়াই থাকিব। ই তাই-আহোম সমাজৰ আত্মা আৰু সেই আত্মাই অসমীয়া সংস্কৃতিক অধিক সমৃদ্ধ কৰি ৰাখিছে।

# পুনৰ বানমুক্ত অসমৰ প্ৰতিশ্ৰুতি অমিত শ্বাহৰ

ধৰ্ম কেৱল অসম-অৰুণাচলৰ নহয়, সমগ্ৰ দেশৰ পৰম্পৰা বুলি কৈ তেওঁ মালিনী থানক শ্ৰদ্ধা জনায় আৰু অসমৰ মিচিং ৰাইজে ইয়াক সুৰক্ষিত ৰখাৰ প্ৰশংসা কৰে। মিচিং সমাজৰ পুৰোধা ব্যক্তি কমলা মিৰি, টাবুৰাম টাইড, ফৰেষ্ট মেন যাদৱ পায়েং, ড° ইন্দিৰা মিৰি আদিক সন্মান সহকাৰে স্মৰণ কৰি গৃহমন্ত্ৰীয়ে কয় যে ১৯৯৬ চনত মিচিং ৰাইজে অস্ত্ৰ-সশস্ত্ৰ আন্দোলন বাদ দি সঠিক সিদ্ধান্ত লৈছে। এই মহোৎসৱেই তাৰ উদাহৰণ। "মিচিং ৰাইজৰ সুন্দৰ হাঁহিত ঐনিতমৰ সুৰৰ লহৰ দেখিবলৈ পোৱা যায়" বুলি তেওঁ মন্তব্য কৰে। গৃহমন্ত্ৰীয়ে ঘোষণা কৰে যে মিচিং জনগোষ্ঠীৰ সাংবিধানিক মৰ্যাদা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে এখন কমিটী গঠন কৰিছে। বিজেপি চৰকাৰৰ দিনত প্ৰায় ১০ হাজাৰ সশস্ত্ৰ যুৱকে অস্ত্ৰ সম্বৰণ কৰিছে আৰু অসমৰ যুৱকে ভয়ৰ পৰিৱৰ্তে সপোন দেখিবলৈ আৰম্ভ কৰিছে। তেওঁ আশ্বাস দিয়ে যে ২০২৬ ডিচেম্বৰৰ ভিতৰত জাগীৰোডত ছেমিকণ্ডাক্টৰ নিৰ্মাণ সম্পূৰ্ণ হ'ব আৰু তাত ২৭ হাজাৰ নিবনুৱা যুৱক-যুৱতী সংস্থাপিত হ'ব। ভাৰতীয় সেনা মিলিটেৰীত শিক্ষিত মিচিং যুৱক-যুৱতীক নিযুক্তি দিয়াৰ আশ্বাসো প্ৰদান কৰে। কংগ্ৰেছ চৰকাৰৰ সময়ত অসমত বাংলাদেশী আগ্ৰাসন হৈছিল বুলি সমালোচনা কৰি গৃহমন্ত্ৰীয়ে কয় যে বিজেপি চৰকাৰে ইয়াক নিয়ন্ত্ৰণ কৰিছে। অবৈধ লোকক খেদিবলৈ পুনৰ বিজেপি চৰকাৰ গঠন কৰিব লাগিব। অনুষ্ঠানত আদৰণি ভাষণ দিয়ে শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে সৰুকালত মিচিং জনগোষ্ঠীৰ মাজত ডাঙৰ-দীঘল হৈছে আৰু এই মহোৎসৱত অংশগ্ৰহণ কৰি অত্যন্ত সুখী অনুভৱ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে মিচিং ৰাইজে ৰাষ্ট্ৰীয় সাংবিধানিক মৰ্যাদা লাভ কৰিব। যুৱ মহোৎসৱস্থলী নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ১০০ কোটি টকা আবণ্টন দিব। মিচিংসকলে সমগ্ৰ অসমতে বসবাস কৰিলে চৰ-চাপৰি অঞ্চলত মিঞা বাংলাদেশীয়ে দখল কৰিব নোৱাৰিলেহেঁতেন বুলি মন্তব্য কৰি তেওঁ কয় যে মিচিং ৰাইজক সাংবিধানিক মৰ্যাদা দিয়াৰ সময় আহি পৰিছে। মিচিং সমাজৰ উন্নয়নৰ বাবে ১০ কোটি টকাৰ অনুদানৰো ঘোষণা কৰে। অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, বিধায়ক ভুৱন গাম, মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়া, বিধায়ক মানৱ ডেকা, নৱ দলে, ভুৱন পেগু আদি উপস্থিত থাকে। মহোৎসৱত অৰুণাচল প্ৰদেশৰ তানি, গালো, আপাটানি, নিচি, টাগিন বংশৰ লোকেও অংশগ্ৰহণ কৰি ভাতৃত্ববোধৰ নিদৰ্শন দিয়ে। পৰিৱেশ সুৰক্ষাৰ বাবে সমগ্ৰ মহোৎসৱস্থলী বাঁহ-বেতেৰে নিৰ্মাণ কৰা হৈছে আৰু খাদ্য গ্ৰহণৰ বাবে কাঁহী-বাটি ব্যৱহাৰ কৰা হৈছে। গুমৰাগ, লত্তা চ: মান, চে: লয়া, মিবু দাগনাম, ঐনিতমৰ সুৰেৰে মুখৰিত হৈ পৰা এই মহোৎসৱে মিচিং জনগোষ্ঠীৰ সংস্কৃতি আৰু যুৱ শক্তিৰ উজ্জ্বল ছবি উপস্থাপন কৰিছে।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিনত গুৱাহাটী পৌৰ নিগমৰ 'স্বচ্ছ গুৱাহাটী, আমাৰ গুৱাহাটী'ৰ সংকল্প

**অসম বাৰ্তা, সোণাপুৰ, ৩০ জানুৱাৰী ঃ** ৰাজ্যৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৫৭ সংখ্যক জন্মদিন উপলক্ষে গুৱাহাটী পৌৰ নিগমৰ পাৰিষদবৰ্গৰ উদ্যোগত আজি মহানগৰীৰ বিভিন্ন ৱাৰ্ডত এক বৃহৎ পৰিসৰৰ 'স্বচ্ছতা অভিযান' কাৰ্যসূচী আৰম্ভ কৰা হয়। 'স্বচ্ছ গুৱাহাটী, আমাৰ গুৱাহাটী' শীৰ্ষক শ্লোগানক মূল আধাৰ হিচাপে লৈ এই অভিযানৰ জৰিয়তে মহানগৰখনক অধিক পৰিষ্কাৰ আৰু সুন্দৰ কৰি তোলাৰ সংকল্প দৃঢ় কৰা হৈছে। এই স্বচ্ছতা অভিযানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ শ্ৰী মৃগেন শৰণীয়াৰ লগতে গুৱাহাটী পৌৰ নিগমৰ পাৰিষদবৰ্গ, নিগমৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন জনহিতৈষী দল-সংগঠন আৰু স্বেচ্ছাসেৱী সদস্যসকলে অংশগ্ৰহণ কৰে। আজিৰ কাৰ্যসূচীৰ অংশ হিচাপে মহানগৰীৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানসমূহত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভিযান চলোৱাৰ লগতে গুৱাহাটীৰ বিভিন্ন স্থানত অৱস্থিত মহান ব্যক্তিসকলৰ প্ৰতিমূৰ্তিসমূহো পৰিষ্কাৰ কৰা হয়। পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযানত অংশ গ্ৰহণ কৰি মেয়ৰ শ্ৰী মৃগেন শৰণীয়াই কয়, "অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে এখন স্বচ্ছ, সুশৃঙ্খল আৰু জনমুখী নগৰ ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। সেয়েহে তেখেতৰ জন্মদিন উপলক্ষে গুৱাহাটী পৌৰ নিগমৰ পাৰিষদ বৰ্গই গ্ৰহণ কৰা এই স্বচ্ছতা অভিযান কেৱল এটা দিনৰ কাৰ্যসূচী নহয়; ই একজন আন্দোলনৰ আৰম্ভণি। এই আন্দোলনত গুৱাহাটী মহানগৰৰ নাগৰিকসকলকে সক্ৰিয় ভাৱে সহযোগিতা আগবঢ়ালে নিশ্চিত ভাৱে 'স্বচ্ছ গুৱাহাটী, আমাৰ গুৱাহাটী' অভিযানৰ সপোন বাস্তৱায়িত হ'ব।" উল্লেখ্য যে, এই স্বচ্ছতা অভিযানৰ অধীনত গুৱাহাটীৰ প্ৰতিটো ৱাৰ্ডত দুটাকৈ ধৰ্মীয় অনুষ্ঠান, মুঠ ১২০টা স্থানত পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

# মৈৰাবাৰীত লিংকেজ কেম্পৰ সজাগতা সভা

**অসম বাৰ্তা, মৈৰাবাৰী, ৩০ জানুৱাৰী ঃ** নিজ ধিং উন্নয়ন খণ্ডৰ অন্তৰ্গত তাঁতীকটা গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত আজি লিংকেজ কেম্পৰ অধীনত এখনি সজাগতা সভা সফলভাৱে অনুষ্ঠিত হৈ যায়। উক্ত সভাৰ মূল উদ্দেশ্য আছিল ডিজিটেল বিত্তীয় মাধ্যমৰ জৰিয়তে সাধাৰণ ৰাইজক অধিক সচেতন, সক্ৰিয় আৰু সুৰক্ষিত কৰি তোলা। সভাখনত ডিজিটেল লেনদেন ব্যৱস্থাৰ গুৰুত্ব, উপকাৰিতা আৰু সাৱধানতামূলক ব্যৱহাৰৰ বিভিন্ন দিশৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা। বিশেষকৈ অনলাইন লেনদেনৰ সময়ত কেনেধৰণে চাইবাৰ অপৰাধৰ পৰা সাৱধান হৈ থাকিব লাগে, ডিজিটেল পেমেণ্ট ব্যৱস্থাৰ সঠিক ব্যৱহাৰ কেনেকৈ কৰিব লাগে, বেংকত ধন সাঁচি ৰখাৰ উপকাৰীতা, লাভালাভ আদি বিষয়ত উপস্থিত সকলক অৱগত কৰা হয়। উক্ত সজাগতা সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে RGVN মৰিগাঁও আৰু নগাঁও জিলাৰ ফিল্ড অফিচাৰ শ্বাৰবান শৰ্মা আৰু CRISIL ফাউণ্ডেচনৰ মৈৰাবাৰীৰ CFL চেণ্টাৰ মেনেজাৰ বিপুল ডেকা। অতিথিসকলে ডিজিটেল বিত্তীয় অন্তৰ্ভুক্তিৰ প্ৰয়োজনীয়তা, ডিজিটেল বেংকৰ সুবিধা, ডিজিটেল মাধ্যমৰ সুবিধাৰ লগতে সুৰক্ষিতভাৱে এই মাধ্যমসমূহ ব্যৱহাৰ কৰাৰ পদ্ধতিৰ ওপৰত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। এই সজাগতা সভাৰ উদ্যোগ গ্ৰহণ কৰে মাহমুদা খাতুনৰ লগতে অন্যান্য জীৱিকা সখীসকলে। সভাখনত বিশেষ অতিথি হিচাপে উপস্থিত থাকে তাঁতীকটা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি নজৰুল ইছলাম, উপ-সভাপতি জিয়াবুৰ ৰহমান আৰু অঞ্চলটোৰ কেইবাগৰাকীও গণ্যমান্য ব্যক্তি। সভাখনত বৃহৎ সংখ্যক স্থানীয় ৰাইজে অংশগ্ৰহণ কৰি ডিজিটেল বিত্তীয় ব্যৱস্থাৰ বিষয়ে প্ৰয়োজনীয় তথ্য লাভ কৰে। অংশগ্ৰহণকাৰীসকলে এই ধৰণৰ সজাগতা সভাই গ্ৰাম্য অঞ্চলত ডিজিটেল সচেতনতা বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি মত প্ৰকাশ কৰে।

# গোলকগঞ্জৰ সত্ৰশাল আৰু ৰণপাগলী মণ্ডলৰ উদ্যোগত ভাৰত বাংলাদেশ সীমান্তৰ সত্ৰশালত হিন্দু সন্মিলনৰ

**অসম বাৰ্তা, আগমনি, ৩০ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ শতবৰ্ষ উপলক্ষে সমগ্ৰ দেশব্যাপী পালিত হৈছে হিন্দু সন্মিলন। গোলকগঞ্জৰ সত্ৰশাল আৰু ৰণপাগলী মণ্ডলৰ উদ্যোগত ভাৰত বাংলাদেশ সীমান্তৰ সত্ৰশাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰতো কাইলৈ দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা হৈছে হিন্দু সন্মিলনৰ। কাইলৈ পুৱা পতাকা উত্তোলন, ভাৰত মাতা পূজন, সমবেত সংগীত, গোৱালপৰীয়া লোকনৃত্য, সত্ৰীয়া নৃত্য আদি পৰিৱেশ কৰা হব। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসম ৰাজ্যিক ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাই উপস্থিতিত মুকলি সভা আয়োজন কৰা হৈছে। এই উদ্দেশ্যে আজি দুপৰীয়া বিশাল শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাকাৰীয়ে হাতে হাতে কলহ লৈ শোভাযাত্ৰা কৰি পানী তুলিব যায়।

# বাজপেয়ী ভৱনত দুঘণ্টাৰো

কৰা হয়। লগতে এন ডি এ মিত্ৰতাৰ ভিত্তিত নিৰ্বাচন খেলাৰ কৌশল, আসন বুজাবুজি আৰু ভোটাৰৰ মাজত চৰকাৰী আঁচনিৰ সুবিধাসমূহ কেনেকৈ উপস্থাপন কৰিব পাৰি সেই বিষয়েও গভীৰভাৱে চৰ্চা হয়। বৈঠকৰ পিছত ৰাজ্যিক বিজেপি সভাপতি দিলীপ শইকীয়াই সাংবাদিকসকলক জনায় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত হোৱা এই বৈঠকে দলক যথেষ্ট আশাবাদী কৰিছে। তেওঁ কয়, "আমি আগন্তুক নিৰ্বাচনী কৰ্মসূচীৰ দিশত কিছু প্ৰস্তুতি আৰম্ভ কৰিছোঁ। গৃহমন্ত্ৰীয়ে পুংখানুপুংখভাৱে বিভিন্ন কাম কেনেকৈ সম্পাদন কৰিব লাগিব সেই বিষয়ে আমাক অৱগত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনমুখী চৰকাৰী আঁচনি আৰু ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক কামৰ লাভ ৰাইজৰ মাজলৈ কেনেকৈ লৈ যাব পাৰি সেই বিষয়েও আলোচনা হৈছে।" মিত্ৰতাৰ প্ৰসংগত দিলীপ শইকীয়াই কয় যে এনডিএ হিচাপে নিৰ্বাচন খেলাৰ সিদ্ধান্ত স্পষ্ট। গোটেই মিত্ৰদলসমূহৰ লগত আলোচনা চলি আছে আৰু কম সময়ৰ ভিতৰতে আসন বুজাবুজি চূড়ান্ত কৰা হ'ব। গৃহমন্ত্ৰীয়েও এই দিশত পৰামৰ্শ দিছে। দলৰ লক্ষ্য হৈছে পূৰ্বতকৈ অধিক ভোট আৰু আসন লাভ কৰি শক্তিশালীভাৱে এন ডি এ চৰকাৰ গঠন কৰা। উল্লেখ্য যে এই বৈঠকৰ আগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ডিব্ৰুগড়ত কেইবাখনো উন্নয়নমূলক প্ৰকল্পৰ শিলান্যাস আৰু শুভাৰম্ভ কৰে, খনিকৰত দ্বিতীয় বিধানসভা চৌহদৰ আধাৰশিলা স্থাপন কৰে আৰু বিশাল জনসভা সম্বোধন কৰে। তাৰ পিছত ধেমাজিত দশম মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি সন্ধিয়া গুৱাহাটীত উপস্থিত হৈ বাজপেয়ী ভৱনত বৈঠকত যোগদান কৰে। নিশা তেওঁ পশ্চিমবংগলৈ ৰাওনা হয়। বৈঠকত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, নিৰ্বাচন প্ৰভাৰী বৈজয়ন্ত জয় পাণ্ডা, ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু অন্যান্য ৰাজ্যিক নেতৃত্ব উপস্থিত থাকে। এই বৈঠকে বিজেপিৰ নিৰ্বাচনী প্ৰস্তুতিক নতুন গতি প্ৰদান কৰিছে বুলি দলীয় সূত্ৰে জনোৱা হৈছে।

# জুবিন গাৰ্গৰ হত্যা গোচৰত তিনি অভিযুক্তৰ জামিন

অভিযুক্ত অমৃতপ্ৰভা মহন্ত, জুবিনৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন নাকচ কৰিছে। এই তিনিওগৰাকী অভিযুক্তই খালে মুখঠেকেঁচাৰ সন্মুখীন হৈছে। আদালতে গোচৰটোৰ পৰৱৰ্তী শুনানি ১৩ ফেব্ৰুৱাৰীত ধাৰ্য কৰিছে। চৰকাৰী পক্ষৰ জ্যেষ্ঠ অধিবক্তা জীয়াউল কামাৰে সাংবাদিকসকলক জনোৱা মতে অমৃতপ্ৰভা মহন্ত এই সমগ্ৰ ষড়যন্ত্ৰত সক্ৰিয়ভাৱে জড়িত আছিল। তেওঁৰ বিৰুদ্ধে হত্যাৰ অভিযোগ আছে আৰু প্ৰক্ৰিয়াত তেওঁৰ ভূমিকাৰ প্ৰমাণ পোৱা গৈছে। সেয়েহে আদালতে তেওঁৰ জামিন আবেদন নাকচ কৰিছে। একেদৰে দুজন দেহৰক্ষীৰ ক্ষেত্ৰতো জামিন খাৰিজ কৰা হৈছে। এই গোচৰত অভিযুক্তসকলৰ জামিন নাকচৰ বাবে অসম চৰকাৰৰ এছ আই টিৰ পক্ষৰ পৰা আবেদন দাখিল কৰা হৈছিল। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গেও তিনিওগৰাকী অভিযুক্তৰ জামিন নাকচৰ বাবে আদালতত আবেদন দাখিল কৰিছিল। শুকুৰবাৰে অনুষ্ঠিত শুনানিত এই সকলোবোৰ আবেদনৰ ওপৰত বিবেচনা কৰি আদালতে ৰায় ঘোষণা কৰে। আদালতৰ পৰা ওলাই আহি গৰিমা শইকীয়া গাৰ্গে সাংবাদিকসকলৰ আগত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁ কয় যে পৃথিৱীত এনে অসুৰ মাত্ৰ ২-৩ জনহে জন্ম হয়। তেওঁ আৰু জুবিনে সকলোকে বিশ্বাস কৰিছিল কিন্তু তেওঁলোকৰ বিশ্বাস ভংগ হৈছে। গৰিমাই আশা প্ৰকাশ কৰে যে এই অসুৰকেইটা কেতিয়াও জামিন নাপাওঁক আৰু কঠোৰ শাস্তি পাওক। তেওঁ লগতে কয় যে অভিযুক্তসকলে শাস্তি নোপোৱালৈকে কোনোৱে যেন ওলাই নাহওক, অসমৰ জনগণে তাকেই বিচাৰিছে আৰু দানৱকেইটাই কঠোৰ শাস্তি পাব লাগিব। অন্যদিশে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই আদালতত তিনিখন নতুন আবেদন দাখিল কৰিছে। তেওঁ গোচৰৰ পৰা ৰেহাই দিয়াৰ আবেদন কৰিছে, ছিংগাপুৰৰ ঘটনাৰ তথ্য বিচাৰিছে আৰু সিদ্ধাৰ্থৰ বিৰুদ্ধে থকা নথিপত্ৰ বিচাৰিছে। পূৰ্বতে শ্যামকানু মহন্ত আৰু সন্দীপন গাৰ্গে নিজৰ জামিন আবেদন প্ৰত্যাহাৰ কৰিছিল। জুবিন গাৰ্গৰ মৃত্যু ২০২৫ চনৰ ছেপ্টেম্বৰত ছিংগাপুৰত হৈছিল য'ত তেওঁ উত্তৰ-পূৰ্ব ভাৰত মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ গৈছিল। অসম আৰক্ষীৰ এছ আই টিয়ে হত্যাৰ অভিযোগত চাৰ্জশ্বীট দাখিল কৰিছে আৰু গোচৰটোৱে ৰাজ্যত তীব্ৰ আৱেগ সৃষ্টি কৰিছে। আদালতে এই গোচৰত ন্যায় নিশ্চিত কৰাৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে।

# পুনৰ আৰম্ভ হ'ল ১৪ বছৰে

হজৰত শ্বাহজালাল আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা উৰা মাৰি কৰাচীত অৱতৰণ কৰি এই ঐতিহাসিক সেৱাৰ পুনৰাৰম্ভ ঘোষণা কৰে। ২০১২ চনৰ পৰা দুয়ো দেশৰ মাজত পোনপটীয়া বিমান সেৱা বন্ধ হৈ আছিল। বাংলাদেশ এয়াৰলাইন্সৰ বিমান বিজি ৩৪১ নং উৰণখনে নিশা ৮: ১৫ বজাত ঢাকাৰ পৰা যাত্ৰা আৰম্ভ কৰি নিশা ১১: ০৩ বজাত কৰাচীৰ জিয়া আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰে। এই উদ্বোধনী উৰণৰ জৰিয়তে দুয়ো দেশৰ মাজত সংযোগ পুনৰ স্থাপনৰ পথ মুকলি হৈছে। বাংলাদেশৰ অসামৰিক বিমান পৰিবহণ আৰু পৰ্যটন উপদেষ্টাই এই সেৱা আৰম্ভৰ বিষয়ে কয় যে ঢাকা-কৰাচী পথৰ মূল লক্ষ্য হৈছে দুয়ো দেশৰ মাজত সংযোগ বৃদ্ধি কৰা, পৰ্যটনক প্ৰসাৰিত কৰা আৰু মানুহৰ মাজত পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰা। বাংলাদেশ এয়াৰলাইন্সে ক্ৰমান্বয়ে বিমানৰ ভাড়া হ্ৰাস কৰি সাধাৰণ যাত্ৰীসকলৰ বাবে এই পথ অধিক সুলভ কৰি তোলাৰ পৰিকল্পনা কৰিছে। এই পুনৰ সংযোগে দুয়ো দেশৰ মাজত বাণিজ্য, পৰ্যটন, শিক্ষা আৰু সাংস্কৃতিক বিনিময়ৰ নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। ২০১২ চনত ৰাজনৈতিক আৰু কূটনৈতিক কাৰণত বন্ধ হৈ যোৱা এই সেৱা পুনৰ আৰম্ভ হোৱাক দুয়ো দেশৰ মাজত সম্পৰ্ক উন্নতিৰ এক ইতিবাচক পদক্ষেপ হিচাপে দেখা হৈছে। বাংলাদেশ এয়াৰলাইন্সে এই পথত নিয়মীয়া উৰণৰ সংখ্যা বৃদ্ধি কৰি যাত্ৰীসকলৰ সুবিধা বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি দিছে। এই সেৱাৰ পুনৰাৰম্ভৰ ফলত দক্ষিণ এছিয়াৰ আঞ্চলিক যোগাযোগত নতুন গতি আহিব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

নতুন আশা, শীৰ্ষক গীত উন্মোচন

## শংকৰদেৱ শিশু নিকেতন, চাউলধোৱাঘাটৰ ২২ সংখ্যক বাৰ্ষিক নিকেতন সপ্তাহৰ সামৰণি



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৯ জানুৱাৰী ঃ**আজি লখিমপুৰ জিলাৰ বগীনদী ব্লকৰ অন্তৰ্গত তথা বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ শিশু শিক্ষা সমিতি, অসমৰ দ্বাৰা পৰিচালিত শংকৰদেৱ শিশু নিকেতন, চাউলধোৱাঘাটৰ ২২ সংখ্যক বাৰ্ষিক নিকেতন সপ্তাহৰ সামৰণি পৰে। যোৱা ২৬ জানুৱাৰীৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল বাৰ্ষিক নিকেতন সপ্তাহ। প্ৰথমদিনা পতাকা উত্তোলন কৰে নিকেতনখনৰ পৰিচালনা সমিতিৰ সভাপতি অমৃত বৰাই। বাৰ্ষিক নিকেতন সপ্তাহৰ লগত সংগতি ৰাখি প্ৰথম তিনিদিনত সাহিত্য, কৃষ্টি আৰু ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি অন্তিমদিনা অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে পৰিচালনা সমিতিৰ সভাপতি অমৃত বৰাই। প্ৰধান আচাৰ্য জিতু কলিতাই আঁত ধৰা সভাত বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত শিক্ষক বিদ্যুৎ মহন্ত। আদৰণি ভাষণ প্ৰদান কৰে পৰিচালনা সমিতিৰ সম্পাদক ধৰ্মেশ্বৰ ভূএগই। সভাৰ উদ্বোধন কৰে ৰূপহী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমল নেওগে তথা নিৰ্দেশ বক্তাৰ ভাষণ প্ৰদান কৰে অনাতাঁৰ কেন্দ্ৰ যোৰহাটৰ ঘোষক সুদৰ্শন বৰুৱাই। এই সভাতেই নিপেন মুদৈৰ কথাৰে আৰু প্ৰণৱ নিষাদৰ সুৰক্ষা আৰু সংগীতেৰে সজোৱা তথা নিকেতনখনৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী তনুশ্ৰী মুদৈয়ে কণ্ঠদান কৰা 'নতুন আশা'নামৰ এটা গীত উন্মোচন কৰা হয়। সভাত শংকৰদেৱ শিশু নিকেতন চাউলধোৱাঘাটৰ পৰা ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পাঁচ গৰাকী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে আৰ কে ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰৱক্তা ক্ষীৰোদ বৰা, সদৌ অসম সুলভ মূল্য ব্যৱসায়ী সন্থাৰ সভাপতি ধৰণীধৰ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক অম্বিকা দাহাল, সংবাদকৰ্মী দিপ প্ৰতিম বৰা আদি।

## কলিয়াবৰত বন্যহস্তীৰ আক্ৰমণত বনকৰ্মী নিহত

**অসম বাৰ্তা, কলিয়াবৰ, ২৯ জানুৱাৰী ঃ**কলিয়াবৰত বৃদ্ধি হৈছে হাতী-মানুহৰ সংঘাত। বন্যহস্তীৰ উপদ্ৰৱ বৃদ্ধিত অতিষ্ঠ হৈছে জনসাধাৰণ। ৰাইজক বনৰীয়া হাতীৰ পৰা নিৰাপত্তা দিবলৈ আহি আজি নিজেই প্ৰাণ দিলে এজন বনৰক্ষীয়ে। নিহত বনৰক্ষী জনৰ নাম দিলীপ কোঁৱৰ। ঘটনাটো সংঘটিত হৈছে কলিয়াবৰ চামধৰা গাঁৱত। নিশা শিলঘাট বনবিভাগৰ বনৰক্ষীৰ দলে কলিয়াবৰত ত্ৰাসৰ সৃষ্টি কৰা এটা বনৰীয়া হাতীক গাঁওখনৰ পৰা খেদি পঠাবলৈ চেষ্টা চলোৱাৰ সময়তে হাতীটোৱে খেদি আহে বনকৰ্মী দলটোক। পাছত গাঁওখনৰ ৰানু বৰা নামৰ মহিগৰাকীৰ ঘৰৰ চোতালতে বনৰক্ষী দিলীপ কোঁৱৰক পুৱতি নিশা প্ৰায় ৩ - ৩০ বজাত বন্য হাতীটোৱে আক্ৰমণ কৰি নিধন কৰে। ক্ষুব্ধ ৰাইজে চৰকাৰ আৰু জনপ্ৰতিনিধি গৰাকীক তীক্ষ্ণ ভাষাৰে সমালোচনা কৰি কয় যে হয় হাতী খেদক নহয় আমাক গুলিয়াই মাৰক। কাৰণ প্ৰতি নিশাই হাতীয়ে ত্ৰাসৰ সৃষ্টি কৰিছে কলিয়াবৰত। এতিয়া ৰাতি হ'লেই হাতীৰ ভয় হৈছে কলিয়াবৰক।

### পকী বেৰ কাটি লৈ গ'ল চন্দুকসহ নগদ ধন, সোণ-ৰূপৰ গহণা

## গহপুৰত পুনৰ চুৰিকাণ্ড



**অসম বাৰ্তা, গহপুৰ, ২৯ জানুৱাৰী ঃ** গহপুৰ আৰক্ষীৰ ফোঁপোলা স্বৰূপ পুনৰ বাৰ উন্মোচিত কৰিলে এটা গভাইত চুৰি চক্ৰই। গহপুৰ নগৰৰ মাজমজিয়াত যোৱা নিশা এখন জুৱেলাৰীৰ বিপনীত চোৰে পকী বেৰ কাটি চুৰি কাৰ্য্য সংঘটিত কৰা ঘটনাই গহপুৰ আৰক্ষী পুনৰবাৰ সমালোচনাৰ পাত্ৰ হৈছে সচেতন ৰাইজৰ মাজত। বাসগৃহৰ লগতে দোকান চুৰি, বাইক চুৰি, গৰু চুৰি, নামঘৰ-মন্দিৰ চুৰিৰ দৰে সঘনাই সংঘটিত হৈ থকা এনেধৰণৰ চুৰিকাণ্ড সমূহক ৰোধ কৰাত গহপুৰ আৰক্ষী চূড়ান্তভাৱে ব্যৰ্থ হৈ অহাৰ সময়তে যোৱা নিশা গহপুৰ আৰক্ষীৰ নাকৰ তলতেই পুনৰ সংঘটিত হ'ল আন এক চুৰিকাণ্ড। গহপুৰ আৰক্ষী থানাৰ পৰা মাত্ৰ প্ৰায় ২০০ মিটাৰ দুৰত্বত সংঘটিত হোৱা এই চুৰি কাণ্ডত নিউ জুৱেলাৰ্ছ নামৰ প্ৰতিষ্ঠানখনৰ পিছফালৰ পকী বেৰৰ এটা অংশ কাটি চুৰি চক্ৰই উলিয়াই লৈ গ'ল এটা প্ৰকাণ্ড লোৰ চন্দুক। চন্দুকটোত বহু সোণ ৰূপৰ গহণা আছিল। চুৰি চক্ৰটোৱে প্ৰতিষ্ঠানখনৰ ভিতৰৰ পৰা নগদ প্ৰায় ৮/১০ হাজাৰ টকাও লৈ যায় বুলি জানিব পৰা গৈছে। পকী বেৰ কাটি চন্দুকটো উলিয়াই লৈ যোৱা লৈকে যথেষ্ট সময়ৰ প্ৰয়োজন হৈছে। চন্দুকটোৰ ওজনলৈ চালে চন্দুকটো উলিয়াই নিয়াৰ ক্ষেত্ৰত প্ৰায় ৮/১০জন মানুহ লাগিব। তেনেক্ষেত্ৰত এটা শক্তিশালী চুৰি চক্ৰই উক্ত প্ৰতিষ্ঠানখনত চুৰি কৰা বুলি অনুমান কৰা হৈছে। এনেদৰে পকীবেৰ কাটি চুৰি কাণ্ড সংঘটিত হোৱা ঘটনাই স্বাভাৱিকতে গভীৰ আতংকত ভোগাইছে স্থানীয় প্ৰতিগৰাকী ব্যৱসায়িক। এই ক্ষেত্ৰত গহপুৰ আৰক্ষীৰ কঠোৰ পদক্ষেপ কামনা কৰিছে গহপুৰ নগৰৰ ব্যৱসিয়ীসকলে।

## যোৰহাটত চিলাৰায় দিৱস আয়োজন

**অসম বাৰ্তা, যোৰহাট, ২৯ জানুৱাৰী ঃ** সদৌ কোচ ৰাজবংশী সন্মিলনীৰ স্বীকৃতিপ্ৰাপ্ত আৰু পঞ্জীয়নভুক্ত যোৰহাট জিলা কোচ ৰাজবংশী সন্মিলনী(তদৰ্থ)ৰ উদ্যোগত আৰু আক্ৰাচু, মহিলা আৰু যুৱ সন্মিলনীৰ সহযোগত অহা ১ ফেব্ৰুৱাৰীত যোৰহাট জিলা মুক্তি যুঁজাৰু ভৱনত দিনযোৰা কাৰ্যসূচীৰে বীৰ চিলাৰায়ৰ ৫১৬ সংখ্যক জন্ম জয়ন্তীৰ আয়োজন কৰ হৈছে। তদুপলক্ষ্যে জিলা সন্মিলনীৰ সভাপতিত্বত অনুষ্ঠিত সভাই ড° প্ৰমোদ চন্দ্ৰ নেওগক সভাপতি, কৃষ্ণকান্ত দত্তক কাৰ্যকৰী সভাপতি, বেদান্ত দত্তক সম্পাদক, ৰূপক ৰঞ্জন দত্ত আৰু ৰাজীব হাজৰিকাক সহ সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। ১ ফেব্ৰুৱাৰীত অনুষ্ঠিতব্য চিলাৰায় জন্মজয়ন্তীৰ কাৰ্যসুচী অনুসৰি, পুৱা ৯ বজাত পতাকা উত্তোলন, স্মৃতিচাৰন, পাছত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা, দিনৰ ১২বজাৰ পৰা মুকলি সভা দণ্ডধৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভাত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি, স্থানীয় বিধায়ক, সাংসদ, শিক্ষাবিদ, সমাজকৰ্মী আৰু যোৰহাটৰ কেইবা গৰাকী বিশিষ্ট নাগৰিক উপস্থিত থাকিব। এই সভাতে সম্বৰ্ধনা আৰু বঁটা বিতৰনৰ লগতে সাংস্কৃতিক কাৰ্যসুচী প্ৰদৰ্শন কৰা হব। সকলো কাৰ্যসূচীত জাতি, ধৰ্ম, নিৰ্বিশেষৰ লগতে কোচ ৰাজবংশী ৰাইজৰ উপস্থিতি জিলা সন্মিলনীৰ সভাপতি দণ্ডধৰ হাজৰিকা, সম্পাদক দাদুল দত্ত আৰু উদ্‌যাপন সমিতিৰ সম্পাদক বেদান্ত দত্তই কামনা কৰিছে।

# ৰাষ্ট্ৰীয় আৱিষ্কাৰ অভিযানৰ অধীনত তিনিচুকীয়াত শিশু বিজ্ঞান সমাৰোহ সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৯ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় আৱিষ্কাৰ অভিযানৰ অধীনত মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়সমূহৰ নৱম-দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আজি তিনিচুকীয়া বংগীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখনি শিশু বিজ্ঞান সমাৰোহ সম্পন্ন হৈ যায়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়া নগৰ শিক্ষাখণ্ড আৰু ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ তিনিচুকীয়া জিলা সমিতিৰ সহযোগত অনুষ্ঠিত হোৱা খণ্ড পৰ্যায়ৰ উক্ত বিজ্ঞান সমাৰোহত তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ মাধ্যমিক বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকল্পৰ মূল বিষয় ঃ 'জলবায়ু পৰিবৰ্তনৰ বোধগম্যতা আৰু জলবায়ুৰ ক্ৰিয়া'ৰ আধাৰত প্ৰস্তুত কৰা প্ৰকল্প সমূহ উপস্থাপন কৰে। কাৰ্যসূচী অনুসৰি, তিনিচুকীয়া বংগীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিশ্বজিত দে'ই শুভ উদ্বোধন কৰা অনুষ্ঠানত উপস্থিত থাকে সমগ্ৰ শিক্ষা তিনিচুকীয়া নগৰ শিক্ষা খণ্ডৰ খণ্ড মিচন সমন্বয়ক বৰগোহাঁই, খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়া, চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত নেওগৰ লগতে প্ৰকল্পসমূহৰ মূল্যায়নকাৰী ক্ৰমে - গুৰু টেগ বাহাদুৰ একাডেমীৰ জ্যেষ্ঠ বিজ্ঞান শিক্ষক তথা প্ৰকৃতিবিদ শৈলেন্দ্ৰ মোহন দাস আৰু প্ৰাক্তন ৰাষ্ট্ৰীয় শিশু বিজ্ঞানী লাভলীনা চেতিয়া। প্ৰকল্প উপস্থাপনৰ অন্তত অনুষ্ঠিত কৰা মুকলি সভাৰ বঁটা বিতৰণী অনুষ্ঠানত তিনিচুকীয়াৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিন্তী শৰ্মা, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ তিনিচুকীয়া জিলাৰ সমন্বয়ক দিগন্ত কুমাৰ ভাজনী উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰি বক্তব্য ৰাখে। সভাত খণ্ড পৰ্যায়ৰ পৰা জিলা পৰ্যায়লৈ নিৰ্বাচিত হোৱা প্ৰকল্পসমূহ বাছনি কৰাৰ লগতে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ মানপত্ৰ আৰু গ্ৰন্থ প্ৰদান কৰাৰ লগতে অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। জিলা পৰ্যায়লৈ নিৰ্বাচিত হোৱা জুনিয়ৰ শাখাৰ প্ৰতিযোগীসকল ক্ৰমে- প্ৰথম স্থান ডুমডুমা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অংকিতা শৰ্মা আৰু প্ৰিয়ংকা মৰাণ, দ্বিতীয় স্থান পি এম শ্ৰীসৰ্বজনীন উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ বেবী বৰুৱা আৰু জয়া মুণ্ডা আৰু তৃতীয় স্থান লাভ কৰে তিনিচুকীয়া বংগীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰণবীৰ দাস আৰু নিশান্ত দাসে। উচ্চ শাখাত শ্ৰেষ্ঠ বিবেচিত হয় চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদালয়ৰ নিশিতা দাস আৰু লক্ষ্মীমণি মহনে। তিনিচুকীয়া নগৰ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়া আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ গুইজান খণ্ডৰ সমন্বয়ক দেৱাশিস ফুকনৰ সহযোগত আয়োজন কৰা কাৰ্যসূচীৰ আঁত ধৰে খণ্ড সমল ব্যক্তি জাহ্নৱী ফুকনে। দিনজোৰা অনুষ্ঠানৰ সফল ৰূপায়ণত সহযোগিতা আগবঢ়ায় বিদ্যালয়খনৰ অধ্যক্ষ বিশ্বজিত দে'ৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু মণ্ডল কেন্দ্ৰ সমন্বয়ক দিগন্ত গগৈয়ে।

কৃষি প্ৰদৰ্শনী-মুকলি সভা-প্ৰতিনিধি সভা সাংস্কৃতিক অনুষ্ঠানেৰে জিপাল হ'ব কলংপাৰ

## সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সংস্থাৰ ৪৮ তম্ দ্বি-বাৰ্ষিক অধিৱেশন

### নগাঁও-কলিয়াবৰ-হোজাই-ৰহা জিলাৰ আতিথ্য




**অসম বাৰ্তা, নগাঁও, ২৯ জানুৱাৰী ঃ**"সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সংস্থা" কৃষি বিভাগৰ তিনিটা পৰ্যায়ৰ বিষয়া কৰ্মচাৰীৰে গঠিত এটা বৃহৎ সংগঠন। এই সংগঠনটোৱে ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময়তে আত্মপ্ৰকাশ কৰি ১৯৪৮ চনত চৰকাৰৰ পঞ্জীয়নভুক্ত হয়। সংগঠনৰ অন্তৰ্গত কৃষি বিভাগৰ অগ্ৰজ বিষয়া-কৰ্মচাৰী সকলে সাধাৰণ অনগ্ৰসৰ কৃষকসকলৰ মাজত উন্নত কৃষি প্ৰযুক্তিৰ বতৰা প্ৰচাৰ কৰি সেৱা আগবঢ়াইছিল। তাৰেই পদাঙ্ক অনুসৰণ কৰি সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সতীৰ্থ সকলেও কৃষক সমাজৰ উন্নতিকল্পে বিভাগৰ দ্বাৰা ৰূপায়িত প্ৰযুক্তি কৌশল, চৰকাৰৰ দ্বাৰা গ্ৰহণ কৰা কল্যাণকামী আঁচনিসমূহ কৃষকৰ পথাৰলৈ নি অবিৰতভাৱে কৃষকক উন্নতিৰ বাট বোলাবলৈ যত্ন কৰি আহিছে। সংস্থাৰ অনুজসকলেও কৃষি ক্ষেত্ৰখনৰ উন্নতি সাধিবলৈ একোজন সুদক্ষকৰ্মী হিচাপে কাম কৰি গৈছে। উল্লেখ্য যে, সময়ৰ প্ৰবহমান গতিত সংগঠনটোৱে ৭৬টা গৌৰৱোজ্জ্বল বছৰৰ সন্ধিক্ষণত উপনীত হৈ আজিৰে পৰা ৩১ জানুৱাৰীলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সংস্থাৰ '৪৮তম দ্বি-বাৰ্ষিক অধিবেশন' খনি নগাঁও, কলিয়াবৰ, ৰহা আৰু হোজাই জিলাৰ আতিথ্যত নগাঁৱৰ সাংস্কৃতিক প্ৰকল্পৰ সভাগৃহত অনুষ্ঠিত হয়। তদুপলক্ষে, আজি পুৱা পৰিৱেশ নিকাকৰণ, ভোজনালয় দ্বাৰ উন্মোচন কৰে প্ৰাক্তন সতীৰ্থ দীপক ভড়ালীয়ে। প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে জিলা কৃষি বিষয়া ও আদৰনি সমিতিৰ সভাপতি নিখিল নাৰায়ণ বৰুৱাই। মূল তোৰণ উন্মোচন কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। বৃক্ষৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক তৰুণ হাজৰিকাই। আদৰনি সমিতিৰ মূল কাৰ্যালয় উন্মোচন কৰে মধ্য মণ্ডল চিলঙলীৰ যুটীয়া কৃষি সঞ্চালক ভৱানী কুমাৰ নাথে। কৃষক প্ৰশিক্ষণৰ দ্বাৰ উন্মোচন কৰে অৱসৰপ্ৰাপ্ত জিলা কৃষি বিষয়া অশোক বৰঠাকুৰে। ইয়াৰ পিছতে কৃষক প্ৰশিক্ষণৰ প্ৰথম পৰ্বত প্ৰশিক্ষণ প্ৰদান কৰে ৰাজ্যিক পৰামৰ্শদাতা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আৰু পুষ্টি অভিযানৰ ড° অৰুণিমা দেৱ চৌধুৰী আৰু প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক তৰুণ হাজৰিকাই। ইয়াৰ সমান্তৰালভাৱে দ্বিতীয় কৃষক প্ৰশিক্ষণ পৰ্বত প্ৰশিক্ষণ প্ৰদান কৰে মাণ্ডলীক কৃষি গৱেষণা কেন্দ্ৰ চিলঙলীৰ প্ৰধান বিজ্ঞানী ড° নিৰঞ্জন ডেকাই। দিনৰ ৩ঃ৩০ বজাৰ পৰা আৰম্ভ হয় ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাৰে প্ৰথম দিনাৰ অধিৱেনৰ সামৰণি পৰে। দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা পৰিৱেশ নিকাকৰণ, পুৱাৰ জলপান গ্ৰহণৰ পাছত সংস্থাৰ পতাকা উত্তোলন কৰিব সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সংস্থাৰ সভাপতি দিব্যজ্যোতি হাজৰিকাই। স্মৃতিতৰ্পণ কাৰ্যসূচীত স্মৃতি তৰ্পক হিচাপে উপস্থিত থাকিব সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সংস্থাৰ সম্পাদক গোপাল হাজৰিকা, আদৰনি সমিতিৰ কাৰ্যকৰী সভাপতি বুদ্ধ কুমাৰ নাথ, আদৰণি সমিতিৰ সম্পাদক অশোক কুমাৰ বৰাই। পুৱা ১০ঃ৩০ বজাত কৃষক প্ৰশিক্ষণৰ প্ৰথম পৰ্বত প্ৰশিক্ষণ প্ৰদান কৰিব ড° নিৰঞ্জন ডেকা আৰু ড° অৰুনিমা দেৱ চৌধুৰীয়ে। ইয়াৰ পাচতে আৰম্ভ হব প্ৰতিনিধি সভা। দিনৰ ২বজাত কৃষক প্ৰশিক্ষণৰ দ্বিতীয় পৰ্বত প্ৰশিক্ষণ প্ৰদান কৰিব কৃষি বিজ্ঞান কেন্দ্ৰ চিলঙীৰ অনুষ্ঠান সহায়ক ড° ৰূপক কুমাৰ টায়ে। ইয়াৰ লগে লগে অনুষ্ঠিত হ'ব প্ৰতিনিধি সভাৰ পৰৱৰ্তী অংশ। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাচতে আৰম্ভ হব সাংস্কৃতিক সন্ধিয়া। উক্ত সাংস্কৃতিক সন্ধিয়াটি আনুষ্ঠানিকভাৱে উন্মোচন কৰিব নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব জিল মহন্তই। আনহাতে, ৩১ জানুৱাৰীত সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সংস্থাৰ দিনৰ ১বজাত আৰম্ভ হ'ব মুকলি সভা। উক্ত মুকলি সভাখনিত সভাপতিত্ব কৰিব সদৌ অসম কনিষ্ঠ কৃষি বিষয়া সংস্থাৰ সভাপতি দিব্যজ্যোতি হাজৰিকাই। অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াব জিলা কৃষি বিষয়া ও আদৰণি সমিতিৰ সভাপতি নিখিল নাৰায়ণ বৰুৱাই। অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব নগাঁও বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। মুকলি সভাত অনুষ্ঠানত বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি জানিব দিছে আদৰণি সমিতিৰ বিষয়ববীয়া সকলে।

### স্বাস্থ্য সেৱা ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা

## থাইগিৰবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন মন্ত্ৰী অশোক সিংহলৰ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৯ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত থাইগিৰবাৰী অঞ্চলত আজি প্ৰস্তাৱিত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা হয়। এই গুৰুত্বপূৰ্ণ স্বাস্থ্য পৰিকাঠামোৰ আধাৰশিলা স্থাপন কৰে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে। আধাৰশিলা স্থাপন কাৰ্যসূচীত উপস্থিত থাকি মন্ত্ৰী অশোক সিংহলে কয় যে ৰাজ্য চৰকাৰে গ্ৰাম্য তথা পিছপৰা অঞ্চলসমূহত উন্নত আৰু সহজলভ্য স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দি আহিছে। থাইগিৰবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন হ'লে এই অঞ্চলৰ ৰাইজে উন্নত চিকিৎসা সেৱা লাভ কৰিব আৰু সৰু-বৰ ৰোগৰ ক্ষেত্ৰত বহু দূৰলৈ যাতায়াত কৰাৰ প্ৰয়োজন নাথাকিব। নিশ্চিতভাৱে এই স্বাস্থ্য কেন্দ্ৰটোৱে অঞ্চলটোৰ গৰ্ভৱতী মহিলা, শিশু, বৃদ্ধ তথা সাধাৰণ ৰাইজৰ স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হয়। স্বাস্থ্য কেন্দ্ৰটো সম্পূৰ্ণ হৈ উঠিলে প্ৰাথমিক চিকিৎসাৰ লগতে প্ৰয়োজনীয় পৰীক্ষা-নিৰীক্ষা আৰু স্বাস্থ্য পৰামৰ্শ সেৱা আগবঢ়োৱা হ'ব। উক্ত আধাৰশিলা স্থাপন কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহলৰ লগতে ভাৰতীয় জনতা পাৰ্টিৰ বিভিন্ন স্তৰৰ কাৰ্যকৰ্তা, স্থানীয় নেতৃত্ব তথা অঞ্চলবাসী ৰাইজ উপস্থিত থাকে। উপস্থিত সকলোৰে মতে, এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰই থাইগিৰবাৰী অঞ্চলৰ স্বাস্থ্য ব্যৱস্থাক অধিক শক্তিশালী কৰি তুলিব

## পথালিপাহাৰত পঞ্চম বাৰ্ষিক ভাওনা সমাৰোহৰ প্ৰস্তুতি

**অসম বাৰ্তা, বান্দৰদেৱা, ২৭ জানুৱাৰী ঃ** ভাওনা শিল্পী সমাজ, লখিমপুৰ জিলা সমিতিৰ উদ্যোগত বিগত বছৰ দৰে এইবাৰো পঞ্চম বাৰ্ষিক জিলা ভাওনা সমাৰোহ ভাগি লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰবাসী ৰাইজৰ সহযোগত অহা ২০, ২১, ২২, ২৩, আৰু ২৪ মাৰ্চ ২০২৬ তাৰিখে পথালিপাহাৰ নুৰ খেলপথাৰত উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা ভাওনা সমাৰোহখনি সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে যোৱা ২৮ ডিচেম্বৰ তাৰিখে অনুষ্ঠিত হোৱা ৰাজহুৱা সভাতে এখন শক্তিশালী পূৰ্ণাঙ্গ আদৰণি সমিতি গঠন কৰাৰ উপৰিও কেইবাখনো উপ সমিতি গঠন কৰি দিয়ে। ইতিমধ্যে উপসমিতি সমূহে তেওঁলোকৰ কাম কাজ পূৰ্ণ গতিত প্ৰস্তুতি চলাইছে। ভাওনা আদৰণি সমিতিৰ সভাপতি বিশ্বেশ্বৰ দত্ত, কাৰ্যকৰী সভাপতি প্ৰবীণ বৰুৱা, আৰু প্ৰধান সম্পাদক চন্দেশ্বৰ ভূএগই স্থানীয় ৰাইজৰ লগতে জিলাখনৰ সকলো ৰাইজক সমাৰোহভাগি সফল ৰূপায়ণৰ ক্ষেত্ৰত সহায় সহযোগিতা আগবঢ়াবলৈ বিনম্ৰতাৰে আহ্বান জনাইছে।

## লাহিং গ্ৰাণ্ট উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত মৰিয়নি সমজিলাৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নকছাৰি, ২৭ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে মৰিয়নি সমষ্টিৰ সম জিলা প্ৰশাসনৰ উদ্যোগত লাহিং গ্ৰাণ্ট হাইস্কুলৰ খেলপথাৰত উলহ-মালহেৰে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন কৰে। আজি গণতন্ত্ৰ দিৱসৰ পতাকা উৰুৱাই মৰিয়নি সম জিলা আয়ুক্ত অভিজিত গগৈয়ে। ভাষণ প্ৰসংগত চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত মৰিয়নিৰ সমষ্টিৰ অগ্ৰগতি, সমষ্টিৰ বিভিন্ন ক্ষেত্ৰত সফলতাৰ বিষয়ে উপস্থিত ৰাইজক অৱগত কৰে। পতাকা উৰুওৱাৰ সমান্তৰালকৈ স্মৃতি তৰ্পণ, দেশ প্ৰেমমূলক গীত প্ৰচাৰ, মাচমাৰ্চৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হয়। গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি সম-জিলা প্ৰশাসনে আয়োজন কৰা চিত্ৰাংকন, ৰচনা প্ৰতিযোগিতাৰ বঁটা সমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰে বিশিষ্ট অতিথিসকলে। উক্ত অনুষ্ঠানত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, সম-জিলাৰ আৰক্ষী অধীক্ষক সৌমাৰজ্যোতি ভুএগ, যোৰহাট জিলা পৰিষদৰ সভাপতি সুৰজিত শইকীয়া, সমষ্টিৰ অন্তৰ্গত কেইবাখনো বিদ্যালয়, মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ ছাত্ৰীসকল উপস্থিত থাকে।

## মৰিগাঁৱত গণৰাজ্য দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৭ জানুৱাৰী ঃ** মৰিগাঁৱৰ তৰুণৰাম ফুকন খেলপথাৰত বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। তেওঁ পতাকা উত্তোলন কৰি মৰিগাঁও জিলাবাসীক উদ্দেশ্যি দিয়া ভাষণত দেশ তথা মৰিগাঁও জিলাৰ স্বাধীনতা সংগ্ৰামীসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ নিজৰ ভাষণত জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে এক হৈ এখন 'বৰ অসম' আৰু এখন 'বিকশিত মৰিগাঁও' গঢ়াৰ বাবে সকলোকে অংগীকাৰবদ্ধ হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে ৰাজ্য চৰকাৰে বিভিন্ন ধ্বজাবাহী আঁচনি গ্ৰহণ কৰি জনসাধাৰণক এই আঁচনিসমূহৰ দ্বাৰা সামৰি লোৱাৰ প্ৰয়াস কৰিছে। চৰকাৰ ৰাইজৰ সৰ্বাংগীণ কল্যাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ উল্লেখ কৰে। আজিৰ অনুষ্ঠানত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল, জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈ, অতিৰিক্ত জিলা আয়ুক্ত অনসুয়া শৰ্মা, ৰাকেশ ডেকা আৰু নিতিশা বৰা, জিলা প্ৰশাসনৰ বিষয়াসকল আৰু গণ্যমান্য ব্যক্তিসকল উপস্থিত আছিল। আজি অনুষ্ঠানৰ অংশৰূপে আৰক্ষী, অৰ্ধ সামৰিক বাহিনী, স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ কুছকাৱাজ আৰু বিভিন্ন বিভাগৰ প্ৰতীকপট প্ৰদৰ্শন কৰা হয়। লগতে কেইবাটাও সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। অনুষ্ঠানত ১০ গৰাকী গাঁও প্ৰধানক সম্বৰ্ধনা জনোৱাৰ লগতে শিক্ষা বিভাগৰ দ্বাৰা ৰূপায়িত হাতে লিখা আলোচনী প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কৃত কৰা হয়। গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি খেলপথাৰতে জিলাখনৰ কেইবাটাও বিভাগৰ উদ্যোগত প্ৰদৰ্শনী মুকলি কৰা হয়। ইফালে পুৱা মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰীয়ে মৰিগাঁও নগৰৰ গান্ধী ভৱন চৌহদত থকা মহাত্মা গান্ধীৰ আৱক্ষ মূৰ্ত্তিত পুষ্পমাল্য অৰ্পণ কৰে। তেওঁ ড° বি.আৰ. আম্বেদকাৰৰ প্ৰতিমূৰ্ত্তিত পুষ্পমাল্য অৰ্পণ আৰু শ্বহীদ তৰ্পণ কৰে। লগতে স্বাধীনতা সংগ্ৰামী মহদানন্দ দেৱগোস্বামীৰ প্ৰতিমূৰ্ত্তিত পুষ্পমাল্য অৰ্পণ কৰে। পৌৰসভাৰ উদ্যানত থকা মতিৰাম বৰাৰ আৱক্ষ মূৰ্ত্তি আৰু জোঙাল বলহুৰ প্ৰতিমূৰ্ত্তিত তেওঁ পুষ্পমাল্য অৰ্পণ কৰে। ইয়াৰ পিছতেই জিলা আয়ুক্ত কাৰ্য্যালয়ৰ প্ৰাঙ্গনত থকা ভাৰতৰ স্বাধীনতা আন্দোলনৰ শ্বহীদৰ ত্ৰিমূৰ্ত্তিত পুষ্পমাল্য অৰ্পণ কৰে।

এখন দলঙৰ অভাৱত যন্ত্ৰণাত ভুগিছে ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, পথচাৰী, ব্যৱসায়ী সকল

## উন্নয়নে ঢুকি নোপোৱা অঞ্চলৰ ৰাইজৰ বিননি শুনিব নে চৰকাৰ তথা জনপ্ৰতিনিধিয়ে

### বিধায়ক আব্দুল বাতিন খন্দকাৰৰ বিৰুদ্ধে ক্ষোভ ৰাইজৰ মাত্ৰাঘোলাত

**অসম বাৰ্তা, কোকিলা, ২৯ জানুৱাৰী ঃ** সমাগত বিধানসভা নিৰ্বাচন। নিৰ্বাচনৰ বাবে প্ৰতিটো দলে কঁকালত টঙালি বান্ধি থিয় দিছে। ব্যপক হাৰত হাটে-ঘাটে, বাটে-পথে, বজাৰে-সমাৰে ভোট বিচাৰি চলাইছে অভিযান। বিগত দিনবোৰৰ নিজৰ কামৰ ক্ষতিয়ান লৈ ৰাইজৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছে বৰ্তমান বিধায়ক আব্দুল বাতিন খন্দকাৰ। সমষ্টিখনত একাংশ কৰ্মীয়ে সামাজিক মাধ্যমত যথেষ্ট উন্নয়ন কৰা বুলি ঢাক-ঢোল বজোৱা পৰিলক্ষিত হৈছে। তেনে সময়ত উন্নয়নৰ বিপৰীত ছবি পৰিলক্ষিত হৈছে বঙাইগাঁও জিলাৰ নৱগঠিত ১৭ নং সৃজনগ্ৰাম সমষ্টিৰ অন্তৰ্গত মাত্ৰাঘোলাত বিগত দিনৰে পৰাই যমৰ যাতনাত ভুগি আহিছে হাজাৰ হাজাৰ পথচাৰী, বিদ্যালয়-মহাবিদ্যলয়ৰ ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ব্যৱসায়িক আৰু খেতিয়ক সকল। পূৰ্বতে দুবাৰকৈ বিধায়ক হোৱা আব্দুল হাই নাগৰীয়ে কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। প্ৰাক্তন বিধায়ক আব্দুল হাইনাগৰীয়ে বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰত বক্তব্য দিয়া পৰিলক্ষিত হয় যে তেখেতৰ কাৰ্যকালত ২৮খন দলং নিৰ্মাণ কৰিছে সমষ্টি খনৰ বিভিন্ন স্থানত। কিন্তু এতিয়াও সমষ্টিটোৰ বিভিন্ন স্থানত বহু কেইটা দলং নিৰ্মাণ কৰিবলৈ বাকী আছে। একেদৰে বৰ্তমানৰ বিধায়ক আব্দুল বাতিন খন্দকাৰৰ কাৰ্যকাল সমাপ্তি হোৱাৰ দিশে। তাৰ পিছতো যেতিয়া উক্ত স্থানত এখন দলং নিৰ্মাণ কৰা নহ'ল তেতিয়াই ক্ষোভ প্ৰকাশ কৰিবলৈ ধৰিলে ৰাইজে। মাত্ৰাঘোলাৰ উক্ত স্থানত এখন দলং নিৰ্মাণৰ বাবে বিধায়ক আব্দুল বাতিন খন্দকাৰক স্থানীয় ৰাইজে বাৰম্বাৰ অনুৰোধ কৰি আহিছেবুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। কিন্তু বিধায়ক আব্দুল বাতিন খন্দকাৰে কেৱল আশ্বাস দিৰাখি ৰাখি কাৰ্যকালৰ অন্তিম সময় আহি পোৱাতো দলং নিৰ্মাণ নোহোৱাত স্থানীয় ৰাইজে বিধায়ক গৰাকীৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। অৱশ্যে বিধায়ক আব্দুল বাতিন খন্দকাৰৰ সৈতে হোৱা আমাৰ এক সাক্ষাৎকাৰত কয় উক্ত স্থানত এখন দলং নিৰ্মাণৰ কৰাৰ বাবে যথেষ্ট চেষ্টা কৰা হৈছে আৰু কৰি আছে। দলংখন পাৰ হওঁতে প্ৰতি বাৰেই পইচা দি পাৰ হ'ব লাগে। ইফালে দলংখনেৰে প্ৰতিনিয়ত কেইবাখনো বিদ্যালয় - মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পাৰাপাৰ হব লাগে। মাত্ৰাঘোলা এখন অতিকৈ কৃষিপ্ৰধান অঞ্চল। বাৰিষাৰ সময়ত উৎপাদিত শস্য বোৰ বজাৰলৈ নিওঁতে বহু সমস্যাৰ সন্মুখীন হৈ আহিছে। বালাৰচৰ বাণিজ্য বজাৰৰ পৰা গুণিয়ালগুৰী, কলগাছিয়া আৰু লাংলালৈ যোৱাৰ ক্ষেত্ৰত মাত্ৰাঘোলা পাৰ ঘাট হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু চমু পথ। কিন্তু দলং নথকাৰ বাবে ব্যৱসায়ী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু সাধাৰণ যাত্ৰীসকল ঘণ্টাৰ পিছত ঘণ্টা নাঁৱৰ বাবে অপেক্ষা কৰিবলগীয়া হয়। বৰষুণৰ দিনত বা নিশাৰ সময়ত এই যাতায়ত আৰু অধিক বিপদজনক হৈ উঠে। বাৰিষা কালত নাও দুৰ্ঘটনা হোৱাটো এই অঞ্চলৰ বাবে এটা স্বাভাৱিক ঘটনা হৈ পৰিছে। জৰুৰীকালীন অৱস্থাত ৰোগীক চিকিৎসালয়লৈ লৈ যোৱাটো এক প্ৰকাৰৰ জুৱাখেল হৈ পৰিছে। কাৰণ জুৱা খেলত যেনেকৈ জিকিলে জিকিবও পাৰে নাইবা সৰ্বস্ব হেৰুৱাবও পাৰে ঠিক জৰুৰী অৱস্থাত ৰোগী এগৰাকীক চিকিৎসালয় লৈ নিয়াৰ সময়ত জীৱন মৰণৰ কোনো নিশ্চয়তা নাথাকে। বহু সময়ত সময় মতে চিকিৎসালয় গৈ নোপোৱাৰ বাবে মাজবাটতে ৰোগীৰ মৃত্যু নাইবা প্ৰসুতি হোৱা ঘটনা ঘটিছেবুলি স্থানীয় ৰাইজে জানিব দিয়ে। স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰি আৰু কয় যে - "আমাক ভোটৰ সময়ত দলং দেখুওৱা হৈছিল, কিন্তু ভোট শেষ হোৱাৰ পিছত আমাৰ কথা কোনেও নুশুনে। বিধায়কে কেৱল আশ্বাসহে দিলে, কাম একো নকৰিলে। দলংখন হ'লে এই অঞ্চলৰ ব্যৱসায়, শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থা একেবাৰে সলনি হ'লহেঁতেন।" প্ৰশ্ন উঠিছে- যে যি ঘাটেৰে প্ৰতিদিনে হাজাৰ হাজাৰ লোক যাতায়ত কৰে, সেই ঠাইত এখন দলং নিৰ্মাণ কৰাটো কিয় আজিও অগ্ৰাধিকাৰ নাপালে? ২০২৬ৰ নিৰ্বাচনত পুনৰ দলঙ দলঙৰ সপোন দেখুৱাই ৰাইজৰ ওচৰলৈ যাব নেকি নেতা কৰ্মী সকল? 'মাত্ৰাঘোলা পাৰ ঘাটৰ দলং এতিয়া কেৱল উন্নয়নৰ প্ৰশ্ন নহয়- ই হৈছে ৰাইজৰ জীৱন, নিৰাপত্তা আৰু অধিকাৰৰ প্ৰশ্ন বুলি কয় স্থানীয় সচেতন ব্যক্তি এগৰাকীয়ে। বিভিন্ন সময়ত অগ্নি নিৰ্বাপক বাহিনী, এম্বুলেঞ্চকে আদি কৰি জৰুৰীকালীন সেৱাৰ পৰা বঞ্চিত বৃহৎ ক্ষতিৰ সন্মুখীন হৈ আহিছে ৰাইজ। কেতিয়া এই বৃহৎ সমস্যাৰ সমাধান হব? কোনে কৰিব এই সমস্যাৰ সমাধান? নে এয়া কেৱল ভোট সংগ্ৰহৰ এক মেচিন ৰূপে ব্যৱহৃত হৈ থাকিব সেয়াও এক ডাঙৰ প্ৰশ্ন হৈ পৰিছে।

# নগাঁৱত গ্ৰাম্য পুথিভঁড়াল সন্থাৰ পুথিভঁড়াল সপ্তাহ উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ৩০ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় যুব বঁটা বিজয়ী সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ২৭ জানুৱাৰীৰ পৰা উদযাপিত পুথিভঁড়াল সপ্তাহৰ ২৮ জানুৱাৰী তাৰিখে দ্বিতীয় দিনৰ কাৰ্যসূচী নগাঁও জিলা গ্ৰাম্য পুথিভঁড়াল সন্থাৰ উদ্যোগত, বৰকলাস্থিত ড০ বি.আৰ. আম্বেদকাৰ জনজাতি বিদ্যালয় প্ৰাঙ্গণত দিনযোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। তদুপলক্ষে পুৱা চাফাই অভিযান মুকলি কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিশ্বজিৎ বৰদলৈয়ে, গছপুলি ৰোপণ কাৰ্যসূচী মুকলি কৰে সেউজ কোঁৱৰ স্বপন কুমাৰ চৌধুৰীয়ে, স্মৃতি তৰ্পন কাৰ্যসূচী মুকলি কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন চন্দ্ৰ নাথে। দুপৰীয়া ১২-০০ বজাৰ পৰা অনুষ্ঠিত 'অসমৰ গ্ৰন্থ আন্দোলনত জনজাতীয় সাহিত্যৰ অৱদান' শীৰ্ষক আলোচনা চক্ৰৰ সঞ্চালনা কৰে নগাঁও জিলা পুথিভঁড়াল সন্থাৰ সভাপতি ফজলুল হক মৰলদেৰে। মুখ্য আলোচক হিচাবে অংশ গ্ৰহণ কৰি সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে বিষয়বস্তুৰ ওপৰত আলোকপ্ৰাত কৰি গাম্ভীৰ্য্যপূৰ্ণ বক্তৃতা প্ৰদান কৰাৰ লগতে আলোচক হিচাবে অংশগ্ৰহণ কৰি বক্তৃতা প্ৰদান কৰে ক্ৰমে অৱসৰপ্ৰাপ্ত শিক্ষক ভৰেন বৰা আৰু হীৰেণ ডেকাই। নগাঁও জিলা পুথিভঁড়াল সন্থা সম্পাদক ভূপেন চন্দ্ৰ নাথে আদৰণি ভাষণ আগবঢ়োৱা সভাৰ আৰম্ভণি গীত পৰিবেশন কৰে সন্থাৰ ৰাজ্যিক সদস্য ধেনুৰাম নাথে। সন্থাৰ কৰ্মচাৰী ডেইজী সেনাপতিয়ে শলাগৰ শৰাই আগবঢ়োৱা সভাখনি জাতীয় সংগীতেৰে সামৰণি কৰা হয়। ইয়াৰ পাছতে পুথিভঁড়াল সপ্তাহ উপলক্ষে ২৯ জানুৱাৰী তাৰিখে তৃতীয় দিনৰ কাৰ্যসূচী হিচাবে কলিয়াবৰ মহকুমা সন্থাৰ উদ্যোগত, অসম চাহ আৰু প্ৰাক্তন চাহ জনজাতি যুৱ সন্থা, নগাঁও জিলা সমিতিৰ সহযোগত দিনযোৰা কাৰ্যসূচীৰে শালনাস্থিত চাহ শ্ৰমিক কল্যাণ সংঘৰ প্ৰাঙ্গণত পুথিভঁড়াল সপ্তাহ উদ্‌যাপন কৰা হয়। তদুপলক্ষে পুৱা চাফাই অভিযান কাৰ্যসূচী মুকলি কৰে সেউজ কোঁৱৰ স্বপন কুমাৰ চৌধুৰীয়ে আৰু স্মৃতিতৰ্পন মুকলি কৰে সমাজসেৱক ৰাজেশ কালিন্দিয়ে। ইয়াৰ পাছতে সন্থাৰ পতাকা উত্তোলন কৰে কলিবাৰ মহকুমা গ্ৰাম্য পুথিভঁড়াল সন্থাৰ সভাপতি, জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকাই। দিনৰ ১২ বজাত অনুষ্ঠিত 'বৰ্তমান বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ সাম্প্ৰতিক সময়ত পুথিভঁড়ালৰ আৱশ্যকতা' শীৰ্ষক মনোজ্ঞ আলোচনাচক্ৰত সঞ্চালনা কৰে অসম চাহ আৰু প্ৰাক্তন চাহ জনজাতি যুৱ সন্থা, নগাঁও জিলা সমিতিৰ উপ সভাপতি শংকৰ তাঁতিয়ে। উদ্বোধন কৰে অসম চাহ নিগমৰ উপ সভাপতি সীমাঞ্চল দিগালদেৰে। অসম চাহ আৰু প্ৰাক্তন চাহ জনজাতি যুৱ সন্থা, নগাঁও জিলা সমিতিৰ সভাপতি ৰাম বিলাস তাঁতিয়ে আদৰণি ভাষণ আৰু আঁতধৰা আলোচনাচক্ৰখনিত মুখ্য বক্তা হিচাবে উপস্থিত থাকি সদৌ অসম গ্ৰাম্য পুথিভঁড়াল সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে এক মননশীল বক্তৃতা প্ৰদান কৰে। সন্থাৰ ৰাজ্যিক সদস্য ধেনুৰাম নাথে গীত পৰিবেশন কৰা সভাত উপস্থিত থাকি বক্তব্য আগবঢ়াই অৱসৰপ্ৰাপ্ত শিক্ষক নাৰায়ন তাচা আৰু হীৰেণ ডেকাই। সন্থাৰ কৰ্মচাৰী ৰিতুমনি চহৰীয়াই শলাগৰ শৰাই আগবঢ়োৱা সভাখনত ২৫ গৰাকী নৱ প্ৰজন্মৰ যুৱক-যুৱতীক গ্ৰন্থ বিতৰণ কৰা হয় আৰু জাতীয় সংগীতেৰে সভা সামৰণি কৰা হয়। সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে জনোৱা মতে আজি বোকাখাত মহকুমা সন্থাৰ উদ্যোগত পুথিভঁৰাল সপ্তাহ উদযাপন কৰা হয়। ৩১ জানুৱাৰীত গোৱালপাৰা জিলা সন্থাৰ উদ্যোগত, ১ ফেব্ৰুৱাৰীত দৰং জিলা সন্থাৰ উদ্যোগত পুথিভঁড়াল সন্থাৰ কাৰ্যসূচী ৰূপায়ণৰ অন্তত ২ ফেব্ৰুৱাৰীত তিনিচুকীয়া জিলা সন্থাৰ উদ্যোগত পুথিভঁড়াল সপ্তাহৰ সামৰণি পৰিব।

# ১৫ কোটি টকা ব্যয় সাপেক্ষে সৰভোগ সমষ্টিৰ ২৬খনকৈ পথৰ কামৰ শুভাৰম্ভ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ



**অসম বাৰ্তা, বৰপেটাৰোড, ৩০ জানুৱাৰী ঃ** আজি বৰপেটা ৰোড স্থিত লোক নিৰ্মাণ বিভাগৰ ভবাণীপুৰ সৰভোগ, পাকা বেতবাৰী ক্ষেত্ৰীয় পথ সংমণ্ডলৰ অধীনত ২০২৫-২০২৬ বিত্তীয় বৰ্ষৰ বিভিন্ন শিতানৰ মঞ্জৰীপ্ৰাপ্ত SOPD(G) ২০২৫-২০২৬ৰ অধীনত ২৬খনকৈ পথৰ কামৰ শুভাৰম্ভ কৰে মন্ত্ৰী মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কামৰ ঠিকা লাভ কৰা ঠিকাদাৰ সকলক সকিয়নী প্ৰদান কৰি কয় যে কাম ভাল হ'ব লাগিব আৰু অহা ২ ফেব্ৰুৱাৰীৰ ভিতৰত কামৰ শুভাৰম্ভ হ'ব লাগিব। ইয়াৰ উপৰিও অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰী গৰাকীয়ে সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰক সমালোচনা কৰি কয় যে তেওঁৰ নাম আচলতে এণ্টাৰটেইনমেণ্ট তালুকদাৰহে। দুবাৰকৈ চিপিএমক পৰাস্ত কৰি সৰভোগত জয়লাভ কৰিবলৈ সক্ষম হৈছিল বিজেপি, সমষ্টিৰ পৰা মনোৰঞ্জন তালুকদাৰ জয়লাভ কৰাৰ বাবে সমষ্টিখন পাচ বছৰ পিছুৱাই গৈছে সেয়া সকলোৰে জানে, উন্নয়নৰ এটা খতিয়ান দাঙি ধৰিব পৰা নাই তদুপৰি চৰকাৰে আজিৰ পৰা কেইবাবছৰ আগতে ডুমুনীৰ বেঁকী নৈৰ ওপৰত এখন দলং বনোৱাৰ বাবে ধন আবণ্টন দিছিল যদিও আজিলৈকে সেয়া সম্পূৰ্ণ কৰিব নোৱাৰিলে, উন্নয়নৰ ক্ষেত্ৰত ব্যৰ্থ মনোৰঞ্জন তালুকদাৰ ইয়াৰ পিছতো বিজেপিক সমালোচনা কৰে কেনেকৈ সেয়া চিন্তনীয় বিষয়। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে আৰু কয় যে যদি ইতিমধ্যে আৰু ২২৭খন ৰাস্তা আৰু বগুৰীগুৰিত এখন বৃহৎ দলং নিৰ্মাণৰ কাম অন্তৰ্ভুক্ত কৰা হৈছে অতিশীঘ্ৰেই সেই কামখিনিও আৰম্ভ হ'বলৈ গৈ আছে। আজি ১৫ কোটি টকা ব্যয় সাপেক্ষে সৰভোগ সমষ্টিৰ ২৬খনকৈ পথৰ কামৰ শুভাৰম্ভ পথসমূহ হৈছেঃ- ১. নীলিমা ৰামচিয়াৰীৰ খবৰ পৰা পৰমেশ্বৰ ৰয়ৰ ঘৰলৈ। ২. লোকনিৰ্মাণ পথ সংযোগী পইণ্টৰ পৰা বাৰেগাঁৱৰ কান্দুৰাম দাসৰ ঘৰলৈ যোৱা পথ। ৩. গৌৰীয়া মঠ অভিমুখী পথ। ৪. দক্ষিণ বুঢ়ীখামাৰ ১৮০০ নং এল.পি. স্কুলৰ পৰা মৃণাল দাসৰ ঘৰৰ সমীপৰ PMGSY পথ। ৫. দক্ষিণ গণকগাড়ী পথ অক্ষয় দাসৰ ঘৰৰ পৰা ধৰ্মেশ্বৰ দাসৰ ঘৰলৈ। ৬. দক্ষিণ গণকগাড়ী পথ ৰমেশ কলিতাৰ ঘৰৰ পৰা দীপক নাথৰ ঘৰৰ হৈ গোসাঁই কলম আলিলৈ। ৭. বিজয় দাসৰ ঘৰৰ পৰা দহলপাৰা এল.পি. স্কুল হৈ NH-31 লৈ যোৱা পথ। ৮. উৎপল দাসৰ ঘৰৰ পৰা দক্ষিণ গণকগাড়ীৰ অভিমুখী পথ। ৯. শিমলাগুৰি— মানস পথ সংযোগী পইণ্টৰ পৰা শিলখাগুৰি (হোটাপাৰা) ত থকা অমিত নাথৰ ঘৰলৈ। ১০. দক্ষিণ বুঢ়ীখামাৰ পথ ললিত ৰাজবংশীৰ ঘৰৰ পৰা সমেন দাসৰ দোকান হৈ প্ৰফুল্ল দাসৰ ঘৰলৈ। ১১. দক্ষিণ কলভাঙ্গা পথ ৰামকুমাৰ মণ্ডলৰ ঘৰৰ পৰা পৰেশ ক্ষত্ৰিয়ৰ ঘৰলৈ যোৱা পথ। ১২. বালাভিটাৰ পৰা চেঙেলীয়া পথলৈ সুলেমান আলীৰ ঘৰৰ সমীপত। ১৩. বালাভিটাৰ পানী টেংকীৰ ওচৰত দুয়োকাষে সংযোগী পথসহ RCC শ্লে-ব কালভাৰ্ট। ১৪. শ্বহীদ হৰপতি তালুকদাৰ অভিমুখী পথ। ১৫. চান্দামাৰী অনুসূচিত জাতিৰ গাঁৱৰ পথ নিৰ্মাণ। ১৬. কামাৰগাঁও-গোলাপাৰা গাঁৱৰ পথ নিৰ্মাণ। ১৭. সুশীল বাগাড়ীয়াৰ ঘৰৰ পৰা বেলতলা চকলৈ পথ উন্নীতকৰণ। ১৮. দৌল গোৱিন্দ মন্দিৰৰ পৰা ভৰেন ৰাজবংশীৰ ঘৰৰ হৈ মহেন চৌধুৰীৰ ঘৰলৈ যোৱা পথ। ১৯. কায়স্থগাঁও তিনিআলিৰ পৰা শুকানযানী শ্মশানলৈ যোৱা পথ। ২০. দয়াল নাথৰ ঘৰৰ পৰা শিঙাবিল শিৱ মন্দিৰ হৈ ধনঞ্জয় বড়োৰ ঘৰলৈ যোৱা পথ। ২১. কাটাঝাৰ পথাৰৰ কাটাঝাৰ পোনাস্মিতা এডুকেচন কনচেপ্টৰ পৰা জনকল্যাণ শ্মশান হৈ কাটাঝাৰ কাহিতামা লোকনিৰ্মাণ পথলৈ। ২২. কুমুৰীয়া PWD পথৰ সংযোগী পইণ্টৰ পৰা (বুবুল দাসৰ ঘৰৰ ওচৰত) নবীন দাসৰ ঘৰ হৈ ৰাজিন দাসৰ ঘৰলৈ। ২৩. NH-27 ৰ পৰা বিমল সৰকাৰৰ ঘৰ হৈ কিছমত দ্বাৰিকা পশ্চিম পাৰালৈ যোৱা পথ। ২৪. বালাভিটা গাঁৱৰ চন্দ্ৰ দাসৰ ঘৰৰ পৰা আমজাদ আলীৰ দোকান হৈ লোকনিৰ্মাণ পথ সংযোগী পথ। ২৫. কিচমত দ্বাৰিকাৰ পৰা পশ্চিম ফেহুৰাখোৱালৈ যোৱা পথ। ২৬. দহলপাৰা গাঁৱৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা দহলাপাৰা নামঘৰ হৈ ভট্টদেৱ এম ই স্কুললৈ যোৱা পথ।

### উৎফুল্ল মাজুলীবাসী; স্থায়ী শিল্পী পেঞ্চন প্ৰদানৰ দাবী

# মাজুলীৰ নাৰায়ন ভঁৰালীলৈ অসম চৰকাৰৰ একঁকালীন শিল্পী পেঞ্চন



**অসম বাৰ্তা, উজনী মাজুলী, ৩০ জানুৱাৰী ঃ** মাজুলীৰ সত্ৰীয়া-সংস্কৃতিৰ বিশিষ্ট শিল্পী, ভাস্কৰ্যবিদ, বহু প্ৰজন্মৰ গুৰু নাৰায়ন ভঁৰালীলৈ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ তৰফৰ পৰা ২০২৫ বৰ্ষৰ এক কালীন শিল্পী পেঞ্চনৰ বাবে নিৰ্বাচিত কৰিছে। মধ্য মাজুলী সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নাৰায়ণ ভঁৰালীয়ে একঁকালীন শিল্পী পেঞ্চন লাভ কৰাত মাজুলীত আনন্দ উল্লাসৰ সৃষ্টি হৈছে। নাৰায়ণ ভঁৰালী আজন্ম এজন সত্ৰীয়া শিল্পী। ১৯৬০ চনত মাজুলীৰ আদিএলেঙী সত্ৰত প্ৰয়াত ফনীধৰ ভঁৰালী আৰু ফুল ভঁৰালীৰ ঔৰষত জন্মগ্ৰহণ কৰা নাৰায়ন ভঁৰালী বাল্য কালৰে পৰা আদিএলেঙী সত্ৰৰ ছত্ৰ ছায়াত ডাঙৰ দীঘল হৈ সত্ৰীয়া নৃত্য গীতৰ শিক্ষা লাভ কৰিছিল। পৰৱৰ্তী সময়ত আদিএলেঙী সত্ৰখন ব্ৰহ্মপুত্ৰ নদীৰ তীব্ৰ গৰাখহনীয়াত জাহ যোৱাত নাৰায়ন ভঁৰালীয়ে উত্তৰ কমলাবাৰী সত্ৰৰ মণিৰাম বায়নৰ ওচৰত নৃত্য, গীত, গায়ন-বায়ন, ভাওনা আদিৰ শিক্ষা গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত এজন সুদক্ষ, সত্ৰীয়া শিল্পী হিচাপে পৰিগণিত হয়। তেওঁ সত্ৰীয়া নৃত্য, গীতৰ শিক্ষা গ্ৰহণ কৰি ভাৰত বৰ্ষৰ বিভিন্ন ৰাজ্যত সত্ৰীয়া নৃত্য, গীত, ভাওনা আদি পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰিছিল। বৈবাহিক জীৱন আৰম্ভ কৰাৰ পাছত তেওঁ মধ্য মাজুলীৰ বৰুৱাবাৰীত নিগাজীকৈ থাকিবলৈ লয় আৰু বৰুৱাবাৰীত মধ্য মাজুলী সত্ৰীয়া সংগীত মহাবিদ্যালয় আৰম্ভ কৰি অধ্যক্ষৰ আসন অলংকৃত কৰে। উক্ত, মহাবিদ্যালয়ৰ পৰা তেওঁ নতুন প্ৰজন্মৰ শ শ শিক্ষাৰ্থীক সত্ৰীয়া নৃত্য গীতৰ শিক্ষা প্ৰদান কৰি আছে। এজন নিপুণ, সুদক্ষ ভাস্কৰ্য শিল্পী হিচাপে পৰিচিত নাৰায়ণ ভঁৰালীৰ শিল্প কৰ্ম মাজুলীৰ সৰ্বত্ৰ কোণত বিয়পি আছে। মাজুলীৰ গড়মূৰ সত্ৰৰ নামঘৰৰ মূল তোৰণ, পহুমৰা নামঘৰ তোৰণ, আলিছিগা, দৰীয়া গাঁও, কমলপুৰ, বৰমুকলি, নতুন কমলাবাৰী সত্ৰ, উত্তৰ কমলাবাৰী সত্ৰ আদিৰ নামঘৰ, বহাত নাৰায়ন ভঁৰালীৰ নিপুণ, গায়িকা ভাস্কৰ্য শিল্প জিলিকি আছে। সত্ৰীয়া নৃত্য গীতৰ বিশাৰদ ডিগ্ৰী লাভ কৰা নাৰায়ন ভঁৰালী অংকীয়া ভাওনাৰ এজন সুদক্ষ শিল্পী। তেওঁ অসমৰ বাহিৰত কেইবাবাৰো অংকীয়া ভাওনা প্ৰদৰ্শন কৰি আহিছে। ভোৰতাল নৃত্যৰ গুৰু নাৰায়ণ ভঁৰালীয়ে মাজুলীৰ বহু শিক্ষাৰ্থীক ভোৰতাল নৃত্যৰ শিক্ষা প্ৰদান কৰিছে। নাৰায়ন ভঁৰালীৰ দৰে প্ৰকৃত শিল্পীয়ে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ তৰফৰ পৰা একঁকালীন শিল্পী পেঞ্চন লাভ কৰাত মাজুলীৰ ৰাইজে সন্তোষ প্ৰকাশ কৰিছে আৰু শিল্পী নাৰায়ন ভঁৰালীক স্থায়ীভাৱে শিল্পী পেঞ্চন প্ৰদান কৰিবলৈ অসম চৰকাৰক আহ্বান জনাইছে।

### ভটিয়াপাৰ কাণ্ডৰ পুনৰাবৃত্তিপৰা কথমপি ৰক্ষা

# নামতিৰ ন-কাৰি গাঁৱৰ ৩৩ নং ৱীগত ভয়ংকৰ বিস্ফোৰণ

**অসম বাৰ্তা, নামতি, ৩০ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ নামতিত বৃহস্পতিবাৰে সন্ধিয়া প্ৰায় ৫বাজি ৩০ মিনিটত মানত ভয়ংকৰ বিস্ফোৰণ। নাজিৰা সমজিলাৰ অন্তৰ্গত নামতিৰ ন-কাৰি গাঁৱত অএনজিচি ৰ ৩৩ নং ৱীগত ভয়ংকৰ বিস্ফোৰণ সংঘটিত হয়। গাঁওৰক্ষী বাহিনীৰ এজন লোকে বিস্ফোৰণ ফলত হোৱা অগ্নিকাণ্ড দেখা পায় ততাতৈয়াকৈ আৰক্ষীক খবৰ দিয়াত কথমপি ৰক্ষা পৰে সমগ্ৰ অঞ্চলটো। বিস্ফোৰণ সংঘটিত হোৱাৰ ফলত সমগ্ৰ অঞ্চলটোত ধোঁৱা আৰু গেছৰ দুৰ্গন্ধয়ে ছানি ধৰিছে। ঘটনাস্থলীত নাজিৰা, শিৱসাগৰ আৰু আমগুৰিৰ পৰা কেইবাখনো অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ অগ্নি নিৰ্বাপন কৰিবলৈ সক্ষম হয় ফলত সমগ্ৰ অঞ্চলটোলৈ অগ্নি শিখা বিয়পোৱাৰ পৰা কথমপি ৰক্ষা কৰে। সমগ্ৰ অঞ্চলটোত বিদ্যুৎ ব্যৱস্থা ব্যাহত কৰাৰ লগতে সম্পূৰ্ণ ৰূপে বিস্ফোৰণ ফলত নিৰ্গত হোৱা গেছ নিস্ক্ৰিয় নোহোৱা পৰ্যন্ত অঞ্চলটোৰ ৰাইজক জুই ধৰা বন্ধ কৰি ৰাখিছে। বিস্ফোৰণ ফলত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হৈছে অঞ্চলজুৰি। স্থানীয় ৰাইজে জনোৱা মতে অ এন জি চি ৰ নামতিৰ ন-কাৰি ৩৩নং এই ৱীগটোত অ এন জি চি ৰ কৰ্তৃপক্ষই কোনো নিৰাপত্তা আৰক্ষী নিয়োগ কৰা হোৱা নাছিল। অএনজিচি কৰ্তৃপক্ষৰ এনেধৰণৰ চূড়ান্ত গাফিলতিৰ ফলত ৩৩নং ৱীগৰ এই বিস্ফোৰণ ঘটে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। ঘটনাস্থলীত অএনজিচিৰ শীৰ্ষ বিষয়া উপস্থিত হৈ সমগ্ৰ ঘটনাৰ পৰ্যবেক্ষণ কৰি তদন্ত অব্যাহত ৰাখিছে।

### নিচাজাতীয় দ্ৰব্য নিবাৰণী সপ্তাহ উপলক্ষে সজাগতা সভা

# নাওজান জাতীয় বিদ্যালয়ত মহাত্মা গান্ধীৰ শ্বহীদ দিৱস পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৩০ জানুৱাৰী ঃ** সৰুপথাৰ সমজিলাৰ নাওজান জাতীয় বিদ্যালয় প্ৰাঙ্গনত ৰাজ্যিক নিচাযুক্ত আৰু মাদক দ্ৰব্য নিবাৰণী পৰিষদ অসম সৰুপথাৰ সমজিলাৰ সৌজন্যত আৰু নাওজান জাতীয় বিদ্যালয়ৰ আতিথ্যত মহামানৱ মহাত্মা গান্ধীৰ ৭৮সংখ্যক শ্বহীদ দিৱস পালন কৰা হয়। লগতে শ্বহীদ দিৱসৰ লগত সঙ্গতি ৰাখি নিচাযুক্ত আৰু মাদকদ্ৰব্য সেৱনৰ অপকাৰিতাৰ ওপৰত এখনি সজাগতা সভাৰো আয়োজন কৰা হয়। বিদ্যালয় খনৰ সহকাৰী শিক্ষকদ্বয় নাৰায়ন কাকতি আৰু চন্দ্ৰকান্ত গগৈয়ে আঁত ধৰা সভাখনত মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সৰুপথাৰ সমজিলাৰ আয়ুক্ত মানসজ্যোতি নাথে আৰু ম্যালাৰ্পণ কৰে নাওজান জাতীয় বিদ্যালয়ৰ অধ্যক্ষ গোপাল প্ৰসাদ উপাধ্যায়ে। উক্ত সভাতে শ্বহীদ দিৱসৰ লগত সঙ্গতি ৰাখি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। নাওজান জাতীয় বিদ্যালয়ৰ স্বৰচিত সমবেত সংগীতৰে আৰম্ভ হোৱা অনুষ্ঠানভাগিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সৰুপথাৰ সমজিলাৰ আয়ুক্ত গৰাকীয়ে ভাষণ প্ৰসংগত ছাত্ৰ-ছাত্ৰী সকলক নিচাজাতীয় দ্ৰব্য ড্ৰাগছ বা অন্য নিচাজাতীয় সামগ্ৰী সমূহৰ পৰা নিজকে আঁতৰত ৰাখি সুন্দৰ আৰু স্বাস্থ্যবান শৰীৰ গঠন কৰিবলৈ আহ্বান জনায়। লগতে বিদ্যালয় সমূহৰ প্ৰাতঃ সভাত নিচাজাতীয় দ্ৰব্যৰ ঋণাত্মক দিশৰ ওপৰত সজাগতা সৃষ্টিৰ বাবে পদক্ষেপ লোৱাৰ কথা উল্লেখ কৰে। সভাত বিশেষভাৱে উপস্থিত থাকে সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া সৰুপথাৰ সমজিলাৰ প্ৰণৱ বৰা। তেখেতে ছাত্ৰ-ছাত্ৰী সকলৰ চৰিত্ৰ গঠনত ল'ব লগা সাৱধানতাৰ বিষয়ে মূল্যবান বক্তব্য আগবঢ়াই। অনুষ্ঠানটিত সৰুপথাৰ সমজিলা আয়ুক্ত, সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া গৰাকীৰ উপৰিও শিশু উন্নয়ন বিষয়া কেন্দ্ৰীয় খণ্ডৰ কিশোৰ শইকীয়া, বিদ্যালয় খনৰ অধ্যক্ষ গোপাল প্ৰসাদ উপাধ্যায়, সৰুপথাৰ সমজিলাৰ নিবাৰণী সংগঠক উমেশ ঘাটোৱাৰকে ধৰি অন্যান্য শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। অনুষ্ঠান ভাগিত ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা গীত, নৃত্য আদি প্ৰদৰ্শন আৰু ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়।

### নিৰ্বাচনৰ আগত অসমত ৰক্তাক্ত সংঘৰ্ষৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে হিমন্ত বিশ্ব শৰ্মাই ঃ বিধায়ক আমিনুল ইছলাম

# লাহৰীঘাটত এচ আৰ প্ৰক্ৰিয়াত অনিয়মৰ বিৰুদ্ধে এআইইউডিএফ দলৰ বৃহৎ প্ৰতিবাদী কাৰ্যসূচী

### মিঞাক খেদিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা কোন?

**অসম বাৰ্তা, ভুৰাগাঁও, ৩০ জানুৱাৰী ঃ** "অসমৰ পৰা মিঞাক খেদিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা কোন? অসমখন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বাপেকৰ সম্পত্তি নহয়। হিমন্ত বিশ্ব শৰ্মাৰ অসমত যিমান অধিকাৰ আছে এজন খাতি খোৱা ঠেলাৱালা ৰিস্কাৱালা মুছলমানৰো সমানে আছে। বিধান সভা নিৰ্বাচনৰ আগত সাম্প্ৰদায়িক উচতনিমুলক মন্তব্যৰে অসমত ৰক্তাক্ত সংঘৰ্ষ সৃষ্টি কৰাৰ চেষ্টা কৰিছে মুখ্যমন্ত্ৰীয়ে। অসমত শান্তি শিংখলা ৰক্ষা কৰিবলৈ হ'লে, শংকৰ আজানৰ মিলন ভূমিৰ ঐতিহ্য ৰক্ষা কৰিবলৈ হ'লে নেছনেল চেকৰেটি এক্টৰ অধীনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ডিটেন কৰিব লাগে। অন্যথা ৰক্তাক্ত ভূমিত পৰিণত হব পাৰে অসম।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে লাহৰীঘাটত এই মন্তব্য ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামৰ। এছ আৰৰ নামত বিশংগতিপূৰ্ণ অভিযোগেৰে ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰাৰ প্ৰতিবাদত এআইইউডিএফৰ মৰিগাঁও সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা এক প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ সন্মুখত ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীৰ বিৰুদ্ধে সৰৱ হৈ পৰে বিধায়ক আমিনুল ইছলাম। এআইইউডি এফৰ জিলা সমিতিৰ সভাপতি ছিদ্দিক আহমেদকে প্ৰমোখ্য কৰি বহু কেইজন দলীয় নেতৃত্বই অংশ গ্ৰহণ কৰে প্ৰতিবাদী কাৰ্যসূচীত। প্ৰতিবাদী লোক সকলে বিভিন্ন এছ আৰ বিৰোধী শ্ল'গানৰ ফেষ্টুন হাতে হাতে লৈ সমদল কৰি লাহৰীঘাটৰ ৰজাগাধোৱা স্থিত সমজিলা কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা দিয়ে। লাহৰীঘাট সমজিলাৰ অতিৰিক্ত আয়ুক্ত প্ৰমোদ শৰ্মাৰ জৰিয়তে নিৰ্বাচনী আয়োগলৈ এছ আৰৰ নামত ভুৱা অভিযোগৰ বিৰুদ্ধে কেবাটাও দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰ প্ৰদান কৰি বিধায়ক আমিনুল ইছলামে সংবাদ মাধ্যমৰ সন্মুখত মুখ্যমন্ত্ৰী গৰাকীৰ বিৰুদ্ধে বহু কেইটা গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয় - ৰাজ্যখনৰ মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এনে সাম্প্ৰদায়িক কু-অভিসন্ধিৰ বিৰুদ্ধে মাত মতাৰ বাবেই তেওঁক নেছনেল চেকৰেটি এক্টৰ অধিনত উদেশ্য প্ৰণোদিত ভাৱে নগাঁও কেন্দ্ৰীয় কাৰাগাৰলৈ নিক্ষেপ কৰিছিল। তেওঁ দাবী কৰে যে বৰ্তমান পৰিস্থিতিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক এন এছ এৰ অধীনত গ্ৰেপ্তাৰ কৰাটো ৰাজ্য খনৰ শান্তি সম্প্ৰীতি ৰক্ষাৰ বাবে মঙ্গলজনক। বিধায়ক আমিনুল ইছলামে মুখ্যমন্ত্ৰী গৰাকীয়ে কৰা কেতবোৰ উচতনিমুলক সাম্প্ৰদায়িক মন্তব্যক পাগলামী আখ্যা দিয়ে। তেওঁ দাবী কৰে যে মুখ্যমন্ত্ৰীৰ সাম্প্ৰদায়িক উচতনিমুলক মন্তব্যৰ বাবেই বিভিন্ন স্থানত মুছলমান লোকৰ ওপৰত একাংশই আক্ৰমণ আৰম্ভ কৰিছে। এনেদৰে বিধায়ক গৰাকীয়ে কঠোৰ ভাষাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি কয় - শীঘ্ৰেই হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব এআইইউডিএফ। উল্লেখ্য যে মৰিগাঁও জিলা সমিতিৰ উদ্যোগত লোৱা এই প্ৰতিবাদী কাৰ্যসূচীত এআই ইউ ডি এফৰ লাহৰিঘাট আৰু ভুৰাগাঁও ব্লক সমিতিয়েও সহযোগ কৰে। প্ৰতিবাদী কাৰ্যসূচীত কেন্দ্ৰীয় সম্পাদক চম্পক কলিতা, নগাঁও জিলা কমিটিৰ সভাপতি মতিউৰ ৰহমানৰ লগতে আন কেবাজনো নেতা উপস্থিত থাকে।

# উত্তৰ মাৰ্ঘেৰিটা ৰঙ্গমঞ্চত মাৰ্ঘেৰিটা বিধানসভা সমষ্টিভিত্তিত যুৱ সন্মিলন অনুষ্ঠিত

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৩০ জানুৱাৰী ঃ** বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামানমাহ বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। প্ৰতিটো দলে দলীয় সংগঠন শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰা দেখা গৈছে। পিছপাৰি ৰোৱা নাই শাসনাধিষ্ঠ ভাৰতীয় জনতা পাৰ্টিও। বিজেপিয়ে ৰাজ্যত পুনৰ চৰকাৰ গঠনৰ বাবে নিজৰ দলীয় সংগঠন শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হৈছে। দলটোৱে আজি উত্তৰ মাৰ্ঘেৰিটা ৰঙ্গমঞ্চত অনুষ্ঠিত কৰে মাৰ্ঘেৰিটা বিধানসভা সমষ্টিভিত্তিত যুৱ সন্মিলন। তিনিচুকীয়া জিলা যুৱ মৰ্চাৰ উদ্যোগত মাৰ্ঘেৰিটা বিধানসভাৰ তিনিওটা মণ্ডলৰ সহযোগত অনুষ্ঠিত হ'ল এই যুৱ সন্মিলন। স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। যুৱ মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি বিদ্যুৎ গগৈ আৰু পিযুষ বৰুৱা, তিনিচুকীয়া জিলা বিজেপিৰ উপ-সভাপতি ভৱেশ দত্ত, আঞ্চলিক পঞ্চায়তৰ সভাপতি মুনমী গগৈ, তিনিচুকীয়া জিলা পৰিষদৰ অধ্যক্ষ ভাদেশ্বৰ মৰাণ আদি উপস্থিত থকা সভাত প্ৰায় তিনি হাজাৰ যুৱ মৰ্চাৰ কৰ্মী উপস্থিত থাকে। জিলা সভাপতি প্ৰীতম বুঢ়াগোঁহাইৰ পৌৰাহিত্যত অনুষ্ঠিত হোৱা সভাত অবিচি যুৱ মৰ্চাৰ উপ-সভাপতি সঞ্জিত গগৈ, জিলা যুৱ মৰ্চাৰ উপ-সভাপতি বিতুপন শৰ্মা বৰুৱা, টাউন মণ্ডলৰ সভাপতি সুখদেৱ শৰ্মা আদি কেইবাগৰাকী নেতা উপস্থিত থাকি বক্তব্য আগবঢ়ায়। সভাত সমাগত বিধানসভা নিৰ্বাচনত বিজেপি দলৰ প্ৰাৰ্থী বিজয়ী কৰাৰ বাবে ৰণকৌশল প্ৰস্তুত কৰাত গুৰুত্ব আৰোপ কৰে।

### মৰিগাঁৱৰ মকৰিয়াত জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি উদ্যমী সভা

# মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ মূলমন্ত্ৰ লৈ আগবাঢ়িছে মৰিগাঁৱৰ কৃষক সকল ঃ অনামিকা তেৱাৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৩০ জানুৱাৰী ঃ** এটা সময়ত কৃষক সকলে হতাশাত ভোগিছিল কিন্তু বৰ্তমান মৰিগাঁও জিলাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানৰ মূলমন্ত্ৰ গ্ৰহণ কৰি কৃষিক উদ্যোগলৈ ৰূপান্তৰ কৰিবলৈ সক্ষম হৈছে। আজি মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত জিলাখনৰ মকৰিয়াত অনুষ্ঠিত হোৱা কৃষি উদ্যমী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি জিলাখনৰ উদ্যমী কৃষক সকলক উদ্দেশ্যি এনেদৰে মন্তব্য প্ৰকাশ কৰে মৰিগাঁও জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে। লগতে আয়ুক্ত গৰাকীয়ে জিলাখনত কৃষি পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰ কৰিবলৈ উদ্যোগ গ্ৰহণ কৰা লগতে সকলোকে পৰ্যটন ক্ষেত্ৰলৈ আগবাঢ়ি আহিবলৈ আহ্বান জনাই। মৰিগাঁৱৰ মকৰিয়াৰ বিপুল পাটৰৰ কৃষি পামত অনুষ্ঠিত আৰু মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ পশু বিশেষজ্ঞ ডাঃ সুভাষ কলিতাই আতধৰা সভাখনিত আদৰণি ভাষণ প্ৰদান কৰে জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ডাঃ ৰিজুস্মীতা শৰ্মা ডেকাই। জিলাখনৰ কৃষি উদ্যমী সকলৰ কৰ্মৰাজী, সমস্যা আৰু অভাৱৰ বিষয়ে বিশদভাৱে আলোচনা আগবঢ়োৱা অতি গুৰুত্বপূৰ্ণ সভাখনিত উপস্থিত থাকি কৃষি উদ্যমী সকলৰ লগতে কৃষক সকলৰ উদ্যশি বিভিন্ন আচনি আৰু পৰামৰ্শ মূলক ভাষণ প্ৰদান কৰে ক্ৰমে মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈ, জিলা পশুপালন আৰু চিকিৎসা বিষয়া নিলোৎপল কাকতি, জিলা মীন বিষয়া ভাস্কৰ নাথ, জিলা DICC ৰ বিষয়া দিপাংকৰ ডেকা, জিলা পৰ্যটন বিষয়া প্ৰজ্ঞান নেওগ ৰ লগতে মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ ক্ৰমে সৌৰভ বৰুৱা, সপ্তদ্বীপা ভট্টাচাৰ্য, নৱদ্বীপ শইকীয়া, জিয়াৰুল হক আৰু দিপাংকৰ বৰা।

# মুকালমুৱাত গাঁওৰক্ষী বাহিনীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, দৌলাশাল, ৩০ জানুৱাৰী ঃ** অসমৰ জনসাধাৰণৰ সুৰক্ষা আৰু অপৰাধ প্ৰৱণতা হ্ৰাস কৰাৰ বাবে অসম আৰক্ষীক সদায়ে সহযোগিতা কৰি অহা গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস আজি ৰাজ্যখনৰ ঠায়ে-ঠায়ে উদ্‌যাপন কৰা হয়। নলবাৰী জিলাৰ মুকালমুৱা থানাতো উদ্‌যাপন কৰা হয় গাঁওৰক্ষী বাহিনীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস। মুকালমুৱা, ভাংনামাৰী আৰু শিয়ালমাৰী থানাৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীৰ সমিতিসমূহে সমূহীয়াভাৱে মুকালমুৱা থানাত উদ্‌যাপন কৰে প্ৰতিষ্ঠা দিৱস। কাৰ্যসূচী মৰ্মে পুৱা গাঁওৰক্ষী বাহিনীৰ পতাকা উত্তোলন কৰে গাঁওৰক্ষী বাহিনীৰ নলবাৰী জিলাৰ উপদেষ্টা ৰণজিৎ তালুকদাৰে। বন্তি প্ৰজ্বলন কৰে মুকালমুৱা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতিষ গয়াৰীয়ে। ইয়াৰ পাছতেই অসম গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাপক প্ৰয়াত হৰিনাৰায়ণ বৰুৱাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলিৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে মুকালমুৱা, ভাংনামাৰী আৰু শিয়ালমাৰী থানাৰ চক্ৰ সংগঠক চৈয়দ নজৰুল ইছলামে। ইয়াৰ পাছতেই হৰিনাৰায়ন বৰুৱাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে গাঁওৰক্ষী বাহিনীৰ কৰ্মকৰ্তাসকলে। মুকালমুৱা থানা চৌহদত থকা মুকালমুৱা গাঁওৰক্ষী বাহিনীৰ কাৰ্যালয়ত মুকালমুৱা থানা সমিতিৰ সভাপতি ৰজনী ডেকাৰ সভাপতিত্বত এখন আলোচনা সভা অনুষ্ঠিত হয়। চক্ৰ সংগঠক চৈয়দ নজৰুল ইছলামে আলোচনা সভাত গাঁওৰক্ষী বাহিনীৰ কৰ্মকৰ্তাসকলৰ কৰ্মস্পৃহাক প্ৰশংসা কৰি অনাগত দিনত অপৰাধ প্ৰৱণতা হ্ৰাস কৰাৰ বাবে অধিক তৎপৰতাৰে কাম কৰি যাবলৈ আহ্বান জনায়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন